● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

## দিগ্‌দৰ্শন

*যি ব্যক্তিসত্তাক আমি চিৰদিনলৈ হেৰুৱাওঁ তেওঁ পুনৰ আমাৰ স্মৃতিলৈ ঘূৰি আহে; আমি ভবা ধৰণে নহ'লেও তেওঁ যেন আমাৰ মাজতে বিচৰণ কৰে।*

জে কে ৰাউলিং
*ব্ৰিটিছ ঔপন্যাসিক*



www.dainikagradoot.in

৭ চহৰ নহয়, ভাৰতত গ্ৰামবাসীয়েহে অধিক সুৰাপান কৰে
১৫ থাইলেণ্ড অপেনৰ ছমিফাইনেলত সিন্ধু
৪ স্পন্দনশীল গণতন্ত্ৰৰ চমৎকাৰ

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২২০তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ৬ জেঠ ১৪২৯ ভাস্কৰাব্দ ২১ মে' ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 21 May 2022 মূল্য ঃ ৯.০০ টকা

■ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ নেতৃত্বত তদন্ত আয়োগ গঠন ■ ৰাকেশ পালৰ নেতৃত্বত ২০১৩ৰ দৰেই ভয়াৱহ কেলেংকাৰি সংঘটিত হোৱাৰ ইংগিত ■ পাঁচজনীয়া সমিতি গঠন

# ১৮০ এচিএছ-এপিএছৰ বিৰুদ্ধে তদন্ত

### এপিএছচিৰ ২০১৪ৰ পৰীক্ষাত অনিয়মৰ অভিযোগক লৈ তৎপৰ দিছপুৰ ঃ প্ৰক্ৰিয়া আৰম্ভ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ মে' ঃ** বিগত ২০১৩ত অসম লোকসেৱা আয়োগ (এপিএছচি)ত সংঘটিত নিযুক্তিৰ ব্যাপক কেলেংকাৰিৰ তদন্তৰ মাজতে ২০১৪ৰ পৰীক্ষা আৰু বাছনি প্ৰক্ৰিয়াৰো অনুসন্ধানৰ সিদ্ধান্ত গ্ৰহণ কৰিছে ৰাজ্য চৰকাৰে। ৰাজ্যিক কেবিনেটত গৃহীত এই সিদ্ধান্তৰ পাছতে আজি অসম চৰকাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাক লৈ এখন এজনীয়া তদন্ত আয়োগ গঠন কৰে। এই আয়োগে ২০১৪ বৰ্ষৰ পৰীক্ষাক লৈ উত্থাপিত অভিযোগৰ সকলো তদন্ত সম্পূৰ্ণ কৰি ছমাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব লাগিব। এই সন্দৰ্ভত জাৰি কৰা নিৰ্দেশনাত উল্লেখ কৰা প্ৰাৰ্থী বাছনিৰ সমগ্ৰ প্ৰক্ৰিয়াটোৰ তদন্ত কৰিব আয়োগে। এই প্ৰক্ৰিয়াত এপিএছচিৰ তদানীন্তন অধ্যক্ষ ৰাকেশ পাল আৰু সকলো সদস্যৰ লগতে আয়োগৰ কৰ্মচাৰী আৰু প্ৰাৰ্থীসকলকো সামৰি ল'ব আয়োগে। লিখিত পৰীক্ষাৰ প্ৰশ্নকাকত প্ৰস্তুত, বিতৰণ আদিৰ লগত জড়িত পক্ষবোৰকো তদন্তৰ আওতালৈ আনিব লাগিব। ইয়াৰ লগতে প্ৰাৰ্থীসকলৰ মৌখিক পৰীক্ষা প্ৰক্ৰিয়া, পৰীক্ষাৰ স্বচ্ছতা আদি বিষয়ো সম্পূৰ্ণৰূপে এই তদন্তত সামৰি ল'ব লাগিব।

দিছপুৰৰ সূত্ৰই সদৰী কৰে যে ৰাজ্য *আঠ পৃষ্ঠাত চাওক*

## উৎকোচ লোৱা অৱস্থাতে হাতে-লোটে জালত কাৰ্যবাহী অভিযন্তা

### মুখ্যমন্ত্ৰীৰ সকীয়নিকো কেৰেপ নকৰে কৰ্মচাৰীয়ে

**অগ্ৰদূত বাৰ্তা**

**দুধনৈ/মাটিয়া, ২০ মে' ঃ** দুৰ্নীতিত লিপ্ত চৰকাৰী বিষয়া-কৰ্মচাৰীৰ প্ৰতি কোনো ধৰণৰ সহনশীলতা নৰখাৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সকীয়নিকো ভ্ৰূক্ষেপ নকৰে একাংশই। তাৰ ফলতে চৰকাৰী কাৰ্যালয়ত অব্যাহত আছে দুৰ্নীতিৰ পোহাৰ। দুৰ্নীতিত লিপ্ত এজন কাৰ্যবাহী অভিযন্তা আজি অসম আৰক্ষীৰ তদাৰকী আৰু দুৰ্নীতি নিবাৰক সঞ্চালকালয়ৰ আৰক্ষীৰ জালত হাতে-লোটে ধৰা পৰে। জলসিঞ্চন বিভাগৰ দুধনৈস্থিত গোৱালপাৰা পূব মণ্ডলৰ কাৰ্যালয়ৰ কাৰ্যবাহী অভিযন্তাজন হ'ল আকবৰ আলী। কাৰ্যবাহী অভিযন্তাৰ লগতে *১০ পৃষ্ঠাত চাওক*



*উৎকোচ লোৱা অৱস্থাতে ধৰা পৰিল জলসিঞ্চন বিভাগৰ কাৰ্যবাহী অভিযন্তা আকবৰ আলী।*

### ৰাজহুৱা হিচাপ পৰীক্ষণ সমিতিক পৰীক্ষাৰ নিৰ্দেশ উচ্চ ন্যায়ালয়ৰ

## আঠ বছৰত সমাজ কল্যাণত কমেও তিনিশ কোটি টকাৰ কেলেংকাৰি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ মে' ঃ** অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগত বিগত ২০১০ৰ পৰা ২০১৮লৈ তিনিশ কোটিতকৈ অধিক টকাৰ কেলেংকাৰি সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ভাৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ আদালতে অসম বিধানসভাৰ ৰাজহুৱা হিচাপ পৰীক্ষণ সমিতিক বিষয়টো পৰীক্ষা কৰিবলৈ আজি নিৰ্দেশ জাৰি কৰে। ইয়াৰ কাৰণ হিচাপে উল্লেখ কৰা হয় যে মহাগাণনিকৰ *১০ পৃষ্ঠাত চাওক*

## ৰাজ্যৰ বিভিন্ন স্থানত জব্দ অৰ্ধশতাধিক চোৰাং গৰু-ম'হ

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**

**তেজপুৰ/কলিয়াবৰ/শ্ৰীৰামপুৰ, ২০ মে' ঃ** তেজপুৰৰ গৰৈমাৰীৰ লগতে শোণিতপুৰৰ বালিপৰাত পৃথকে আৰক্ষীয়ে চোৰাংভাৱে সৰবৰাহ কৰা মুঠ ৩৩ টা গৰু জব্দ কৰে। ইয়াৰে ভিতৰত চাৰিদুৱাৰ আৰক্ষী থানাৰ অন্তৰ্গত মানিশিৰিত আজি পুৱতি নিশা তিনি বজাত আৰক্ষীয়ে চলোৱা *১০ পৃষ্ঠাত চাওক*

### দিল্লী-কলকাতাৰ মনীষ-মনোজৰ নেতৃত্বত অব্যাহত আছে ছিণ্ডিকেট

## কৰ ফাকিৰে বাৰ্মিজ মাছৰ অবৈধ সৰবৰাহ ৰাজ্যত



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ মে' ঃ** ৰাজ্যত অন্ধ্ৰপ্ৰদেশ, বিহাৰ, উত্তৰ প্ৰদেশ, পশ্চিমবংগ আদিৰ পৰা অহা মাছৰ সমান্তৰালভাৱে বিদেশী মাছৰ এক বৃহৎ ছিণ্ডিকেট আৰম্ভ হৈছে। সম্পূৰ্ণ অবৈধভাৱে এটা বৃহৎ চক্ৰই মহানগৰলৈ ম্যানমাৰৰ পৰা মাছৰ সৰবৰাহ অব্যাহত ৰাখিছে। উল্লেখ্য যে বাহু *১০ পৃষ্ঠাত চাওক*


## বানৰ সুযোগতে খাদ্য নিগমৰ চাউলৰ চোৰাং বেহা অসাধু ব্যৱসায়ীৰ



**অগ্ৰদূত বাৰ্তা**

**বকো, ২০ মে' ঃ** বিধ্বংসী বানত এসাঁজ ভাতৰ বাবে হাহাকাৰ লাগিছে ৰাজ্যৰ বনাৰ্ত্তৰ মাজত। ইয়াৰ মাজতে একাংশ অসাধু ব্যৱসায়ীয়ে বান *১০ পৃষ্ঠাত চাওক*

## ৰাজ্যত বান-ভূমিস্খলনত নিহতৰ সংখ্যা ১০লৈ বৃদ্ধি, আক্ৰান্ত ২৯ খন জিলা



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ মে' ঃ** ৰাজ্যত চলিত বান আৰু ভূমিস্খলনত নিহত লোকৰ সংখ্যা ১০ জনলৈ বৃদ্ধি পালে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা *দুই পৃষ্ঠাত চাওক*

## মধুপুৰ মহোৎসৱত বাধাদানৰ অভিযোগ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ মে' ঃ** উত্তৰবংগৰ কোচবিহাৰৰ মধুপুৰ সত্ৰ আজি অস্তিত্বৰ সংকটত। কিয়নো সম্প্ৰতি সত্ৰখন বিভিন্ন *১০ পৃষ্ঠাত চাওক*

### পত্নীক অশ্লীল ইংগিত দিয়াৰ অভিযোগ ■ নৃশংস হত্যাকাণ্ডই জোঁকাৰিছে মহানগৰবাসীক

## মহানগৰীত ৭৮ বছৰীয়া লোকক ঘপিয়াই হত্যা কৰি পত্নীসহ থানাত আত্মসমৰ্পণ



### ভাড়াতীয়াৰ দাৰ ঘাপত প্ৰাণ গ'ল ঘৰৰ মালিকৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ মে' ঃ** এটাৰ পাছত আনটো অপৰাধে জোঁকাৰি যোৱা গুৱাহাটী মহানগৰীত আজি পুনৰ সংঘটিত হৈছে আন এক নৃশংস হত্যাকাণ্ড।দিছপুৰ আৰক্ষী থানাৰ অন্তৰ্গত জাপৰিগোগ অঞ্চলৰ বিক্ৰমপুৰত ভাড়াতীয়া হিচাপে বসবাস কৰা ধৰণী ডেকা (৫৪)ক নামৰ লোকজনে ঘৰৰ মালিকক নৃশংসভাৱে হত্যা কৰা বুলি আজি দিছপুৰ আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। আত্মসমৰ্পণকাৰী ডেকাক দিছপুৰ আৰক্ষীয়ে ঘটনাৰ সন্দৰ্ভত জেৰা অব্যাহত ৰাখিছে। জাপৰিগোগৰ বিক্ৰমপুৰৰ বাসিন্দা জলসিঞ্চন বিভাগৰ অৱসৰপ্ৰাপ্ত উচ্চ বৰ্গৰ সহায়ক হেমধৰ বচাবৰুৱা (৭৮) *১০ পৃষ্ঠাত চাওক*



### ■ উত্তেজিত গাঁওবাসীয়ে জ্বলালে অভিযুক্তৰ গৃহ-ব্ৰয়লাৰ ফাৰ্ম

## আঠখেলীয়াত ড্ৰাগছ ব্যৱসায়ীয়ে দাৰে ঘপিয়াই হত্যা কৰি লুটিলে ধন-সোণ


■ মৃতদেহ সন্মুখত লৈ উপায়ুক্তৰ কাৰ্যালয়ত উত্তাল প্ৰতিবাদ-দোষীক শাস্তিৰ দাবী ■ বেবেজীয়া গাঁৱৰ দিব্যজ্যোতি দাসক হত্যাৰ পাছত পত্নী-শিশুক আক্ৰমণ

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**গোলাঘাট/আঠখেলীয়া, ২১ মে' ঃ** গোলাঘাট জিলাৰ ঘিলাধাৰী আৰক্ষী থানাৰ অন্তৰ্গত আঠখেলীয়াৰ সমীপৱৰ্তী চাৰিঙীয়া বেবেজীয়াত যোৱা নিশা এক ডকাইতি তথা নৃশংস হত্যাকাণ্ড সংঘটিত হয়। যোৱা নিশা দুই বজাত সংঘটিত লোমহৰ্ষক *১০ পৃষ্ঠাত চাওক*







| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৮° | ২৩° |
| ডিব্ৰুগড় | ২৪° | ২১° |
| দিল্লী | ৪৪° | ৩০° |
| কলকাতা | ৩৭° | ২৯° |
| মুম্বাই | ৩২° | ২৯° |
| চেন্নাই | ৩৬° | ২৮° |
| বাংগালুৰু | ২৬° | ১৯° |
| শ্বিলং | ২৩° | ১৭° |

*২০ মে', ২০২২*

■ চৰকাৰৰ বিৰুদ্ধে বিভাজনমূলক নীতিৰ অভিযোগ ■ পুনৰ অস্ত্ৰ লোৱাৰ ভাবুকি বীৰছা কমাণ্ডো-আনলাৰ ■ সীমান্তত ৰাইজ মেল

## আদিবাসীৰ জনজাতিকৰণ নকৰাকৈ চুক্তিৰ বিৰোধিতা সশস্ত্ৰ সংগঠনৰ

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ২০ মে' ঃ** অসমত বসবাস কৰা আদিবাসী জনগোষ্ঠীয় লোকসকলৰ দীৰ্ঘদিনীয়া দাবী জনজাতিৰ মৰ্যাদা প্ৰদান নকৰাকৈয়ে যুদ্ধ বিৰত আদিবাসী বিদ্ৰোহী সংগঠন সমূহৰ স'তে শান্তি চুক্তি সম্পাদিত কৰাৰ সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰিছে বীৰছা কমাণ্ডো *১০ পৃষ্ঠাত চাওক*



## এনআৰচিৰ প্ৰাক্তন সমন্বয়ক হাজেলাৰ বিৰুদ্ধে গোচৰ চিআইডিত

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ মে' ঃ** ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণ প্ৰক্ৰিয়াত তদানীন্তন ৰাজ্যিক সমন্বয়ক প্ৰতীক হাজেলাই উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা অমান্য কৰাৰ অভিযোগ তুলি অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগ (চিআইডি)ত অভিযোগ দাখিল কৰিছে বৰ্তমান উক্ত পদত কাৰ্যনিৰ্বাহ কৰি থকা হিতেশ দেৱশৰ্মাই। চিআইডিৰ আৰক্ষী অধীক্ষকৰ ওচৰত দাখিল কৰা এজাহাৰত উল্লেখ কৰা হৈছে যে হাজেলাই *১০ পৃষ্ঠাত চাওক*

### উত্তৰ-পূব গৱেষণা সন্মিলনত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

## ৫৪৬ কোটিৰে হাস্পতাল নিৰ্মাণৰ বাবে চৰকাৰ আৰু আইআইটিৰ বুজাবুজিৰ চুক্তি



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ মে' ঃ** আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, গুৱাহাটীৰ চৌহদত অনুষ্ঠিত উত্তৰ পূৱ গৱেষণা সন্মিলন, ২০২২ ত আৰম্ভ হয়। শৈক্ষিক আৰু ঔদ্যোগিক ক্ষেত্ৰৰ স'তে জড়িত লোকসকলৰ বিশেষজ্ঞতা, সামগ্ৰী আৰু প্ৰযুক্তি প্ৰদৰ্শনৰ বাবে এক মঞ্চ প্ৰদানৰ লগতে অংশীদাৰসকলৰ মাজত ধাৰণাসমূহ বিনিময়ৰ বাবে এক যোগসূত্ৰ স্থাপনৰ উদ্দেশ্যে উমৈহতীয়া আন্তঃপৃষ্ঠ ব্যৱস্থা আগবঢ়োৱাৰ লক্ষ্যৰে ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, গুৱাহাটী, বিজ্ঞান প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগ *১০ পৃষ্ঠাত চাওক*

## হাজোৰ বুল্লুটত বেদখলকাৰীৰ আক্ৰমণত মহিলাসহ আহত পাঁচ

**অগ্ৰদূত বাৰ্তা**

**হাজো, ২০ মে' ঃ** কামৰূপ জিলাৰ হাজোৰ বুল্লুট চাৰিআলিত কালি বিয়লি এটা পাঁচ-ছয়জনীয়া দলৰ আক্ৰমণত এটি পৰিয়ালৰ শিশু-মহিলাসহ পাঁচগৰাকী লোক আহত হয়। বুল্লুটৰ চফুৰ আলী নামৰ ব্যৱসায়ীজনে তেওঁৰ ব্যৱসায়িক প্ৰতিষ্ঠানত ব্যস্ত থকাৰ সময়তে দলটোৱে প্ৰতিষ্ঠানখনৰ ভূমি বেদখলৰ চেষ্টা চলায়। চফুৰে ইয়াৰ বিৰোধিতা কৰাত দুৰ্বৃত্তৰ দলটোৱে চফুৰৰ লগতে তেওঁৰ পৰিয়ালটোক *১০ পৃষ্ঠাত চাওক*

## চেঙা তেল



*আনৰ প্ৰদূষণ আৰু কি বিচাৰিম! আমাৰ ইয়াতেই দেখোন প্ৰদূষণৰ শেষ নাই!*

## মহাবাহুৰ খহনীয়াত অসমৰ মানচিত্ৰই হেৰুৱালে এখন গাঁও



### ■ ঘৰ-দুৱাৰ ভাঙি চকুলো টুকি আন স্থানলৈ যাত্ৰা গঞাৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ২০ মে' ঃ** মৰিগাঁও জিলাৰ মৈবাবাৰীৰ ভজাইখাইটি আৰু বৰচাপৰি গাঁৱত ব্ৰহ্মপুত্ৰই কালৰূপ ধাৰণ কৰিছে। ব্ৰহ্মপুত্ৰই কালৰূপ ধাৰণ কৰি এফালৰ পৰা মহটিয়াই নিছে গাঁও দুখন। খহনীয়াৰ কাল ৰূপত ত্ৰাহি মধুসূদন সুঁৱৰিছে গঞাই। উল্লেখ্য যে বিগত দুবছৰে অঞ্চলটোত অব্যাহত থকা ব্ৰহ্মপুত্ৰৰ খহনীয়াই এইবাৰ অধিক ভয়ংকৰ ৰূপ ধাৰণ কৰি ভজাইখাইটি গাঁওখন প্ৰায় সম্পূৰ্ণৰূপে নিশ্চিহ্ন কৰে। গাঁওখন প্ৰায় সম্পূৰ্ণৰূপে জাহ গ'ল ব্ৰহ্মপুত্ৰৰ বুকুত। আনহাতে, বৰ্তমানেও খহনীয়াই ভয়ংকৰ ৰূপ ধাৰণ কৰি তাণ্ডৱ চলাই আছে প্ৰতিবেশী বৰচাপৰি গাঁৱত। খহনীয়াৰ প্ৰকোপ দেখি আতংকিত হৈ পৰিছে গাঁওবাসী। দিশহাৰা গঞাই এতিয়া নিজৰ আপোন ঘৰখন নিজে ভাঙি আন স্থানলৈ গতি কৰিছে চকুলো টুকি। ই এক অবৰ্ণনীয় পৰিৱেশ। দুৰ্ভগীয়া লোকসকলে লাম লাকটু লৈ যোৱা দৃশ্য খুবেই বেদনাদায়ক। কিন্তু ইমানৰ পাছতো কাণসাৰ নাই ধিং সমষ্টিৰ বিধায়ক আমিনুল ইছলাম আৰু স্থানীয় সাংসদ গৌৰৱ গগৈৰ। সেয়ে খহনীয়াৰ পৰা পৰিত্ৰাণ বিচাৰি খহনীয়াৰ প্ৰতিৰোধৰ স্থায়ী পদক্ষেপ গ্ৰহণ কৰিবলৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক অনুৰোধ জনাইছে খহনীয়াত আক্ৰান্ত ৰাইজে।

### ২২টা সমষ্টিত প্ৰাৰ্থী তালিকা ঘোষণা কৰি ক'লে

## কাৰ্বি আংলঙৰ ভোটমুখী জনতাৰ মনৰ ভাব পোৱাৰ দাবী কংগ্ৰেছ নেতাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ মে' ঃ** অহা আঠ জুনত অনুষ্ঠিত হ'বলগীয়া কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ ২৬ টা সমষ্টিৰ ২২ টাৰ প্ৰাৰ্থীৰ নাম আজি কংগ্ৰেছে ঘোষণা কৰে। চাৰিটা সমষ্টিৰ প্ৰাৰ্থীৰ নাম ৰাজনৈতিক *১০ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত
যোৰহাট , ২১ মে’, ২০২২ শনিবাৰ পৃষ্ঠা তিনি

**গোচৰৰ পৰৱৰ্তী শুনানি চলিব জুনৰ চাৰিটা দিনত**

# অভি-নীলৰ হত্যাকাণ্ডৰ কথা পাহৰিলে নেকি অসমৰ ৰাইজে ঃ দুৰ্ভগীয়া পিতৃৰ আক্ষেপ



**বিশেষ সংবাদদাতা**
**নগাঁও, ২০ মে’ ঃ** ‘অভি-নীলৰ হত্যাকাণ্ডৰ কথা পাহৰি গ’ল নেকি অসমৰ ৰাইজে?’ আজি নগাঁও আদালত চৌহদত সংবাদ মাধ্যমৰ আগত এইদৰে আক্ষেপ কৰিলে নিলোৎপল দাসৰ দুৰ্ভগীয়া পিতৃ গোপাল চন্দ্ৰ দাসে। তেওঁ কয়, ‘এই হত্যাকাণ্ডৰ বিচাৰ প্ৰক্ৰিয়াটোৰ সাক্ষী লওঁতেই প্ৰায় চাৰিবছৰ লাগিল। বিভিন্ন কাৰণত মোকৰ্দমাটোৰ বিচাৰ প্ৰক্ৰিয়া লেহেমীয়া হৈছে। অহা জুনত চাৰিটা তাৰিখ শুনানিৰ বাবে নিৰ্ধাৰণ কৰা হৈছে। যদি এই চাৰিটা তাৰিখৰ শুনানি হয় তেতিয়া আৰু এজন সাক্ষীৰ সাক্ষ্য সম্পূৰ্ণ হ’ব। এতিয়ালৈকে ৬৯ জনৰ সাক্ষী লোৱা হৈছে। দুজন তদন্তকাৰী বিষয়াৰ সাক্ষ্য ল’বলৈ বাকী আছে। এই বছৰৰ শেষৰ ছয় পৃষ্ঠাত চাওক

### সন্ধানহীন হৈ থকা এগৰাকীৰ মৃতদেহ উদ্ধাৰ

## চাপৰৰ ধীৰবিলৰ শোকাবহ নাও দুৰ্ঘটনা

**অগ্ৰদূত বাৰ্তা**
**চাপৰ, ২০ মে’ ঃ** কালি সন্ধিয়া চাপৰৰ ধীৰবিলত সংঘটিত ভয়াবহ নাও দুৰ্ঘটনাত সন্ধানহীন হৈছিল একেটা পৰিয়ালৰ এহাল দম্পতী আৰু তেওঁলোকৰ কণমানি নাতিনীয়েক। উল্লেখ্য যে কালিৰ দুৰ্ঘটনাটোত ফলিমাৰী দ্বিতীয় খণ্ড কলবাৰী গাঁৱৰ ৰহিম বক্স (৫০), তেওঁৰ ছয় পৃষ্ঠাত চাওক

**নগাঁৱত বিদ্যুৎ বিভাগৰ ঠিকাদাৰৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ**

# ১১৩.৮৩ কোটিৰ কামত থলুৱাক বঞ্চিত

**বিশেষ সংবাদদাতা**
**নগাঁও, ২০ মে’ ঃ** পাৱাৰ্চ ইলেক্ট্ৰিকেল কণ্ট্ৰেকটৰ এছ’চিয়েচন অসমৰ নগাঁও শাখাৰ উদ্যোগত আজি অসম শক্তি বিতৰণ কোম্পানীৰ লিমিটেডৰ নগাঁও সংমণ্ডলৰ সহকাৰী মহাপ্ৰবন্ধকৰ কাৰ্যালয়ৰ সন্মুখত এপিডিচিএল (বিদুৎ বিভাগ)ৰ থলুৱা বিৰোধী কাম-কাজৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰা হয়। এছ’চিয়েচনৰ অন্তৰ্ভূক্ত ঠিকাদাৰসকলে এপিডিচিএলে স্থানীয় ঠিকাদাৰক বঞ্চিত কৰি বহিৰাগত ঠিকাদাৰক কামৰ আবণ্টন দিয়াৰ বাবে উঠি-পৰি লগাৰ প্ৰতিবাদত আজি ঠিকাদাৰসকলে এইদৰে অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে । ঠিকাদাৰসকলে অসমীয়া ভাষাক লাঞ্চিত কৰাৰ ষড়যন্ত্ৰৰ বিৰুদ্ধেও সৰৱ হোৱা পৰিলক্ষিত হয়। তেওঁলোকৰ দাবীৰ সমৰ্থনত হাতে হাতে প্লে- কাৰ্ড লৈ উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে শেহতীয়াভাৱে নগাঁও জিলাত বিদুৎ বিভাগত আধুনিকীকৰণ কৰিবৰ বাবে এপিডিচিএলে ১১৩ কোটি ৮৩ লাখ ৭০ হেজাৰ ৫৪৫ টকাৰ নিবিদা আহ্বান কৰিছে। জিলাখনৰ এল টি লাইন উন্নীতকৰণ কৰিবৰ বাবে এই নিবিদা আহ্বান কৰিছে। তথ্য মতে, বিভাগটোৰ এপিডিচিএল (পি পা এণ্ড ডি)ৰ মুখ্য পৰিচালন সঞ্চালকে এই বৃহৎ পৰিমাণৰ ধনৰ ক্ষেত্ৰত নিবিদা আহ্বান কৰিছে। অনলাইন যোগে নমে’ত বিভাগটোয়ে নিবিদা ৰাজহুৱা কৰিছে। সেই অনুযায়ী ২৩ মে’ৰ পৰা নিবিদা দাখিল কৰিব পাৰিব ঠিকাদাৰে। নিবিদা দাখিলৰ অন্তিম দিন আঠ জুন আৰু নিবিদা মুকলি কৰিব ১০ জুনত। বিষয়াগৰাকীয়ে অনলাইন যোগে আহ্বান ছয় পৃষ্ঠাত চাওক



*সাগৰ নহয়, শিলচৰৰ বানত প্লাৱিত অঞ্চলৰ দৃশ্য, শুকুৰবাৰে।*

## মাজুলীত ৰাষ্ট্ৰীয় পথ প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী অভিযন্তা

**নিৰ্দিষ্ট সময়তে নিৰ্মাণ হ’ব দলং**

**অগ্ৰদূত বাৰ্তা**
**কমলাবাৰী, ২০ মে’ ঃ** মাজুলী-যোৰহাট সংযোগী দলং নিৰ্মাণত সংঘটিত হোৱা আসোৰাহ অভিযোগৰ ভিত্তিত আজি মাজুলীৰ দক্ষিণপাটত উপস্থিত হয় ৰাষ্ট্ৰীয় পথ প্ৰাধিকৰণৰ মুখ্য কাৰ্যকৰী অভিযন্তা তথা তদন্তকাৰী বিষয়া ইউ চি কাটাৰ। নিৰ্মীয়মাণ মাজুলী-যোৰহাট সংযোগী দলংৰ দুটা খুঁটাত বিসংগতি বিষয়ত সদৌ মাজুলী জিলা ছাত্ৰ সন্থাই তৎপৰতাৰে মাজুলীৰসমূহ সংগঠন আৰু ৰাইজক একত্ৰিত কৰি যোৱা ১৬ মে’ত মাজুলী মিলন সংঘত এখন নাগৰিক সভা অনুষ্ঠিত কৰিছিল। সভাত দলঙৰ আঁসোৱাহ দূৰ কৰিবৰ বাবে বিভাগ তথা চৰকাৰে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে দলঙৰ খুঁটাসমূহ বিশেষজ্ঞৰ দ্বাৰা পৰীক্ষা কৰিব লাগে সিদ্ধান্ত গ্ৰহণ কৰি অসমৰ মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় চৰকাৰৰ পথ পৰিবহণ মন্ত্ৰীলৈ বিধায়কৰ ছয় পৃষ্ঠাত চাওক

## অস্ত্ৰ-হিংসাই কোনো সমস্যাৰ সমাধান নকৰে

**ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ‘আলোড়ন’ শীৰ্ষক শৈক্ষিক সজাগতা সভাত অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান নাথ**

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২০ মে’ ঃ** ‘অস্ত্ৰ আৰু হিংসাই কোনো সমস্যাৰ সমাধান নকৰে।’ একাংশ যুৱক-যুৱতী আলফা (স্বাঃ)ত যোগদান কৰা প্ৰসংগত মন্তব্য কৰে অসম আৰক্ষীৰ বিশেষ শাখাৰ অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান হীৰেন চন্দ্ৰ নাথে। সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ উদ্যোগত ডিব্ৰুগড় জিলা মটক যুৱ-ছাত্ৰ সন্মিলনৰ আতিথ্যত আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয় মটক ছাত্ৰ অধ্যয়ন চক্ৰৰ সহযোগত ‘আলোড়ন’ শীৰ্ষক বিশেষ সজাগতামূলক অনুষ্ঠানত উপস্থিত থাকি শীৰ্ষ আৰক্ষী বিষয়াজনে সাংবাদিকৰ আগত কয়, ‘সকলো সশস্ত্ৰ আৰু হিংসাৰ মাজেদি যিবিলাক আন্দোলন কৰা হৈছে আটাইবোৰ আন্দোলনেই বিফল হৈছে। অসম লোকসেৱা আয়োগ আৰু সৰ্বভাৰতীয় লোকসেৱা আয়োগৰ পৰীক্ষাৰ লগতে অন্যান্য প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ’বলৈ ছাত্ৰ-ছাত্ৰী আৰু যুৱক-যুৱতীসকলক উৎসাহিত কৰাৰ উদ্দেশ্যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰংঘৰ প্ৰেক্ষাগৃহত ছয় পৃষ্ঠাত চাওক

**মুছলপুৰত মন্ত্ৰী ইউ জি ব্ৰহ্ম**

## ককলাবাৰীৰ উপ-নিৰ্বাচনত ইউপিপিএল জয়ী হ’ব




**অগ্ৰদূত বাৰ্তা**
**মুছলপুৰ, ২০ মে’ ঃ** বিটিচিৰ ককলাবাৰী পৰিষদীয় সমষ্টিৰ পৰা জয়ী হৈছিল বিটিচি প্ৰধান প্ৰমোদ বড়ো। তেওঁ দুখন আসনত জয়ী হোৱা বাবে ককলাবাৰী সমষ্টিৰ পৰা পদত্যাগ কৰাৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচন আয়োগে সমষ্টিটোত উপ-নিৰ্বাচনৰ দিন ঘোষণা কৰে। অহা আঠ জুনত বিটিচিৰ ককলাবাৰী পৰিষদীয় সমষ্টিত অনুষ্ঠিত হ’ব উপ-নিৰ্বাচন। ইতিমধ্যে এই উপ-নিৰ্বাচনক লৈ উঠিপৰি লাগিছে প্ৰতিটো ৰাজনৈতিক দলে। শাসনাধিষ্ঠ ইউপিপিএল দলে অদ্যাপি ঘোষণা কৰা নাই প্ৰমোদ বড়োৰ উত্তৰসুৰি। ইয়াৰ মাজতে আজি অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই মুছলপুৰত কয়, ‘উপ-নিৰ্বাচনত শাসনাধিষ্ঠ ছয় পৃষ্ঠাত চাওক

## নগদ ধনসহ সাত জুৱাৰীক গ্ৰেপ্তাৰ লংকা আৰক্ষীৰ

**অগ্ৰদূত বাৰ্তা**
**লংকা, ২০ মে’ ঃ** লংকা আৰক্ষীয়ে এক বিশেষ সূত্ৰৰ পম খেদি বান পীড়িত অঞ্চল লস্কৰ পথাৰ বজাৰত জুৱা খেল চলাই থকা অৱস্থাত সাত জন লোকক জুৱাখেলৰ পৰা গ্ৰেপ্তাৰ কৰে। জুৱাৰী কেইজনৰ পৰা নগদ ৫৬ হেজাৰ ৩৮০ টকা, সাতটাকৈ ম’বাইল আৰু তাচ পাত উদ্ধাৰ কৰে। নিশা অঞ্চলটোৰ পৰা গ্ৰেপ্তাৰ কৰা জুৱাৰীকেইজন ক্ৰমে মোবাৰক আলী, জয়ৰুল ইছলাম, আনোৱাৰ হুছেইন, মনাছ আলী , কামাল হুছেইন, ছফিকুল ইছলাম আৰু গুলজাৰ হুছেইন। ইতিমধ্যে আৰক্ষীয়ে নিজাববীয়াকৈ ১৮৫/২০২২ নম্বৰৰ এক গোচৰ পঞ্জীয়ন কৰি আজি জুৱাৰী কেইজনক জেললৈ প্ৰেৰণ কৰিছে।

## পিক্‌আপ বাহনত শ্ৰমিক সৰবৰাহ

**চাহ বাগিচাৰ সহকাৰী পৰিচালকৰ বিৰুদ্ধে আটছাৰ এজাহাৰ ঃ প্ৰকৃত চালকে চলাইছিল বাহনখন**

**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি, ২০ মে’ ঃ** মৰিয়নিৰ সমীপৰ খাটিসোণা অঞ্চলত কালি শ্ৰমিক কঢ়িওৱা এখন পিক্‌আপ বাহন পথৰ ওপৰতে বাগৰি পৰা ঘটনাৰ প্ৰতিক্ৰিয়া আজিও অব্যাহত আছে। দুৰ্ঘটনাটোত বাহনখনত থকা প্ৰায় ৩৫ গৰাকী শ্ৰমিকৰ অধিকাংশই কম-বেছি পৰিমাণে আঘাতপ্ৰাপ্ত হয়। আহতসকলক চুণী লাহিঙত অৱস্থিত মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়লৈ লৈ যোৱা হৈছিল যদিও তাৰেই ২৮ গৰাকীক উন্নত চিকিৎসাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰিছিল। উল্লেখ্য যে মৰিয়নিৰ সমীপৰ ৰাজে চাহ বাগিচাৰ (ভেলাগুৰি নহয়) পৰা দিহিঙীয়াপাৰ চাহ বাগিচালৈ শ্ৰমিক কঢ়িয়াই অনা এএছ- ০৩ বিচি- ১৮৮৩ নম্বৰৰ বলেৰ’ পিক্‌আপ বাহনখনে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ ওপৰতে বাগৰি পৰি দুৰ্ঘটনাত পতিত হৈছিল। দিহিঙীয়াপাৰ চাহ বাগিচাৰ শ্ৰমিকসকলক অস্থায়ী শ্ৰমিকৰূপে কাম কৰিবৰ বাবে ৰাজে বাগিচালৈ নিছিল। তাৰ পৰা উভতি আহোতে এই দুৰ্ঘটনা সংঘটিত হয় । কিন্তু প্ৰশ্ন হয় শ্ৰমিকসকলক এইদৰে গৰু-ছাগলীৰ দৰে মালবাহী বাহনত কেনেকৈ নিবলৈ পালে? আনহাতে, দুৰ্ঘটনাৰ সময়ত বাহনখনৰ প্ৰকৃত চালকজনে বাহনখন চলোৱা নাছিল বুলি অভিযোগ উঠিছে। দুৰ্ঘটনাটোত আহত হোৱা কে’বাজনো শ্ৰমিকে সদৰী কৰা মতে, দেবেৰাপাৰ চাৰিআলি পাৰ হৈ প্ৰকৃত চালকৰ সলনি অন্য এজনে বাহনখন চলাইছিল। তাৰ পৰা কিছুদূৰ যোৱাৰ পাছতেই এই ঘটনা সংঘটিত হয় । এই ঘটনাৰ পাছতেই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। আজি অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ আটছাৰ মৰিয়নি শাখাই এই দুৰ্ঘটনাৰ সন্দৰ্ভত মৰিয়নি আৰক্ষী থানাত ছয় পৃষ্ঠাত চাওক

## তিনিচুকীয়াৰ বজালতলী চাহ বাগিচাত আঘাতপ্ৰাপ্ত বাঘক লৈ আতংক

**অগ্ৰদূত বাৰ্তা**
**তিনিচুকীয়া, ২০ মে’ ঃ** তিনিচুকীয়াৰ বজালতলী চাহ বাগিচাত এটা আঘাতপ্ৰাপ্ত বাঘক লৈ পুৱাৰে পৰা তীব্ৰ আতংকৰ সৃষ্টি হয়। স্থানীয় লোকৰ তথ্য অনুসৰি যোৱা নিশা বজালতলীৰ চাহ বাগিচাৰ মূল পথত কোনো বাহনৰ স’তে দুৰ্ঘটনা সংঘটিত হোৱাত এটা বাঘ গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। পৰৱৰ্তী সময়ত আঘাতপ্ৰাপ্ত বাঘটো পথৰ কাষৰ বজালতলী চাহ বাগিচাত আশ্ৰয় লয়। উক্ত আঘাতপ্ৰাপ্ত বাঘটো স্থানীয় লোকে প্ৰত্যক্ষ কৰি বন বিভাগক খবৰ দিয়াত বাগিচাখনত বন বিভাগৰ লোকৰ লগতে চিকিৎসকৰ দল উপস্থিত হৈ বাঘটো চিকিৎসাৰ কাৰণে আৰব্ধ কৰি গুইজানস্থিত বন বিভাগৰ কায্যালয়লৈ লৈ যায় আৰু বাঘটো বৰ্তমান চিকিৎসাধীন অৱস্থাত আছে।

**তদন্ত বিচাৰি ছাত্ৰ সন্থাৰ উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান**

## নলবাৰীৰ প্ৰসন্ননাৰায়ণ চৌধুৰী উদ্যানৰ নামত আবন্টিত আঠ লাখ টকাৰ অনিয়ম

**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ২০ মে’ ঃ** নলবাৰী চহৰৰ মাজমজিয়াত থকা প্ৰসন্ননাৰায়ণ চৌধুৰী উদ্যানৰ পুনৰনিৰ্মাণৰ বাবে আবন্টিত ধনৰ ব্যাপক খেলিমেলিৰ তদন্ত বিচাৰি আজি নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাই জিলা উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান কৰে। উল্লেখ্য যে মাধ্যম আন্দোলনৰ কৰ্ণধাৰ, সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক, নলবাৰীৰ সুসন্তান প্ৰয়াত প্ৰসন্ননাৰায়ণ চৌধুৰী উদ্যান নলবাৰী চহৰৰ মাজমজিয়াৰ হাটখোলা পুখুৰীৰ পাৰত অৱস্থিত। ১৯৯২ত স্থাপিত উদ্যানখন নলবাৰী পৌৰসভাৰ তত্ত্বাৱধানত পৰিচালিত হৈ আহিছে। পৰিতাপৰ বিষয় যে উদ্যানখনৰ উন্নয়নৰ নামত সময়ে সময়ে নলবাৰী পৌৰসভাক স্মাৰকপত্ৰ অথবা দাবী পত্ৰ দি থকাৰ উপৰি প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিবলগীয়া হৈছে। লক্ষ্যণীয় কথা যে ধাৰাবাহিকভাৱে কৰি অহা প্ৰতিবাদী কাৰ্যসূচীৰ পাছত নলবাৰী সমষ্টিৰ পূৰ্বৰ ছয় পৃষ্ঠাত চাওক

## শিক্ষাবিদ আলিমুদ্দিন আহমেদৰ দেহাৱসান



**অগ্ৰদূত বাৰ্তা**
**চামতা, ২০ মে’ ঃ** পশ্চিম নলবাৰীৰ বিশিষ্ট শিক্ষাবিদ, সমাজকৰ্মী, সমন্বয়ৰ বাৰ্তাবাহক আলিমুদ্দিন আহমেদৰ আজি পুৱা ১১.৩০ বজাত বাৰ্দ্ধক্যজনিত কাৰণত মৃত্যু হয়। আহমেদৰ মৃত্যুৰ বাতৰি পোৱাৰ লগে লগে চামতা কচুৱাপাৰাৰ নিজা বাসগৃহত গুনমুগ্ধ তথা অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধি উপস্থিত হৈ শ্ৰদ্ধা জ্ঞাপন কৰে। ৮৬ বছৰ বয়সত মৃত্যুক আঁকোৱালী লোৱা আহমেদে বিভিন্ন শিক্ষানুষ্ঠান, সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে হিন্দু-মুছলমান উভয় ধৰ্মৰে ধৰ্মীয় অনুষ্ঠানৰ লগতো জড়িত আছিল। ১৯৩৫ত চামতা কচুৱাপাৰাত জন্ম লাভ কৰা আহমেদৰ পিতৃ আছিল প্ৰয়াত আমীৰ আলী পণ্ডিত। আমীৰ আলী এজন শিক্ষা সংগঠনক হোৱাৰ উপৰি ব্ৰিটিছ জুৰি ব’ৰ্ডৰ সদস্য আছিল। আহমেদে ১৯৫২ ত চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা সুখ্যাতিৰে ছয় পৃষ্ঠাত চাওক

**কলিয়াবৰ উত্তোলিত জলসিঞ্চন আঁচনিৰ দৰেই কলং আঁচনিও ধ্বংসৰ ষড়যন্ত্ৰ**

## বগাহাতীত পৰিণত এছিয়াৰ দ্বিতীয় বৃহত্তম কলিয়াবৰৰ কলং উত্তোলিত জলসিঞ্চন আঁচনি

**অগ্ৰদূত বাৰ্তা**
**কলিয়াবৰ, ২০ মে’ ঃ** বগাহাতীত পৰিণত হ’ল সহস্ৰাধিক কৃষকৰ আশাৰ স্থল কলং উত্তোলন জলসিঞ্চন আঁচনি। এছিয়া মহাদেশৰ ৰাজ্য তথা দেশ নহয়, সমগ্ৰ এছিয়া মহাদেশৰ ভিতৰতে দ্বিতীয় সৰ্ববৃহৎ জলসিঞ্চন আঁচনিৰূপে পৰিচিত এই আঁচনিখন এতিয়া কলিয়াবৰৰ হেজাৰ হেজাৰ কৃষকৰ লগতে বিভাগৰ বাবেও ভালুকৰ সাঙী হৈছে। উল্লেখ্য যে কৃষক ৰাইজৰ সুবিধাৰ্থে নগাঁও চহৰৰ পৰা ৬৩ কিলোমিটাৰ নিলগৰ কলিয়াবৰ মহকুমাৰ অন্তৰ্গত ছয় পৃষ্ঠাত চাওক



## উদ্যোগীকৰণৰ ফোঁপোলা স্বৰূপ উদঙাইছে অবিভক্ত নগাঁৱৰ মৃত উদ্যোগসমূহে

**বহু সম্ভাৱনাপূৰ্ণ সাতটা উদ্যোগৰ অপমৃত্যুৱে সৃষ্টি কৰিলে নিবনুৱাৰ**

**বিশেষ সংবাদদাতা**
**নগাঁও, ২০ মে’ ঃ** ৰাজ্যৰ আৰ্থ-সামাজিক প্ৰগতিৰ লগতে নিবনুৱা সমস্যাৰ সমাধানৰ লক্ষ্যৰে একোটাকৈ উদ্যোগ স্থাপন কৰা সম্ভৱ যদিও অবিভক্ত নগাঁও জিলাত চৰকাৰে উদ্যোগ স্থাপন কৰিবলৈ গৈ হেজাৰ হেজাৰ নিবনুৱাৰহে সৃষ্টি কৰিছে। কেৱল চৰকাৰী খণ্ডৰ উদ্যোগৰে জীৱন-জীৱিকাৰ বাট বুলা বাবেই অবিভক্ত জিলাখনৰ হেজাৰ হেজাৰ লোক নিবনুৱা হৈ হা-হুমুনিয়াহ কাঢ়িবলগীয়া হৈছে । অবিভক্ত নগাঁও জিলাৰ সাতটাকৈ চৰকাৰী খণ্ডৰ উদ্যোগে এই কৰ্মঠ লোকসকলক নিবনুৱাত পৰিণত কৰি তেওঁলোকৰ সপোন, আশা-আকাংক্ষাক ধূলিসাৎ কৰিলে। ফলত এতিয়া অবিভক্ত নগাঁও জিলাত উদ্যোগীকৰণৰ নামত এক বীভৎস ছবিহে প্ৰকট হৈ উঠিছে। উদ্যোগ সংস্থাপনৰ জৰিয়তে অবিভক্ত জিলাখনৰ লগতে ৰাজ্যখনৰ আৰ্থ-সামাজিক প্ৰগতি টনকিয়াল কৰা আৰু নিবনুৱা সমস্যাৰ সমাধান কথাটো দূৰৈৰ কথা আৰ্থ-সামাজিক দিশটোক বিধ্বস্ত কৰি শ শ কোটি টকা ৰাজহুৱা ধনৰ চৰম অপচয় ঘটোৱাৰ লগতে হেজাৰ হেজাৰ কৰ্মঠ লোকক নিবনুৱা কৰাহে পৰিলক্ষিত হৈছে। ফলত অবিভক্ত জিলাখনত চৰকাৰৰ উদ্যোগ নীতি অভিশাপতহে পৰিণত হৈছে। অবিভক্ত নগাঁও জিলাৰ বিভিন্ন অঞ্চলত থকা বহু সম্ভাৱনাপূৰ্ণ সাতটাকৈ চৰকাৰী উদ্যোগৰ অপমৃত্যু ঘটিছে। কেৱল চৰকাৰী অদক্ষতাৰ বাবেই অপমৃত্যু ঘটা অবিভক্ত নগাঁও জিলাৰ চৰকাৰী খণ্ডৰ উদ্যোগ কেইটা হ’ল-কামপুৰ চেনিকল, জাগীৰোডৰ নগাঁও কাগজ কল, ধিং চেক ক্ৰাফট কাগজ প্ৰকল্প, কাটিমাৰী বস্ত্ৰ উদ্যোগ, বিহডুৰি বস্ত্ৰ উদ্যোগ, জাগীৰোড স্পানচিল্ক মিল, জাগীৰোডৰ আসাম পলিটেক্স লিমিটেড। তদুপৰি কে’বা কোটি টকাৰ ধাৰত পোত গৈ মৃত্যু মুখলৈ গতি কৰিছে ছয় পৃষ্ঠাত চাওক

## ককলাবাৰী পৰিষদীয় সমষ্টিত উপ-নিৰ্বাচনত অবড়ো সুৰক্ষা সমিতিৰ প্ৰাৰ্থী ঘোষণা

**অগ্ৰদূত বাৰ্তা**
**জালাহ, ২০ মে’ ঃ** বিটিআৰৰ ২২ নম্বৰ ককলাবাৰী পৰিষদীয় সমষ্টিৰ উপ-নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দল সংগঠনৰ মাজত তৎপৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। একেদৰে যোৱা নিৰ্বাচনত গণ সুৰক্ষা পাৰ্টি অৰ্থাৎ জিএছপিৰ প্ৰাৰ্থী মৃদুল দাসে দ্বিতীয় স্থান লাভ কৰি পৰাজয় বৰণ কৰে। সেয়েহে এইবাৰ অবড়ো সুৰক্ষা সমিতি আৰু জিএছপিৰ ঐক্যতাত প্ৰাৰ্থী প্ৰদান কৰি ককলাবাৰী পৰিষদীয় সমষ্টিত অবড়ো সুৰক্ষা সমিতিয়ে জয়ী হৈ আহিব বুলি অবড়ো সুৰক্ষা সমিতিৰ উপদেষ্টা সৰ্বেশ্বৰ ডেকাই সাংবাদিকৰ আগত এইদৰে কয়। আজি সৰ্বেশ্বৰ ডেকা , বিহাৰী প্ৰসাদ দাস, সোণাৰাম দাস, খনীন্দ্ৰ দাস আৰু মুনীন দাসক লৈ গঠিত পাঁচজনীয়া প্ৰাৰ্থী বাছনি সমিতিখনে অবড়ো সুৰক্ষা সমিতিৰ জালাহ আঞ্চলিক কাৰ্যালয়ত কেন্দ্ৰীয় মুখপাত্ৰ সোনাৰাম ছয় পৃষ্ঠাত চাওক

## বৰগুৰিত মটক ৰজাৰ সৰ্বানন্দ সিংহ দিৱস-মটক জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ

**অগ্ৰদূত বাৰ্তা**
**তিনিচুকীয়া, ২০ মে’ঃ** অহা ২৪, ২৫ আৰু ২৬ মে’ত তিনিচুকীয়াৰ বৰগুৰি হাইস্কুল খেলপথাৰত অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত, তিনিচুকীয়া জিলা প্ৰশাসন আৰু সদৌ অসম মটক সন্মিলনৰ সহযোগত ২২০ সংখ্যক স্বৰ্গদেউ সৰ্বানন্দ সিংহ দিৱস আৰু মটক জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ আয়োজন কৰিছে। ২২০ সংখ্যক স্বৰ্গদেউ সৰ্বানন্দ সিংহ দিৱস আৰু মটক জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহৰ উদ্‌যাপনৰ প্ৰস্তুতি উপলক্ষে আজি উদ্‌যাপন সমিতিৰ অস্থায়ী কায্যালয়ত উদ্‌যাপন সমিতিয়ে এখন সংবাদমেল সম্বোধন কৰে। উদ্‌যাপন সমিতিৰ সভাপতি সৰোজ গোহাঁয়ে সংবাদমেলখন সম্বোধন কৰি জনায় যে ২৫ মে’ত চৰকাৰৰ তৰফৰ পৰা মটক ৰজা স্বৰ্গদেউ সৰ্বানন্দ সিংহ বঁটা ঘোষণা কৰিব আৰু ছয় পৃষ্ঠাত চাওক

## প্ৰচণ্ড ধুমুহা-কৃত্ৰিম বানত গোৱালপাৰাত বিস্তৰ ক্ষতিসাধন

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২০ মে’ ঃ** বিগত কে’বাদিন ধৰি হৈ থকা প্ৰচণ্ড ধুমুহাৰ লগতে নেৰানেপেৰা বৰষুণৰ ফলত সৃষ্টি হোৱা কৃত্ৰিম বানত গোৱালপাৰা জিলাত বিস্তৰ ক্ষতি হৈছে। বিশেষকৈ প্ৰচণ্ড ধুমুহাৰ ফলত গোৱালপাৰা চহৰৰ লগতে ইয়াৰ উপকণ্ঠ অঞ্চলসমূহত বহু লোকৰ ঘৰ-বাৰী উৰুৱাই লৈ যোৱাৰ লগতে ভালুকডুবিকে ধৰি বিভিন্ন ঠাইত গছ-গছনি ছয় পৃষ্ঠাত চাওক



**তামোলবাৰী, কলৰ বাগান, পাচলি খেতি খাই তহিলং**

## ভাৰত-ভূটান সীমান্তৰ আঙাৰকাটাত বনৰীয়া হাতীৰ উপদ্ৰৱ ঃ বাসগৃহ লণ্ডভণ্ড



**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ২০ মে’ ঃ** প্ৰতিকূল বতৰৰ মাজতে তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ আঙৰকাটা নতুন বস্তিত নিশা বনৰীয়া হাতীয়ে উপদ্ৰৱ চলায়। খাদ্যৰ সন্ধানত ভূটান পাহাৰৰ পৰা নামি অহা বনৰীয়া হাতীৰ বৃহৎ জাক এটাই আঙাৰকাটা অঞ্চলত উপদ্ৰৱ চলাই পাঁচটাকৈ পৰিয়ালৰ বাসগৃহ, ঘৰৰ বিচনা পত্ৰ, আচ্‌বাব ভাঙি লণ্ড-ভণ্ড কৰাৰ লগতে ভঁৰালৰ ধান, চাউল, তামোলবাৰী, কলৰ বাগান, পাচলিৰ খেতি খায়, গছকি তহিলং কৰে। নিশা হাতীৰ আক্ৰমণৰ পৰা কথমপি প্ৰাণৰক্ষা পৰে শিশু-মহিলাসহ কে’বাজনো লোকৰ। স্থানীয় লোকে সদৰী কৰা মতে, নিশা অঞ্চলটোত বনৰীয়া হাতীৰ বৃহৎ জাকটোৱে প্ৰৱেশ কৰাত অঞ্চলটোৰ ৰাইজৰ মাজত আতংকৰ সৃষ্টি হয়। হাতীৰ জাকটো খেদিবলৈ স্থানীয় ৰাইজে বন বিভাগৰ লোকক খবৰ দিয়ে। অঞ্চলটোত বনৰীয়া হাতী প্ৰৱেশ কৰাৰ খবৰ লাভ কৰাৰ লগে লগে বন বিভাগৰ লোক আহি হাতীৰ জাকটোক খেদি পঠিয়াই যদিও নিশা ১২ মান বজাত পুনৰ হাতীৰ জাকটো ঘূৰি আহি গাঁওখনত প্ৰৱেশ কৰি উপদ্ৰৱ চলাই শংকৰ বিশ্বাস, ভজন আৰ্য, মংগল বিশ্বাস, নিখিল বিশ্বাস আৰু মানিক বিশ্বাস নামৰ লোক কেইজনৰ ঘৰ-দুৱাৰ ভাঙি বিস্তৰ ক্ষতিসাধন কৰে।

**বিস্তীৰ্ণ কৃষিভূমি পানীৰ তলত ঃ চিন্তিত কৃষক ৰাইজ**

## বৰছলাত বানে বিপৰ্যয় কঢ়িয়াইছে কৃষকলৈ

**ষ্টাফ ৰিপ’ৰ্টাৰ**
**তেজপুৰ, ২০ মে’ ঃ** আগতীয়া বানে ৰাজ্যজুৰি ব্যাপক প্ৰভাৱ পেলোৱাৰ সময়তে শোণিতপুৰৰ বৰছলা সমষ্টিত ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীয়ে কৃষক ৰাইজৰ বিস্তৰ ক্ষতিসাধন কৰে। বৃহৎ পৰিমাণৰ কৃষিভূমি চপৰা চপৰে ব্ৰহ্মপুত্ৰত জাহ যোৱা সমষ্টিটোৰ বছা শিমলু অঞ্চলত বহু পৰিমাণৰ গোমধানৰ খেতিৰ উপৰি, মৰাপাট আৰু বড়ো ধানৰ খেতি বৰ্তমান পানীৰ তলত নষ্ট হৈছে। শোণিতপুৰৰ ভিতৰতে ব্যাপক পৰিমাণৰ মাকৈ খেতি হোৱা এই অঞ্চলৰ পৰা বছৰি হেজাৰ হেজাৰ কুইন্টল পৰিমাণৰ মাকৈ ৰাজ্যৰ তিনিচুকীয়াকে ধৰি ছয় পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত

গুৱাহাটী শনিবাৰ ৬ জেঠ ১৪২৯ ভাস্কৰাব্দ ২১ মে' ২০২২

# মেদবহুতাৰ প্ৰত্যাহ্বান


বিশ্ব স্বাস্থ্য সংস্থা (হু)ৰ শেহতীয়া এক প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি সাম্প্ৰতিক বিশ্বত মেদবহুলতা অৰ্থাৎ শৰীৰৰ অতিৰিক্ত ওজন তথা চৰ্বি বৃদ্ধিৰ সমস্যা এক মহামাৰীত পৰিণত হৈছে। 'হু'ৰ এই প্ৰতিবেদনত প্ৰকাশিত তথ্য মতে সমগ্ৰ বিশ্বত প্ৰতি বছৰে মেদবহুলতাৰ ফলত কমেও ১০ লাখ লোকৰ মৃত্যু হৈ আহিছে। সম্প্ৰতি ইউৰোপৰ ৬০ শতাংশ বাসিন্দা শৰীৰৰ অত্যধিক ওজন বৃদ্ধিৰ সমস্যাত আক্ৰান্ত হৈছে। একেদৰে আমেৰিকাৰ ২০ বছৰ বয়সৰ উৰ্ধ্বৰ ৭৪ শতাংশ নাগৰিক মেদবহুল চেহেৰাৰ অধিকাৰী। বিশ্ব স্বাস্থ্য সংস্থাৰ তথ্য অনুসৰি, সমগ্ৰ বিশ্বত এক-তৃতীয়াংশ শিশু মেদবহুলতাত আক্ৰান্ত। বিশ্বৰ ভিতৰতে তুৰস্ক, ইজৰাইল আৰু ব্ৰিটেইনত মেদবহুলতাত আক্ৰান্ত লোকৰ সংখ্যা সৰ্বাধিক। বিশ্ব স্বাস্থ্য সংস্থাৰ ইউৰোপৰ মুৰব্বী ডাঃ হেন্স ক্লুজে প্ৰকাশ কৰা মতে, ক'ভিড অতিমাৰীৰ আগমনৰ পাছৰে পৰা বিশ্বত জনস্বাস্থ্যৰ ক্ষেত্ৰত মেদবহুলতাই বিশেষ প্ৰভাৱ পেলাই আহিছে। ক'ভিড কালত বিশ্বৰ প্ৰায়বোৰ দেশতে ঘৰতে থাকি কৰ্মক্ষেত্ৰৰ কাম তথা অধ্যয়ন কৰাৰ প্ৰৱণতা মানুহৰ মাজত বৃদ্ধি পাইছিল আৰু এই অভ্যাসে শৰীৰৰ মেদ বৃদ্ধিত সহায় কৰা বুলি ডাঃ ক্লুজে জানিবলৈ দিয়ে। 'হু'ৰ বিশেষজ্ঞই লগতে প্ৰকাশ কৰা মতে, শৰীৰৰ চৰ্বি অত্যধিক বৃদ্ধিৰ পৰিণতিত এজন ব্যক্তি একাধিক ৰোগত আক্ৰান্ত হোৱাৰ শংকা বৃদ্ধি পায়। সাধাৰণতে মেদবহুলতাৰ ফলত হৃদৰোগ, মধুমেহ, কৰ্কট, উচ্চ ৰক্তচাপৰ দৰে ৰোগ-ব্যাধিৰ সম্ভাৱনা বৃদ্ধি পায়।

ভাৰততো মেদবহুলতাই জনস্বাস্থ্যক বিশেষভাৱে প্ৰভাৱিত কৰি আহিছে। মূলতঃ অসুস্থ জীৱনশৈলীক আঁকোৱালি লোৱাৰ ফলতে ভাৰতীয়ৰ মাজত শৰীৰৰ ওজন অত্যধিক বৃদ্ধিৰ সমস্যাই গা কৰি উঠিছে। বৰ্তমানৰ সময়ত বহু লোকেই খাদ্য গ্ৰহণৰ ক্ষেত্ৰত প্ৰয়োজনীয় সতৰ্কতা অৱলম্বন নকৰে। অত্যধিক চৰ্বি থকা খাদ্য গ্ৰহণৰ লগতে ফাষ্ট ফুড, জাংক ফুডৰ বহুল প্ৰচলনৰ ফলত শৰীৰ মেদবহুল হ'বলৈ ধৰিছে। খাদ্য গ্ৰহণৰ এনে অসুস্থ প্ৰৱণতাই মানৱ স্বাস্থ্যলৈ অজানিতে বিপদ মাতি আনিছে। আজিৰ বিশ্ববাসী যিদৰে খাদ্য গ্ৰহণত অসতৰ্ক হৈছে, একে সময়তে স্বাস্থ্য চৰ্চাতো হেমাহি কৰিবলৈ ধৰিছে। নিয়মীয়াকৈ শৰীৰ চৰ্চা অৰ্থাৎ ব্যায়াম আদিৰ অনুশীলন নকৰাৰ ফলতো ব্যক্তি একোজন মেদবহুল চেহেৰাৰ অধিকাৰী হৈছে। আজি-কালি যান-বাহনৰ অত্যধিক ব্যৱহাৰৰ ফলতো বহুতেই দৈনন্দিন জীৱনত খোজ কাঢ়িবলৈ এৰিছে। এনে জীৱনশৈলীৰ পৰিণতিত শৰীৰ সহজে মেদবহুল হোৱাটোৱে স্বাভাৱিক। ভুল খাদ্যাভ্যাস আৰু অসুস্থ জীৱন-যাপনৰ অভ্যাসৰ ফলত মানুহৰ মাজত মেদবহুলতাই এতিয়া অকাল মৃত্যুৰ অন্যতম এক কাৰকত পৰিণত হৈছে। সুস্থ জীৱনশৈলীৰ অভাৱত বিশ্বত বছৰি ১০ লাখ লোকে প্ৰাণ হেৰুৱাব লগা হোৱাটো সাধাৰণ কথা নহয়। নিজৰ স্বাস্থ্য আৰু জীৱনশৈলীৰ প্ৰতি সজাগ-সচেতন হোৱা হ'লে ইমান বৃহৎ সংখ্যক লোকে অকালতে জীৱন হেৰুৱাব লগা নহ'লহেঁতেন। ভাৰতৰ দৰে বিশ্বৰ দ্বিতীয় সৰ্বাধিক জনবহুল দেশত মেদবহুল লোকৰ সংখ্যা বৃদ্ধি পোৱাটো জনস্বাস্থ্যৰ বাবে এক ভয়াৱহ বাৰ্তা।

দৰাচলতে মেদবহুলতা হৈছে ব্যক্তিয়ে নিজে সৃষ্টি কৰা এক স্বাস্থ্যজনিত সমস্যা। নিজৰ শৰীৰ তথা স্বাস্থ্যৰ প্ৰতি এজন ব্যক্তি সতৰ্ক-সক্ৰিয় নহ'লে সেই ব্যক্তিৰ স্বাস্থ্য ভগ্ন বা মেদবহুল হোৱাটোৱে স্বাভাৱিক। সঠিকভাৱে খাদ্য গ্ৰহণ নকৰিলে এজন ব্যক্তি যিদৰে ভগ্ন স্বাস্থ্যৰ অধিকাৰী হ'ব, একেদৰে জধে-মধে খাদ্য গ্ৰহণ কৰি এলেহুৱা জীৱন-যাপন কৰিলে সেই ব্যক্তি মেদবহুল চেহেৰাৰ হ'ব। অৰ্থাৎ মেদবহুলতাৰ পৰা মুক্ত হোৱাৰ উপায় মানুহৰ হাততে আছে। বিশ্ব স্বাস্থ্য সংস্থাৰ বিশেষজ্ঞই কৈছে যে খাদ্যাভ্যাসৰ পৰিৱৰ্তন আৰু নিয়মিত শৰীৰ চৰ্চাৰ জৰিয়তে শৰীৰক মেদমুক্ত কৰি ৰখা সম্ভৱ। অৰ্থাৎ মেদবহুলতাৰ পৰা নিজক মুক্ত ৰাখিবলৈ হ'লে এজন ব্যক্তিয়ে পুষ্টিকৰ আহাৰ গ্ৰহণ কৰাৰ লগতে একে সময়তে চৰ্বিযুক্ত খাদ্য, ফাষ্ট ফুড, জাংক ফুড, পেকেট-বটলৰ পানীয় ইত্যাদি মুখৰোচক খাদ্যৰ পৰা আঁতৰি থাকিব লাগিব। তদুপৰি পৰ্যাপ্ত ব্যায়াম, খোজ কঢ়াৰ অভ্যাসো গঢ়ি তুলিব লাগিব। বিশ্ব স্বাস্থ্য সংস্থাৰ সদস্য দেশে ২০২৫ বৰ্ষৰ ভিতৰত মেদবহুলতা বৃদ্ধি প্ৰতিৰোধৰ এক লক্ষ্য নিৰ্ধাৰণ কৰিছে যদিও আন্তৰ্জাতিক স্বাস্থ্য সংস্থাটোৰ তথ্য মতে কোনো এখন দেশেই এতিয়ালৈকে এই দিশত আশাপ্ৰদভাৱে অগ্ৰসৰ হ'ব পৰা নাই। দৰাচলতে প্ৰতিজন নাগৰিকে নিজক মেদবহুলতাৰ পৰা আঁতৰাই ৰাখিবলৈ তৎপৰ হ'লেহে জনস্বাস্থ্যক প্ৰত্যাহ্বান জনোৱা এই সমস্যাৰ সমাধান সম্ভৱ হ'ব।

## খোলা মঞ্চ

# এইবেলি বিহু মঞ্চৰ ঐতিহ্য ৰক্ষা কৰা হৈছেনে?



**প্ৰত্যেকটো** জাতিৰ নিজস্ব জাতীয় উৎসৱ, পোছাক-পৰিচ্ছদ আছে আৰু সেই নিজস্বতাই সেইটো জাতিৰ পৰিচয়। নিজৰ জাতীয়তাবাদ যদি নাথাকে, তেন্তে সেই জাতিটোক ঘূণে ধৰে। অসমৰ জাতীয় উৎসৱ বিহু। বিহু অকল জাতীয় উৎসৱেই নহয় ই অসম আৰু অসমীয়াৰ আয়ুস ৰেখা। বিহু অবিহনে অসমীয়া পৰিচয় নহয়; কিন্তু সেই বিহু এতিয়া নানা ৰং-ৰহইছেৰে ভৰপুৰ। আগৰ দিনত মানুহে খেতি পথাৰত বিহু পাতিছিল আৰু বিহুৰ যিটো মৰ্যাদা সেইটো বজাই ৰাখিছিল। লাহে লাহে বিহু পথাৰৰ পৰা নগৰ-চহৰলৈ আহিল আৰু বিহুৱে নতুনত্ব পালে। যি নতুনত্বই বিহু অনুষ্ঠানৰ নামত আচল ৰূপ নাইকিয়া হ'বলৈ ধৰিছে। এইবাৰতো একেবাৰে বিহু অনুষ্ঠানৰ নামত এচামে ৰাইজক আচল বিহুৱেই দেখাই দিলে। আগতে এই ধৰণৰ বিহু সংস্কৃতি দেখা নাছিলো। সৰুৱে পৰাই বিহু অনুষ্ঠানটিৰ প্ৰতি এটা দুৰ্বলতা আছিল। ঘৰৰ পৰা দহ কিঃমিঃ বাট খোজ-কাঢ়ি বা চাইকেল চলাই বৰপেটা ৰোডত বিহু সাংস্কৃতিক অনুষ্ঠান উপভোগ কৰিছিলো। ক'তো বিশৃংখল বিহু উপভোগ কৰা দেখা নাছিলো। বৰ্তমান হোজাই জিলাৰ বিভিন্ন ঠাইত বিহু সাংস্কৃতিক অনুষ্ঠান প্ৰত্যেক বছৰে উপভোগ কৰো। ক'তো বিশৃংখল দেখা নাই। এইবাৰ টিভিৰ পৰ্দাত কিছুমান কাণ্ড দেখি বিহুৰ ঐতিহ্যৰ বিষয়ে প্ৰশ্নবোধক চিন আহিছে। সঁচাকৈ বিহুৰ ঐতিহ্য ধৰি ৰাখিব পাৰিছেনে? এইবাৰ বিহু অনুষ্ঠানৰ কিছুমানত দেখিলো মঞ্চত গায়কে গীত পৰিৱেশন কৰি আছে আৰু এচামে চাঙৰ ওপৰত উঠি নাচি আছে। আন এচামে বোকাৰে লুতুৰি-পুতুৰি হৈ নাচি আছে আৰু আন এচামে জুইৰ মাজত নাচি আছে। ক'ৰবাত দেখিলো উচ্ছৃংখল যুৱকে বেৰ ভাঙি ভিতৰত সোমাই গৈ অনুষ্ঠানটিৰ সৌন্দৰ্য বৰবাদ কৰি দিছে। কি আচৰিত। কমিটীৰ মানুহে বাধ্য হৈ উচ্ছৃংখল যুৱকসকলক লাঠিৰে কোবাই আছে। আন এখন মঞ্চত দেখিলো এজন যুৱকে ডিস্কো ডেন্স মাৰিছে। তোমালোকৰ সমাজত বা ঘৰত এই ধৰণৰ বিহু শিকাইছে নেকি? তোমালোকে নাজানা নেকি বিহু অসমীয়া জাতিৰ বাবে জাতীয় উৎসৱেই নহয় ই অসমীয়া জাতিৰ ৰাজহাঁড়। এই ৰাজহাঁড়ডাল পোনাই ৰাখিবলৈ নৱপ্ৰজন্মৰ হিচাপ ঠিক ৰাখিব লাগিব। ক'ত দেখিলো যে বিহু সাংস্কৃতিক অনুষ্ঠানত জুইৰ লগত নাচিব লাগে। নে তোমালোকে অতি আদৰৰ বিহুটিক ল'ৰাধেমালিত পৰিণত কৰিব বিচাৰিছা। মনত ৰাখিবা সময়ে কিন্তু তোমালোকক ক্ষমা নকৰে। তোমালোকে এই মৰমৰ বিহুটিক যেনেকৈ লৈ যাবা তেনেকৈ ভৱিষ্যত প্ৰজন্মই পালন কৰিব; কিন্তু মনত ৰাখিবা আচল বিহুৰ ঐতিহ্য নাথাকিব। এইখন পশ্চিমীয়া দেশ নহয় যে যিয়ে যি পাৰে নাচিব-গাব। আচলতে এইবিলাক কৰিছে ফটিকাই। এচামে বিহু অনুষ্ঠানটি চোৱাৰ ছলেৰে ফটিকা গলধকৰণ কৰি গৈছে। সুস্থ বিবেকৱান মানুহে কেতিয়াও এই ধৰণৰ নাচ নাচিব নোৱাৰে। আমি যদি সময়মতে এই ধৰণৰ অপসংস্কৃতি বন্ধ কৰিব নোৱাৰো তেন্তে অদূৰ ভৱিষ্যতে বিহু গৈ ক'ত পায় ঠিক নাই। গতিকে বিহু অনুষ্ঠানটিত যাতে কোনেও মদ খাই আহি অঘাইতং হিচাপে নাচিব নোৱাৰে তাৰবাবে বিহু কমিটীয়ে প্ৰশাসনৰ লগত লগ হৈ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। নহ'লে আমাৰ অতি আদৰৰ বিহুটিৰ ঐতিহ্য ধ্বংস হ'ব আৰু বিহু সংস্কৃতিৰ নামত চয়তানে বাহ ল'ব। লগতে মঞ্চত গীত গোৱাজনেও গীত পৰিৱেশন কৰোতে নিজৰ শালীনতাবোধ বজাই ৰাখিব লাগে। গীত পৰিৱেশন কৰোতাজনে যদি ওভতগোৰে নাচে তেন্তে উদণ্ড দৰ্শকসকল আৰু উদণ্ড হয়। গতিকে সকলো বস্তু এটা সীমাৰ ভিতৰত থাকি কৰিলে ভাল হয় আৰু অনুষ্ঠানটিৰ মৰ্যাদা ৰক্ষা পৰে। এই বিষয়ে অসমৰ ৰাইজে চকু দিয়া ভাল। লাগিলে তেওঁ যিমানেই ভাল গায়ক নহওক কিয়। অদূৰ ভৱিষ্যতে বিহুৰ নামত যাতে অপসংস্কৃতিয়ে বাহ ল'ব নোৱাৰে আৰু আমাৰ জাতীয় উৎসৱটোৰ কোনো ক্ষতি নহয় তাৰেই কামনা কৰিলো।

**আব্দুল হালিম আহমেদ**, লেখক

ফোন ঃ ৮৬৩৮৯৪৬৬৪৮



অলপতে কোলহাপুৰৰ গাঁও পঞ্চায়তে (মহাৰাষ্ট্ৰ) নিৰ্দেশ জাৰি কৰিছে, কোনো বিধৱা মহিলাই পৰম্পৰাগত বিধি-বিধান পালন কৰাৰ প্ৰয়োজন নাই। তেওঁলোকে মুক্ত মনেৰে ৰঙীন পোছাক, গহনা আৰু প্ৰসাধনৰ সামগ্ৰী ব্যৱহাৰ কৰিব পাৰিব; বৈধব্যক অশুভ শক্তি বুলি গণ্য কৰাটো নচলিব; যিকোনো সামাজিক অনুষ্ঠানত বিধৱাই ভাগ লোৱাৰ অধিকাৰ আছে, ইত্যাদি নিৰ্দেশনা যথাৰ্থতে উৎসাহজনক

# স্পন্দনশীল গণতন্ত্ৰৰ চমৎকাৰ

## ভাৰতীয় মতদাতাই গণতন্ত্ৰৰ নামত পৰিয়ালতন্ত্ৰ নিবিচাৰে

**এক**

ইংৰাজ বিষয়া হিউম চাহাবে ১৮৮৫ তে প্ৰতিষ্ঠা কৰি থৈ যোৱা ভাৰতীয় জাতীয় কংগ্ৰেছ আজি অস্তিত্বৰ সংকটত। দুটা দশকতকৈও অধিক কাল ধৰি ছোনিয়া গান্ধীৰ নেতৃত্বত চলা ঐতিহাসিক দলটোৱে অলপতে ৰাজস্থানৰ উদয়পুৰত তাকে লৈ 'চিন্তন শিৱিৰ' অনুষ্ঠিত কৰিলে; পিছে চিন্তন-মন্থনতনো কি ওলাল? মোদী চৰকাৰৰ বিৰুদ্ধে কেইটামান প্ৰস্তাৱ লোৱাৰ উপৰি কংগ্ৰেছীসকলক পূৰ্বৰ ঋণ পৰিশোধ কৰি দলক শক্তিশালী ৰূপত গঢ়ি তুলিবলৈ আহ্বান জনোৱা হ'ল। হয়তো ছোনিয়া-ৰাহুল-প্ৰিয়ংকাই এতিয়াও উপলব্ধি কৰিব পৰা নাই যে দলটোৰ পতনৰ মূলতে বংশবাদ। প্ৰায়বোৰ ভাজপা-বিৰোধী আঞ্চলিক দলৰো একেই দুৰ্বলতা। পিছে একবিংশ শতিকাৰ ভাৰতীয় মতদাতাই গণতন্ত্ৰৰ নামত পৰিয়ালতন্ত্ৰ নিবিচাৰে, সেইটো ইতিমধ্যে স্পষ্ট হৈ পৰিছে।

উদয়পুৰ চিন্তন শিৱিৰ চলি থাকোতেই পঞ্জাৱৰ ভূতপূৰ্ব কংগ্ৰেছ সভাপতি তথা বৰ্ষীয়ান নেতা সুনীল জাখৰে দলক বিদায় সম্ভাষণ জনালে, 'Good Luck and Goodbye Congress'। তেওঁ কৈছে— কংগ্ৰেছৰ বাবে 'চিন্তন শিৱিৰ' নহয়, 'চিন্তা-শিৱিৰ'হে প্ৰয়োজন। তথাকথিত নিৰ্বাচনী কৌশলৰ বিশেষজ্ঞ প্ৰশান্ত কিশোৰে পূৰ্বতে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি শোচনীয় পৰাজয়ৰ সন্মুখীন হৈছিল আৰু উপলব্ধি কৰিছিল যে নিৰ্বাচনত সাফল্য লাভ কৰাটো সহজসাধ্য নহয়। গতিকে তেওঁ বিভিন্ন দলৰ হৈ ধনৰ বিনিময়ত নিৰ্বাচনৰ ৰণকৌশল স্থিৰ কৰিবলৈ লৈছিল। সেইটোও এটা ভাল ব্যৱসায়। শেহতীয়াভাৱে কংগ্ৰেছ দলকো তেওঁ পুনৰ উজ্জীৱিত কৰাৰ ব্যৱস্থা-পত্ৰ এখন দিছিল; পাছে হাইকমাণ্ডৰ শীৰ্ষস্থানত ছোনিয়া-ৰাহুল-প্ৰিয়ংকাৰ নাম নৰখা হেতুকে ব্যৱস্থা-পত্ৰখন গৃহীত নহ'ল। কংগ্ৰেছত যোগ দি আকৌ এবাৰ নিৰ্বাচনত জঁপিয়াই পৰিবলৈ আশা পালি থকা প্ৰশান্ত কিশোৰে হেনো এতিয়া নতুন দল খুলি বিহাৰৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব। বেচেৰাক নিৰ্বাচনী ৰণকৌশলৰ বেপাৰে আমুৱালে।

**দুই**

সিদিনা এগৰাকী বাওঁপন্থী বুদ্ধিজীৱীয়ে কংগ্ৰেছৰ পতনত বৰকৈ কন্দা-কটা কৰি লিখিলে— 'কংগ্ৰেছৰ আটাইতকৈ মূল্যৱান কথাটো হ'ল, তেওঁলোকৰ মাজত ধৰ্মভিত্তিক ৰাজনীতিৰ ব্যৱস্থা নাই।' ছেঃ, কেনে ফুচুৰি কথা! মুছলমান তোষণ আৰু মতদাতাক জাতি-জনজাতি-গোষ্ঠী-সম্প্ৰদায়ত বিভাজিত কৰি নিৰ্বাচনী লাভ আদায় কৰাটো তাহানিৰে পৰা কংগ্ৰেছৰ পৰম্পৰা; তাকে লৈ তেওঁলোকৰ শাসনকালত কত যে সংঘৰ্ষ, কত যে সা-সম্পত্তিৰ হানি আৰু নিৰীহ লোকৰ মৃত্যু! তাৰ সীমা সংখ্যা নাই। হওঁতে অতি কৌশলেৰে ইতিহাসৰ বিকৃতকৰণ আৰু হিন্দু-বিৰোধী মতবাদ প্ৰচাৰ কৰাত বাওঁপন্থীসকলৰ দক্ষতা অতুলনীয়। সেয়েহে কংগ্ৰেছৰ কোলাত লালিত-পালিত বুদ্ধিজীৱীসকলে এতিয়া অসহায় বোধ কৰিছে।


পিছে ইতিমধ্যে বৈদ্যুতিন মাধ্যমৰ সৌজন্যত ৰাজনৈতিকভাৱে জনগণ শিক্ষিত হ'ল। সৌ সিদিনা হায়দৰাবাদৰ ৰাজপথত এগৰাকী দলিত যুৱকক মুছলমান প্ৰেমিকাৰ স'তে বিবাহ পাশত অৱদ্ধ হোৱা বাবে দিন দুপৰতে সকলোৰে সমুখত ৰাজপথত মৰিয়াই মৰিয়াই হত্যা কৰা হ'ল। আঁঠু কাঢ়ি সেৱা কৰি স্বামীক ৰেহাই দিবলৈ যুৱতীগৰাকীয়ে কাতৰ অনুৰোধ জনোৱা সত্ত্বেও কোনোৱেই আগবাঢ়ি নগ'ল সহায় কৰিবলৈ। কোনোবা বুদ্ধিজীৱীয়ে মাত মাতিছেনে?

হিন্দু ভোট কংগ্ৰেছকো লাগে। সেয়েহে ৰাজীৱ গান্ধীয়ে ১৯৮৫ত ৰামমন্দিৰৰ তলা খুলি দি তাৰে পৰা নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰিছিল আৰু তেওঁৰ পুত্ৰ তথা ফিৰোজ খান (গান্ধী)ৰ নাতি ৰাহুল বাবাই এতিয়া কেমেৰাৰ সমুখত লগুণ দেখুৱাই দাবী কৰে, তেওঁ হেনো কাশ্মীৰী ব্ৰাহ্মণ।

**তিনি**

অলপতে সৰ্বোচ্চ ন্যায়ালয়ে এটা আদেশযোগে দেশদ্ৰোহিতাৰ অপৰাধত বিনা বিচাৰে আটক কৰিব পৰা আইনখনৰ কাৰ্যকৰীকৰণ স্থগিত ৰাখিলে। ভাৰতীয় দণ্ডবিধিৰ ১২৪ (ক) ধাৰাত সন্নিবিষ্ট আইনখন ব্ৰিটিছে প্ৰণয়ন কৰিছিল ভাৰতীয়ৰ স্বাধীনতাৰ ভাবনাক দমন কৰিবলৈ; কিন্তু স্বাধীন ভাৰতত আইনখন বাহাল ৰাখিবলৈ নেহৰু চৰকাৰে সিদ্ধান্ত লৈছিল; আনকি সংবিধানৰ প্ৰথম সংশোধনীযোগে সংবাদপত্ৰৰ স্বাধীনতাও হৰণ কৰিছিল। তেতিয়াৰে পৰা বিভিন্ন চৰকাৰৰ আমোলত আইনখনৰ অপপ্ৰয়োগ চলি আহিছিল। শেহতীয়াভাৱে মোদী চৰকাৰে আইনখনৰ পুনৰ্বিচাৰ কৰা হ'ব বুলি ন্যায়পালিকাক প্ৰতিশ্ৰুতি দিছিল।

দেশদ্ৰোহিতা কি, সেইটো ব্যক্তি বা সংগঠনৰ গতিবিধিৰ মাজেৰে জনগণে নিজেই অনুভৱ কৰিব পাৰে। তদুপৰি প্ৰচলিত আইনৰ আধাৰত দেশদ্ৰোহীৰ বিৰুদ্ধে গোচৰ তৰিব পৰা যায়। অৰবিন্দ কেজৰিৱালৰ খালিস্তানী নেতাৰ স'তে বুজাবুজি আছে বুলি অভিযোগ কৰা বাবেই পঞ্জাৱ আৰক্ষীৰ হতুৱাই কেজৰিৱালে অলকা লাম্বা, ড° কুমাৰ বিশ্বাস আদি তেওঁৰ একালৰ সতীৰ্থসকলক গ্ৰেপ্তাৰ কৰিবলৈ আদেশ দিছে। পিছে সৌ সিদিনা এখন জনসভাত আম আদমী পাৰ্টিৰ শীৰ্ষ নেতাগৰাকীয়ে চিঞৰি চিঞৰি কৈছে— 'নৰেন্দ্ৰ মোদীয়েই হ'ল আটাইতকৈ ডাঙৰ সন্ত্ৰাসবাদী; তেওঁ পাকিস্তানী সন্ত্ৰাসবাদীহঁতৰ স'তে বুজাবুজি কৰি চলিছে।' ভাৰতৰ



**বিক্ষিপ্ত চিন্তা**

**ড° জয়কান্ত শৰ্মা**

প্ৰধানমন্ত্ৰীগৰাকীৰ বিৰুদ্ধে এনে মন্তব্য দিয়া বাবে কেজৰিৱালক দেশদ্ৰোহী বুলি চিহ্নিত কৰিব পৰা নাযায় নে?

**চাৰি**

টুৰ্কমেনিস্তান নামৰ দেশখনৰ নব্বৈ শতাংশ লোক ইছলাম ধৰ্মাৱলম্বী; তাত চৰকাৰে মহিলাৰ সৌন্দৰ্য চৰ্চা নিষিদ্ধ কৰিছে। একেদৰে তালিবান চৰকাৰে আফগান মহিলাসকলক সম্পূৰ্ণ শৰীৰ ঢাকি নোলালে কঠোৰ শক্তি বিহা হ'ব বুলি সকীয়নি দিছে। পিছে ভাৰতত এচাম শিক্ষিত লোকেও দাবী জনাইছে, মুছলমান ছাত্ৰীক হিজাব পিন্ধি বিদ্যালয়লৈ যাবলৈ অনুমতি দিয়া উচিত, মুছলমানৰ বাবে হেনো ইউনিফৰ্মৰ প্ৰাসংগিকতা নাই। অথচ টুৰ্কমেনিস্তান আৰু আফগানিস্তানৰ মহিলাসকলে চৰকাৰৰ নাৰী-বিদ্বেষী নীতিৰ মুকলিকৈ প্ৰতিবাদ জনাইছে। গণতান্ত্ৰিক ভাৰততহে তাৰ বিপৰীত স্থিতিলৈ সমৰ্থন দিছে একাংশ মৌলবাদী নেতাই।



অলপতে কোলহাপুৰৰ গাঁও পঞ্চায়তে (মহাৰাষ্ট্ৰ) নিৰ্দেশ জাৰি কৰিছে, কোনো বিধৱা মহিলাই পৰম্পৰাগত বিধি-বিধান পালন কৰাৰ প্ৰয়োজন নাই। তেওঁলোকে মুক্ত মনেৰে ৰঙীন পোছাক, গহনা আৰু প্ৰসাধনৰ সামগ্ৰী ব্যৱহাৰ কৰিব পাৰিব; বৈধব্যক অশুভ শক্তি বুলি গণ্য কৰাটো নচলিব; যিকোনো সামাজিক অনুষ্ঠানত বিধৱাই ভাগ লোৱাৰ অধিকাৰ আছে, ইত্যাদি নিৰ্দেশনা যথাৰ্থতে উৎসাহজনক।

উৎসাহজনক আন এটা বতৰা হ'ল, কৰ্ণাটকৰ শিৱমোগ্গা জিলাৰ আনন্দপুৰ জামিয়া মছজিদৰ ইমাম মৌলানা মুফটি চফীৰুদ্দিনে এটা নতুন পৰম্পৰাৰ সৃষ্টি কৰিছে। শুকুৰবাৰৰ নামাজৰ পাছত তেওঁ ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনা সম্পৰ্কে আলোচনা কৰে আৰু সেয়েহে নামাজীসকলে মছজিদলৈ যাওঁতে সংবিধানৰ প্ৰস্তাৱনাৰ নকল এটা লগত লৈ যায়। মৌলানা চফীৰুদ্দিনৰ মতে প্ৰতিগৰাকী মুছলমান সাংবিধানিক ব্যৱস্থা সম্পৰ্কে অৱগত হোৱা উচিত, অন্যথা নিজৰ অধিকাৰ সন্দৰ্ভত সচেতন হ'ব কেনেকৈ? অৱশ্যে মছজিদত সংবিধান সম্পৰ্কীয় ব্যাখ্যা আগবঢ়ায় সাগৰৰ বিশিষ্ট অধিবক্তা মহম্মদ জাকাৰিয়াই। এই ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ আন আন মছজিদ কৰ্তৃপক্ষয়ো তেওঁলোকক আমন্ত্ৰণ জনাইছে (The Hindu, ১৫ মে', ২০২২)। এয়াও এক প্ৰকাৰৰ চমৎকাৰ। তাতেই গণতন্ত্ৰৰ সাৰ্থকতাও।

**পাঁচ**

বিশ্বৰ সপ্তম আশ্চৰ্য তাজমহলক লৈ বিতৰ্কৰ শেষ নাই; কাৰণ হ'ল ঐতিহাসিক তথ্য আৰু লোকবিশ্বাসৰ মাজৰ সংঘাত। ছাহজাহানৰ পত্নী মমতাজৰ প্ৰসৱ বেদনাত মৃত্যু হৈছিল ১৬৩১ত। মৃত্যুৰ পূৰ্বে মমতাজে হেনো সম্ৰাটক দুটা অনুৰোধ কৰিছিল, (১) আপুনি আৰু কোনো তিৰোতাকে গৰ্ভৱতী নকৰে যেন (২) মই সপোনত এটা অপূৰ্ব সুন্দৰ মহল দেখিছো; তেনে এটা মহল আপুনি মোৰ স্মৃতিত নিৰ্মাণ কৰে যেন। ছাহজাহানে মৰমৰ পত্নীৰ অনুৰোধ ৰক্ষা কৰিছিল।

সম্ৰাটে মহাৰাজ জয়সিংঙৰ পৰা আগ্ৰাত ১৭ একৰ ভূমি সংগ্ৰহ কৰিছিল আৰু ১৬৩২ ত আৰম্ভ কৰি ১৬৫৩ত তাজমহলৰ নিৰ্মাণ সম্পূৰ্ণ কৰি তুলিছিল; কিন্তু মমতাজৰ মৃত্যু হৈছিল আগ্ৰাৰ পৰা ৬০০ কিঃমি দূৰৰ বুৰহানপুৰত। তাত ভাৰতীয় পুৰাতত্ত্ব বিভাগৰ ফলকৰ দ্বাৰা চিহ্নিত কবৰটো আজিও সংৰক্ষিত হৈ আছে। তেনেহ'লে মমতাজৰ মৃতদেহ খান্দি উলিয়াই আগ্ৰালৈ অনা হৈছিল নেকি? কিন্তু কবৰটো তাজমহলৰ তৃতীয় মহলাত কিয়?

তাজমহলৰ প্ৰাংগণত কুঁৱা, তলৰ মহলাৰ পৰা যমুনাৰ পাৰলৈ যোৱাৰ পথ, মহলৰ চৌদিশে প্ৰদক্ষিণ কৰাৰ ব্যৱস্থা, চূড়াত কলহ আৰু আম পাতৰ আৰ্হি, ইত্যাদিকে ধৰি ভালেমান উপাদান আছে, যিবোৰক সততে মন্দিৰৰ স্থাপত্য বুলি গণ্য কৰা হয়। সেই বুলিয়েই সেইটো মন্দিৰ আছিল বুলিও থাউকতে ক'ব নোৱাৰি; কিন্তু ৰহস্যৰ সৃষ্টি হৈছে, তলৰ মহলাত থকা তলাবন্ধ ২২ টা কোঠালীত কি আছে? তাকে লৈ এলাহাবাদৰ উচ্চ ন্যায়ালয়ৰ লক্ষ্ণৌ পীঠৰ ওচৰত আবেদন জনোৱা হৈছিল উক্ত কোঠাবোৰ খুলিবলৈ অনুমতি বিচাৰি। পিছে ন্যায়াধীশে সেই আবেদন খাৰিজ কৰাই নহয়, আবেদনকাৰীক পি এইচ ডি কৰিবলৈ দিয়া উপদেশৰ মাজেৰে প্ৰকাৰান্তৰে তিৰস্কাৰহে কৰিলে।

হওঁতে উক্ত ৰায়ৰ পাছতে ভাৰতীয় পুৰাতত্ত্ব বিভাগৰ ৱেবছাইটত বিতৰ্কিত কোঠালী কেইটাৰ মেৰামতি কৰাৰ দৃশ্য প্ৰকাশ কৰা হৈছে; কিন্তু সেইবোৰে কাকো সন্তুষ্ট কৰিব পৰা নাই। সেয়েহে ন্যায়াধীশে পুৰাতত্ত্ব বিভাগক কোঠাকেইটাৰ ভিডিঅ'গ্ৰাফী কৰিবলৈ দিয়াটোহে উচিত পদক্ষেপ হ'লহেঁতেন। কাৰণ য'তেই গোপনীয়তা, তাতেই সন্দেহ আৰু ৰহস্য। ছোভিয়েট ৰাছিয়াৰ পতনৰ পাছতে সকলো গোপনীয় ফাইল ৰাজহুৱা কৰা বুলি দাবী কৰা হৈছিল; কিন্তু নেতাজীৰ মৃত্যু বা লালবাহাদুৰ শাস্ত্ৰীৰ মৃত্যু সম্পৰ্কে ক'তো ঘূণাক্ষৰেও উল্লেখ নাই।

**ছয়**

সেই দৃষ্টিৰে কাশী বিশ্বনাথ মন্দিৰৰ স'তে সংলগ্ন 'জ্ঞানব্যাপী মছজিদ'ৰ ক্ষেত্ৰত ন্যায়ালয়ৰ আদেশটো ইতিবাচক ইংগিত। হওঁতে মছজিদৰ নামকৰণত উচ্চস্তৰীয় সংস্কৃত শব্দ 'জ্ঞানব্যাপী'ৰ ব্যৱহাৰ এটা আশ্চৰ্যজনক কথা। অৱশ্যে ঔৰংগজেৱে মঠ-মন্দিৰ ধ্বংস কৰি তাৰ ঠাইত মছজিদ নিৰ্মাণ কৰোৱাইছিল, সেইটো কাল্পনিক নহয়। কাৰণ ঔৰংগজেৱে তেওঁৰ সেনাপতিক সেই মৰ্মে দিয়া আদেশবোৰ এতিয়াও সংৰক্ষিত নথি। তৎসত্বেও আদালতৰ নিৰ্দেশ অনুসৰি 'জ্ঞানব্যাপী মছজিদ'ৰ অভ্যন্তৰত ১৩৫ ঘণ্টাজোৰা ভিডিঅ'গ্ৰাফীৰ জৰিয়তে ভালেমান তথ্য সংগৃহীত হ'ল। প্ৰত্যাশিতভাৱেই তাত শিৱমন্দিৰৰ অস্তিত্ব প্ৰতিপন্ন হৈছে। সৰ্বোচ্চ ন্যায়ালয়ে বিষয়টোত হস্তক্ষেপ কৰি আন্তৰ্বৰ্তীকালীন আদেশযোগে স্পষ্ট কৰি দিছে যে 'জ্ঞানব্যাপী মছজিদ'ত ধৰ্মীয় গতিবিধি অব্যাহত থাকিব; কিন্তু তাত উদ্ধাৰ হোৱা শিৱলিংগকে ধৰি সামগ্ৰীসমূহ সুৰক্ষিত ৰখাৰ ব্যৱস্থা কটকটীয়া কৰা হ'ব। পিছে মথুৰাৰ শ্ৰীকৃষ্ণৰ সংগমস্থলত থকা শ্বাহী ঈদগাহ মছজিদৰ ক্ষেত্ৰতো অনুৰূপ পৰিস্থিতি সৃষ্টি হোৱাৰ সম্ভাৱনাই দেখা দিছে।

ঔৰংগজেৱে হিন্দুৰ পৱিত্ৰ স্থানবোৰ বিধ্বস্ত কৰি তাত মছজিদ নিৰ্মাণ কৰাৰ দৰে অপকৰ্মবোৰৰ শুধৰণি সম্ভৱনে? বৰ্তমানত ঐতিহাসিক অন্যায়ৰ সংশোধন ঘটোৱাটো এটা জটিল প্ৰক্ৰিয়া। তাতে ১৯৯১ৰ সংসদত গৃহীত আইন অনুসৰি ভাৰতৰ ধৰ্মীয় স্থানসমূহত ১৯৪৭ৰ ১৫ আগষ্টৰ স্থিতি বৰ্তাই ৰাখিব লাগিব। মোদী চৰকাৰে সেই আইন সংশোধন ঘটোৱাৰ কথা এতিয়াও বিবেচনা কৰা নাই।

সেইবুলি ইতিহাসৰ তথ্য প্ৰকাশ পাবই লাগিব; অপকৰ্মবোৰৰ স্বৰূপ উদ্‌ঘাটিত হওক। কাৰণ মলম লেপি সাম্প্ৰদায়িক সম্প্ৰীতি ৰক্ষা কৰা নাযায়। নাগৰিকৰ মৌলিক কৰ্তব্যসমূহৰ অন্যতম বিন্দু হ'ল, দেশৰ প্ৰাচীন কীৰ্তিচিহ্ন তথা ঐতিহ্যসমূহৰ পুনৰ্মূল্যায়ন আৰু তাৰে ভিত্তিত সংৰক্ষণৰ ব্যৱস্থা। আমি সেইভাৱে থাকিলেই হ'ব।


ফোন ঃ ৯৪৩৫৫-৫৪২০৫,

# প্ৰাতঃভ্ৰমণ কিমান আৱশ্যক?

## অসমৰ নগৰীয়া জীৱনত প্ৰাতঃভ্ৰমণৰ বিড়ম্বনা

**ৰাজীৱ আহমেদ**

**আমি** জানো বৰ্তমান চাৰিওফালে প্ৰদূষণ কেৱল প্ৰদূষণ। অকণমান ভাল বতাহ আমাৰ হাওঁফাওঁটোৱে নাপাই জীয়াতু ভুগিবলগাত পৰিছে। ফলত আমাৰ শৰীৰত বিভিন্ন ৰোগে আঁকোৱালি লোৱাৰ বাবে চিকিৎসকৰ কাষ চাপিব লগা হৈছে। চিকিৎসকে ঔষধ দিয়ে; কিন্তু ঔষধ সেৱন কৰিও ৰোগৰ পৰা পৰিত্ৰাণ নাপায়। আগৰ দিনত ডিব্ৰুগড়ৰ বেৰীহোৱাইট মেডিকেল কলেজৰ পৰা পাছ কৰা এল এম পি ডাক্তৰৰ এপালি দৰব খালেই আমাৰ শৰীৰৰ পৰা যিকোনো বেমাৰ পলাই পত্ৰং দিছিল; কিন্তু আজিৰ দিনত যিকোনো ৰোগৰ বিশেষজ্ঞসকলৰ ঔষধ সেৱন কৰিও মুক্তি পোৱা দেখা নাযায়। ইয়াৰ মূল কাৰণ হ'ল আমাৰ নগৰ-মহানগৰত বাস কৰা জনসাধাৰণে বিশুদ্ধ বায়ু সেৱন কৰাত বাধাৰ সৃষ্টি হৈছে। সেয়ে মনতে ভাবিলো পুৱা পলমকৈ শোৱাৰ পৰা উঠাতকৈ প্ৰাতঃভ্ৰমণ কৰিলে অন্ততঃ অকণমান বিশুদ্ধ বায়ু সেৱন কৰিব পাৰিলে আমাৰ হাওঁফাওঁটোৱে কিছু পৰিমাণে হ'লেও বিশুদ্ধ অক্সিজেন গ্ৰহণ কৰি সবল হৈ পৰিব আৰু দেহটোক সুৰক্ষিত কৰি তুলিব। এই মনোভাৱ হৃদয়ত লৈ পুৱতি নিশা শোৱাপাটী এৰি হাত-মুখ ধুই ঘৰৰ পৰা ওলাই মূল ৰাস্তাত উঠিলো। দেখা পালো মোৰ একালৰ বন্ধু মনোহৰে নাকত গামোচা এখন গুজি মোৰ ফালে ঠেলা গাড়ীৰ গতিত আহি আছে। মোৰ ওচৰ পোৱাত সুধিলো— হেৰা বন্ধু, তোমাৰ প্ৰাতঃ ভ্ৰমণ কালত কোনোবাই ফুলাম গামোচাৰে আদৰিলে নেকি? উত্তৰত ক'লে— নহয়হে। ৰাস্তাৰ কাষত পৰি থকা সৌ পচা জাবৰবোৰ দেখিছানে? সেই পচা জাবৰৰ গোন্ধ নাকেৰে গৈ হাওঁফাওঁত খুন্দা খালে আমাৰ আয়ুসৰ পথটো নিচেই চমু হৈ পৰিব আৰু এদিন এই পৃথিৱীৰ পৰা বিদায় ল'ব লাগিব। লগে লগে মই ক'লো— কথাটেন্স একেবাৰেই সত্য। মোৰ মনত এটা প্ৰশ্ন জাগি উঠে— মানুহেই মানুহৰ আয়ুস চুটি কৰা নাইনে? ভগৱানে মানুহৰ আয়ুস নিৰ্ণয় কৰি দিলেও মানুহে নিজ কু-কৰ্মৰ জৰিয়তে আয়ুস চুটি কৰি পেলাইছে। গতিকে মানুহৰ অকাল মৃত্যু হ'লে তেওঁৰ পৰিয়ালে ভগৱানক দোষ দি লাভ নাই। এই সেউজীয়া অসমখনৰ মুখ্যমন্ত্ৰীৰ আসনখনত কিমান মুখ্যমন্ত্ৰীয়ে বহি শাসন চলালে আৰু গ'ল সেই কথা সকলোৱেই জানে; কিন্তু দুখৰ বিষয় ৰাস্তাৰ কাষত জাবৰ পেলোৱা দুষ্ট মনৰ মানুহবোৰক পৌৰ জ্ঞান দি স্বচ্ছ সমাজ এখন গঢ়িব নোৱাৰিলে। মোৰ কথাৰ মাজতে মনোহৰে ক'লে— হেৰা বন্ধু, সৌ সিদিনাখন আমি পৌৰ সভাৰ নিৰ্বাচনত ভোট প্ৰদান কৰিলো। মেয়ৰো নিৰ্বাচিত হ'ল। আগতেও মেয়ৰ আছিল। এতিয়াও মেয়ৰ আছে। মেয়ৰৰ কাম কি তেওঁলোকে জানে নে নাজানে সন্দেহৰ আৱৰ্তত; কিন্তু তেওঁলোকে দামী গাড়ীত উঠি ৰাস্তাৰে যাওঁতে অন্ততঃ ৰাস্তাৰ কাষৰ গেলা-পচা জাবৰৰ দ'মবোৰৰ ওপৰত চকু পৰিব লাগিছিল। লগে লগে মই মিচিকিয়া হাঁহি এটা মাৰি ক'লো— বন্ধু, মানুহে চকুত ক'লা চশমা পিন্ধিলে সেইবোৰ দেখা নাপায়। হ'ব দিয়া। এনেবোৰ কথা আগৰ দিনৰ মানুহেও পাতিছিল; কিন্তু কি হ'ব! আগতেও কামৰ পৰিৱৰ্তন নেদেখিলো। এতিয়াও দেখা নাই। সৰ্বসাধাৰণ ৰাইজেই পৰিৱৰ্তন আনিব লাগিব নিজৰ নিজৰ স্বভাৱ সংশোধনৰ জৰিয়তে। তেহে গুৱাহাটী মহানগৰীৰ



প্ৰতিটো পথ নিকা হৈ থাকিব আৰু জাবৰৰ দুৰ্গন্ধৰ পৰা মুক্ত হৈ প্ৰাতঃভ্ৰমণৰ সোৱাদ সকলোৱেই ল'ব পাৰিব। মোৰ কথা শুনি বন্ধু মনোহৰে ক'লে— হেৰা আমাৰ প্ৰাতঃভ্ৰমণৰ সময় উকলিল। বেলি উদয় হওঁ হওঁ। মই ক'লো— বন্ধু আমি এই ঠাইতে বৈ কথাৰ মহলা মাৰিলো। মোৰ ভৰিকেইটাই প্ৰাতঃভ্ৰমণ কি অনুভৱ কৰিবই নোৱাৰিলে। সেয়ে আমি হাতীগাঁৱৰ পথছোৱাত এপাক ঘূৰি আহোগৈ। কথা মতেই কাম। আমি খৰধৰকৈ বেলি ওলোৱাৰ আগতেই ঘূৰি অহাৰ মানসেৰে হাতীগাঁৱৰ ফালে খোজ ল'লো। হাতীগাঁও হাইস্কুলৰ সন্মুখৰ ৰাস্তাত কৃত্ৰিম বানপানী দেখি বন্ধুক ক'লো— হেৰা, আৰু আগলৈ যাব নোৱাৰিম। বন্ধুৱে ক'লে— পাৰিম। ৰাস্তাৰ ওপৰত পৰি ৰোৱা বালিত খোজ কাঢ়ি আৰাম পাবা। লগে লগে মই ক'লো— বন্ধু ৰাস্তাৰ ওপৰত এক ফুট পানী। সেইবোৰ বালি নহয়। বন্ধুৱে ক'লে হয় নেকি? এই বুলি কৈ বন্ধুৱে এখোজ-দুখোজকৈ মোৰ ওচৰত উপস্থিত হৈ ক'লে— বন্ধু, মোৰ চকু গ'ল। চকুত ছানি পৰিছে বুলি ডাক্তৰে কৈছে। অপাৰেছন কৰিব লাগিব। আকৌ কৈছে ইণ্ডিয়ান লেন্স ল'লে খৰচ পৰিব ২৫,০০০/ টকা আৰু ফৰেইন লেন্স ল'লে খৰচ পৰিব ৩০,০০০/ টকা। লগে লগে বন্ধুক ক'লো— তুমি কোনখন লেন্স পছন্দ কৰিছা? উত্তৰত ক'লে— ফৰেইন লেন্সখন ল'লে চকুৰে ভালকৈ দেখিম। মই ক'লো— ইণ্ডিয়ান লেন্স ল'লে তুমি মহিলা বা গাভৰুবিলাকক শাৰী আৰু মেখেলা-চাদৰ পিন্ধা দেখা পাবা; কিন্তু ফৰেইন লেন্স লগালে চকুৰে গাভৰু বা মহিলাসকলক জিন্‌ছ পেন্ট আৰু টি ছাৰ্ট পিন্ধা দেখা পাব।

ফোন ঃ ৯৮৬৪১৩২৪৮২

# শিক্ষক নোহোৱাকৈ চলিছে এখন প্ৰাথমিক বিদ্যালয়

**অভিমত**

**আমাৰ** সমাজৰ বহুতো বুদ্ধিজীৱী, শিক্ষাবিদ তথা মাতৃভাষাপ্ৰেমী সদাশয় ব্যক্তিয়ে আক্ষেপ কৰে যে মাতৃভাষা মাধ্যমৰ বিদ্যালয়ত পিতৃ-মাতৃ বা অভিভাৱকে নিজৰ সন্তানক নপঢ়ুৱায়। এই ক্ষেত্ৰত আমাৰো আক্ষেপ নোহোৱা নহয়, কিন্তু অসমৰ মাতৃভাষা মাধ্যমৰ বিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আন্তঃগাঁথনি কিমান সন্তোষজনক তাৰেই এটা উদাহৰণ হৈছে অসমৰ ৰাজধানী গুৱাহাটীৰ উত্তৰ ফালে তথা কামৰূপ জিলাৰ সদৰ আমিনগাঁৱৰ পৰা প্ৰায় ১০ কিলোমিটাৰ উত্তৰে ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে স্থাপিত ডোৰাকহঁৰা প্ৰাথমিক বিদ্যালয়। এই বিদ্যালয়খন বহু পুৰণি। ইয়াত পঢ়ি বহু ছাত্ৰ-ছাত্ৰী চিকিৎসক, কলেজৰ অধ্যাপক, চৰকাৰী বিষয়া আদি হৈছে। আগতে এই বিদ্যালয়খন স্বতন্ত্ৰীয়া প্ৰশাসনিক ব্যৱস্থাৰ আছিল, কিন্তু কিছু বছৰ আগতে ইয়াৰ সীমাতে থকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ অধীনস্থ কৰা হয়। বিদ্যালয়ৰ ঘৰ-দুৱাৰ বেয়া নহয়, আগতে ইয়াত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা শতাধিক আছিল, এতিয়াও প্ৰায় অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰী আছে, কিন্তু এতিয়া এইখন বিদ্যালয়ত এজনো শিক্ষক-শিক্ষয়িত্ৰী নাই। অৰ্থাৎ শিক্ষক নোহোৱাকৈ বিদ্যালয়খন চলি আছে। স্থানীয় ৰাইজো এই ক্ষেত্ৰত বৰ সক্ৰিয় নহয় যেন ধাৰণা হৈছে, কাৰণ যিসকল ব্যক্তি এই ক্ষেত্ৰত সচেতন সেইসকলৰ সন্তানে নামী-দামী ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত পঢ়ে, গতিকে চৰকাৰী বিদ্যালয়ৰ ফালে চাবলৈ তেওঁলোকৰ প্ৰয়োজন নাই। ডোৰাকহঁৰা কমলপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত। বৰ্তমান এই সমষ্টিৰ বিধায়ক দিগন্ত কলিতা সক্ৰিয় আৰু কৰ্মঠ বিধায়ক হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। আমি আশা ৰাখিছো, এই ক্ষেত্ৰত তেওঁ সক্ৰিয় হৈ অতি সোনকালে অন্ততঃ তিনিজন শিক্ষক বিদ্যালয়খনত নিযুক্তি দি দুখীয়া পিছপৰা পৰিয়ালৰ সন্তানসকলৰ উপকাৰ সাধন কৰিব।


**ভাৰতী দাস চৰকাৰ**, পশ্চিম বৰাগাঁও, গুৱাহাটী

# হিংসা-অহিংসা-সংঘাতৰ মাজেদি ভাৰত বিভাজন

অৱলোকন

অহল্যা গগৈ





**১৯৪৫ৰ** বছৰটো বিশ্বৰ এক উল্লেখনীয় বছৰ। এই বছৰটোতে দ্বিতীয় বিশ্ব যুদ্ধৰ সামৰণি পৰিছিল আৰু অন্যফালে এই বছৰৰ জুলাইত ইংলণ্ডতো নিৰ্বাচন অনুষ্ঠিত হৈ শাসকীয় কনজাৰভেটিভ পাৰ্টিক পৰাজিত কৰি বিৰোধী দলৰ লেবাৰ পাৰ্টি শাসনত অধিষ্ঠিত হৈছিল। বিশ্ব যুদ্ধৰ মহানায়ক আৰু পৰাধীন ভাৰতৰ ভাগ্য নিয়ন্তা চাৰ্চিলক অপসাৰিত কৰি ৰিচাৰ্ড এটলি ইংলণ্ডৰ প্ৰধানমন্ত্ৰীৰূপে নিয়োজিত হৈছিল। ইফালে এই বছৰটোৰ আগষ্টত হিৰোছিমা আৰু নাগাচাকিত প্ৰথম এটম্ বোমা পেলোৱাৰ পাছতেই জাপানে আত্মসমৰ্পণ কৰিছিল। সেয়ে প্ৰশান্ত মহাসাগৰ অঞ্চলতো বিশ্ব যুদ্ধৰ অৱসান ঘটিছিল। ইংলণ্ডত লেবাৰ পাৰ্টিয়ে ক্ষমতাত অধিষ্ঠিত হৈয়েই ভাৰতৰ স্বায়ত্ত শাসনৰ ব্যৱস্থা ল'বলৈ ভাইচৰয়ক ভাৰতৰ পৰা ইংলণ্ডলৈ মাতি পঠিয়ালে। ১৯ ছেপ্টেম্বৰৰ (১৯৪৫) দিনা 'ৰাভেল'-এ ব্ৰিটিছ চৰকাৰৰ সিদ্ধান্ত ঘোষণা কৰিলে এনেদৰে— '১৯৪৫-৪৬ৰ শীত কালত কেন্দ্ৰীয় আৰু প্ৰাদেশিক নিৰ্বাচন অনুষ্ঠিত কৰি ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিৰ স'তে 'ভাইচৰয় পৰিষদ' গঠন কৰা হ'ব আৰু প্ৰাদেশিক নিৰ্বাচন অনুষ্ঠিত কৰি ভাৰতৰ নতুন সংবিধান ৰচনাৰ অৰ্থে এখন 'কনষ্টিটুৰেন্ট' এছেম্বলীৰ ব্যৱস্থা কৰিব।' এই মৰ্মে জেলত আৱদ্ধ হৈ থকা কংগ্ৰেছৰ সকলোকে মুক্তি দিয়া হ'ল। ৰাজনৈতিক দলবোৰেও নিৰ্বাচনত নামিল। নিৰ্বাচনত কংগ্ৰেছে দেশৰ অ-মুছলমান আসনসমূহত বিপুলভাৱে জয়ী হ'ল। 'মুছলিম লীগ'-এ কেন্দ্ৰীয় আৰু প্ৰাদেশিক সদনৰ মুছলমানৰ সংৰক্ষিত আসনবোৰত জয়লাভ কৰি বংগদেশ আৰু সিন্ধুপ্ৰদেশত কোৱালিছন চৰকাৰ গঠন কৰিলে আৰু কংগ্ৰেছে আঠখন প্ৰদেশত চৰকাৰ গঠন কৰিবলৈ সক্ষম হ'ল। ১৯৪৬ৰ আগভাগত ৰাজনৈতিক দলকেইটাই নিৰ্বাচনত ভাগ লৈ চৰকাৰ গঠন কৰিলেও দেশত হিন্দু আৰু মুছলমানৰ সংঘৰ্ষৰ হিংসাত্মক আৰু ৰাজনৈতিক অচলাৱস্থাৰ ওৰ পৰা দেখা নগ'ল। মাৰ্চত (১৯৪৬) ব্ৰিটিছ প্ৰধানমন্ত্ৰী ৰিচাৰ্ড এট্লীয়ে পাৰ্লিয়ামেন্টত ঘোষণা কৰিলে— 'ব্ৰিটেইনে ভাৰত ত্যাগ কৰিবলৈ সিদ্ধান্ত লৈছে। সেয়ে ক্ষমতা হস্তান্তৰৰ বিষয়ে ভাৰতীয় নেতাসকলৰ লগত আলোচনা কৰিবলৈ শীঘ্ৰেই তেওঁ তিনিজন ব্ৰিটিছ মন্ত্ৰী নিউ দিল্লীলৈ প্ৰেৰণ কৰিলে। এই মৰ্মে ২৩ মাৰ্চত (১৯৪৬) ব্ৰিটিছ কেবিনেট মিছনৰ তিনিজন সদস্য পেথিক লৰেন্স, ছাৰ ষ্টাফৰ্ড ক্ৰিপ্‌ছ আৰু এ ভ আলেকজেণ্ডাৰে দিল্লীত উপস্থিত হৈয়েই ৰাজনৈতিক দলৰ নেতাসকলক লগ ধৰিলেহি; কিন্তু আলোচনাত ভাগ ল'লেও ভাৰত একত্ৰিত হৈ থাকিবনে অথবা মুছলিম লীগৰ দাবী অনুসৰি ভাৰত দ্বিখণ্ডিত হ'ব, এই ঘাই বিষয়টোৰ সন্দৰ্ভত কোনো বুজাপৰাত উপনীত হ'ব নোৱাৰিলে। কংগ্ৰেছ আৰু মুছলিম লীগৰ মতভেদ আঁতৰাব পৰা নগ'ল। গান্ধীজীৰ পৰামৰ্শ মতে, দল দুটাৰ মাজত এৰা-ধৰা কৰি কেবিনেট মিছনে এখন তথ্য সম্বলিত ঘোষণা পত্ৰ ১৬ মে'ত (১৯৪৬) প্ৰকাশ কৰি 'ব্ৰিটেইনে ভাৰতত ব্ৰিটিছ ৰাজনৈতিক ক্ষমতা অৱসান ঘটোৱাৰ সিদ্ধান্ত লৈছে' বুলি ঘোষণা কৰিলে; কিন্তু ২১ মে'ত (১৯৪৬) মুছলিম লীগৰ সভাপতি জিন্নাই এই ঘোষণা পত্ৰত কোনো নতুনত্ব নাই আৰু কংগ্ৰেছক তুষ্ট কৰাৰ উদ্দেশ্যেই ইয়াক তৈয়াৰ কৰা হৈছে বুলি তীব্ৰভাৱে সমালোচনা কৰিলে। তেওঁ মতপ্ৰকাশ কৰিলে পাকিস্তান গঠনেই একমাত্ৰ সমাধান। পাকিস্তানক সম্পূৰ্ণকৈ ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰিব নোৱাৰালৈকে ভাৰতৰ মুছলমানসকলৰ জিৰণি নাই। জিন্নাই দুৰ্ঘোৰ আপত্তি জনোৱাৰ সন্দৰ্ভত ৰাভেলে ১২ আগষ্ট (১৯৪৬)ৰ দিনা চৰকাৰ গঠন কৰিবলৈ আদেশ দিলে জৱাহৰলাল নেহৰুক, যিহেতু উদ্বেগজনক পৰিস্থিতি বাঢ়ি অহাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰত এখন শক্তিশালী চৰকাৰ গঠন কৰাটো জৰুৰী হৈ পৰিছিল। জিন্নাৰ ঘোৰ আপত্তিৰ দিশটো বিবেচনা কৰি জৱাহৰলাল নেহৰুৱে এখন চৰকাৰ গঠন কৰিলে এনেদৰে— 'ছজন কংগ্ৰেছ সদস্যৰ পাঁচজন বৰ্ণহিন্দু আৰু এজন দলিত সম্প্ৰদায়ৰ, এজন খ্ৰীষ্টান, এজন শিখ, এজন পাৰ্চী আৰু মুছলিম লীগৰ সদস্য নোহোৱা দুজন মুছলমান। এই দিশত জিন্নাই ঘোৰ আপত্তি কৰি ১৬ আগষ্টৰ দিনটো মুছলিম লীগ Direct Action Day বুলি বিৰোধ দিৱস ঘোষণা কৰিলে। ইয়াৰ ফলত কলিকতাত চাৰিদিন ব্যাপী প্ৰবল সাম্প্ৰদায়িক সংঘৰ্ষ সংঘটিত হ'ল। চৰকাৰী হিচাপ মতে পাঁচ হেজাৰ লোকক হত্যা কৰা হ'ল আৰু ১৫ হেজাৰ লোক আহত হ'ল। জিন্নাই আকৌ দুই ছেপ্টেম্বৰ দিনটো শোকৰ দিন বুলি ঘোষণা কৰি মুছলমানসকলক ক'লা পতাকা উৰুৱাবলৈ নিৰ্দেশ দিলে। ফলস্বৰূপে গোটেই ছেপ্টেম্বৰ মাহটো বোম্বাইত গুলীয়াগুলি আৰু ছুৰিকাঘাতৰ কটা-মৰা সাম্প্ৰদায়িক সংঘৰ্ষ ঘৰিবলৈ ধৰিলে। এনে এটা পৰিস্থিতিত মুছলিম লীগে ঘোষণা কৰিলে— 'তেওঁলোকে ব্ৰিটিছে আয়োজন কৰা 'কনষ্টিটুৰেন্ট এছেম্বলী'ৰ পৰা বিৰত হৈ থাকিব। মুঠতে ধৰ্মৰ বিষয়টো লৈয়েই চৰকাৰখনত বিভাজন হ'বলৈ ধৰিলে। দেশৰ সাম্প্ৰদায়িক সংঘৰ্ষবোৰ বন্ধ কৰিবলৈ গান্ধীজীয়ে প্ৰতিদিনেই নীতি বচনেৰে আহ্বান জনালে। দেশবাসীক ধৈৰ্যৰে অপেক্ষা কৰিবলৈও তেওঁ আহ্বান জনালে। চৰকাৰৰ মন্ত্ৰী আৰু বিষয়াসকলে লানি নিছিগাকৈ হৰিজন কল'নীৰ গান্ধীজীৰ কুটীৰলৈ আহিবলৈ ধৰিলে যদিও জৱাহৰলাল নেহৰুৱে কিন্তু গান্ধীজীৰ পৰামৰ্শবোৰ মানি লোৱা নাছিল। বিশেষকৈ তেওঁৰ পৰম্পৰাগত জীৱনক আদৰ্শায়িত কৰাটো।

ছয় ডিচেম্বৰৰ দিনা (১৯৪৬) এট্লীয়ে ঘোষণা কৰিলে— 'মুছলিম লীগক বাহিৰত ৰাখি ভাৰতত সংবিধান ৰচনা কৰিলে, দেশৰ এটা অংশই সংবিধানখন মানি ল'ব আৰু আনটো অংশই সংবিধান প্ৰত্যাখ্যান কৰিব; সেয়ে অনিচ্ছা সত্ত্বেও দেশবাসীৰ ওপৰত সংবিধান জাপি দিয়া সম্ভৱ নহয়।' ইয়াৰ ফলত ভাৰতক দ্বিখণ্ডিত কৰা পৰিস্থিতি পুনৰ উদ্ভৱ হ'ল। ইতিমধ্যে কংগ্ৰেছৰ নেতা-কৰ্মীৰ মাজত গান্ধীজীৰ প্ৰভাৱ কমি আহিছিল। সেয়ে গান্ধীজীৰ মতামত অগ্ৰাহ্য কৰি ছয় জানুৱাৰী (১৯৪৬)ৰ দিনা কংগ্ৰেছ কমিটীৰ বৈঠকে চৰকাৰে আগবঢ়োৱা খণ্ড তিনিটা আৰু গ্ৰুপকেইটাৰ ব্যৱস্থা মানি ল'লে। এনে এটা পৰিস্থিতিত দেশৰ ঘটনাৱলী ইমান দ্ৰুতগতিত আগবাঢ়িবলৈ ধৰিলে যে ব্ৰিটিছ প্ৰধানমন্ত্ৰী এট্লীৰ ২০ ফেব্ৰুৱাৰীৰ ঐতিহাসিক ঘোষণা সন্দৰ্ভত কংগ্ৰেছ নেতাসকলে গান্ধীজীৰ লগত আলোচনা কৰাত কোনো গুৰুত্ব নিদিলে। ইফালে পঞ্জাৱত সাম্প্ৰদায়িক সংঘৰ্ষত এহেজাৰ লোক হত্যাৰ বলি হ'ল। পঞ্জাৱৰ হিন্দু আৰু শিখসকলে ৰাজ্যখনক দ্বিখণ্ডিত কৰি হিন্দু আৰু শিখৰ বাবে সুকীয়া পঞ্জাৱ প্ৰদেশৰ দাবী তুলিলে, যি পৰিস্থিতিত কংগ্ৰেছ কাৰ্যকৰী কমিটীয়ে ন মাৰ্চৰ দিনা (১৯৪৬) দ্বিখণ্ডিত পঞ্জাৱৰ দাবী মানি ল'বলগীয়া হ'ল। এই সিদ্ধান্তই প্ৰকাৰান্তৰে বংগ প্ৰদেশখনো দ্বিখণ্ডিত কৰাৰ দাবী মানি ল'লে। ২২ মাৰ্চত (১৯৪৬) দেশৰ হকে এক মংগলজনক ঘোষণাৰে দিল্লীত উপস্থিত হ'লহি নৱনিযুক্ত ভাইচৰয় লৰ্ড মাউণ্টবেটেন আৰু পত্নী এডুইনাৰ এওঁলোক পতি-পত্নীৰ আকৰ্ষণীয় ব্যক্তিত্ব আৰু সৌহাৰ্দ্যপূৰ্ণ আচৰণে সকলোৰে মনত সম্ভাৱৰ চাপ পেলাবলৈ সক্ষম হ'ল। পাছদিনা জিন্নাই ৰাজহুৱাকৈ মত ব্যক্ত কৰিলে—'দেশ বিভাজনেই একমাত্ৰ সমাধান, অন্যথা দেশ ভয়ানক বিপৰ্যয়ৰ সন্মুখীন হ'ব। ১৯৪৭ৰ জুনৰ পূৰ্বেই ভাৰতৰ লগত ব্ৰিটিছৰ ৰাজনৈতিক সম্বন্ধ ছেদ কৰাৰ উদ্দেশ্য লৈ ভাইচৰয় মাউণ্টবেটেনে একত্ৰিত ভাৰতৰ কথাই চিন্তা কৰিছিল। কিন্তু মুছলীম লীগৰ সভাপতি জিন্নাই প্ৰথমৰ পৰাই ভাৰতৰ দ্বিখণ্ডিত কৰি পাকিস্তান দাবী কৰি আহিছে। আনহাতে, কংগ্ৰেছ একত্ৰিত ভাৰত বিচাৰিলেও ভাৰতৰ গৃহযুদ্ধ হোৱাৰ পৰিস্থিতি উদ্ভৱ হ'লে কংগ্ৰেছ ভাৰতক দ্বিখণ্ডিত কৰাৰ মত পোষণ কৰিব। অৱশেষত ভাৰতক দ্বিখণ্ডিত কৰাৰেই সম্ভাৱনাই দেখা দিলে। গান্ধীজীয়ে কিন্তু ভাৰত বিভাজন মানি নল'লে।

ইফালে লণ্ডনত ভাইচৰয় মাউণ্টবেটেন ভাৰত বিভাজন আঁচনিত ব্যস্ত হৈ পৰিল। ১৫ জুনত (১৯৪৭) দিল্লীত অনুষ্ঠিত নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ বৈঠকত মাউণ্টবেটেনৰ ভাৰত বিভাজন আঁচনি গৃহীত হ'ল। প্ৰস্তাৱ গ্ৰহণৰ শেহত কংগ্ৰেছ সভাপতি জেবি কৃপালনীয়ে কংগ্ৰেছ কিয় গান্ধীজীৰ মতামত পৰিহাৰ কৰিলে, তাক ব্যাখ্যা কৰি ভাষণ দিলে—'দেশৰ হিন্দু আৰু মুছলমানৰ মাজত নিকৃষ্টতম হিংসাত্মক কাৰ্যকলাপৰ প্ৰতিযোগিতা চলিছে। ১০৭ গৰাকী নাৰীয়ে একেলগে আত্মসন্মান বচাবলৈ নিজ সন্তানৰ স'তে এটা কুঁৱাত জঁপিয়াই মৃত্যু বৰণ কৰা দৃশ্য মই নিজে প্ৰত্যক্ষ কৰিছো। অন্য এখন ঠাইত পূজাৰ থলীত ৫০ গৰাকী যুৱতী নাৰীক নিজৰ পুৰুষসকলেই একেই কাৰণে হত্যা কৰিছে। এনে ধৰণৰ ভয়াৱহ অভিজ্ঞতাই মোক বৰ্তমানৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দেশ বিভাজনৰ সিদ্ধান্তৰ বিষয়ে মত দিবলৈ বাধ্য কৰালে। নিৰন্তৰে ইজনে-সিজনৰ ওপৰত হত্যা আৰু অৱমাননাৰ প্ৰতিশোধে অৱশেষত আমাক নৰখাদক বা ততোধিক নিকৃষ্ট অৱস্থালৈ লৈ যাব বুলি আশংকা কৰিছো। গান্ধীজৰ পৰা আমি আঁতৰি অহাৰ একমাত্ৰ কাৰণ এয়ে যে আমি উপলব্ধি কৰিছো, জনগণৰ সামূহিক সমস্যা সমাধানৰ পথ তেওঁ উলিয়াব পৰা নাই আৰু গান্ধীৰ শান্তি আৰু ভ্ৰাতৃত্বৰ আহ্বানত দেশৰ জনতাই সঁহাৰি দিয়া নাই।' প্ৰকৃততে এনে উদ্বেগজনক পৰিস্থিতিত হিন্দু-মুছলমানৰ কাৰণে তেওঁ যি প্ৰচেষ্টা চলাই আছে, তাক অনেকেই সহজভাৱে ল'বপৰা নাই। হিন্দুসকলে প্ৰশ্ন কৰিছে, তেওঁ কিয় মুছলমানৰ প্ৰতি পক্ষপাতমূলক দৃষ্টি লৈছে? ৰাইজে তেওঁক হৃদয়ত স্থান দিলেও বিচাৰ আৰু নীতি-নিয়ম মানি ল'বলৈ অপাৰগ।

প্ৰাৰ্থনা সভাবোৰত গান্ধীজীয়ে নিজেও কৈছে— 'জনতাই অহিংসাক আদৰি লৈছে বুলি বিশ্বাস কৰি মই নিজেই প্ৰতাৰিত হ'লে হিন্দু আৰু মুছলমানৰ মাজত প্ৰয়োজনীয় প্ৰেম ভাৱৰ অভাৱৰ বাবেই দেশক দ্বিখণ্ডিত কৰিবলগীয়া হ'ল।.. ইংৰাজে দিয়া স্বৰাজ মাত্ৰ স্বৰাজৰ ফোঁপোলা পতান। নিজৰেই সেনাধ্যক্ষক পৰাজয় কৰি সেনা বাহিনীয়ে আৰ্জন কৰা বিজয়।'

১৫ আগষ্টৰ স্বাধীনতা দিৱসৰ উৎসৱত মহাত্মাই যোগ দিব নোৱাৰে বুলি ঘোষণা কৰিলে। ১৪ আগষ্টৰ সৰ্বত্ৰে উৎসাহ, উদ্দীপনাৰ মাজত প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে যেতিয়া মাজনিশা আৱেগিক কণ্ঠৰ ভাষণেৰে ব্ৰিটিছ নিৰ্মিত প্ৰাসাদোপম ৰাজভৱনৰ পৰা ভাৰতৰ স্বাধীনতা ঘোষণা কৰিছিল, সেই সময়ত কলিকতাৰ এক দৰিদ্ৰ মুছলমানৰ পৰিত্যক্ত ঘৰত মহাত্মাই টোপনিৰ পৰা চকু মেলি তেওঁৰ নিত্য নৈমেত্তিক প্ৰাৰ্থনা কৰিছিল আৰু যতৰত সূতা কাটিছিল। তেওঁ সোঁৱৰিছিল মহাদেৱ দেশাইক, যিজন নিকটতম সেৱকে ১৯৪২ৰ ১৫ আগষ্টৰ দিনা মৃত্যুবৰণ কৰিছিল কাৰাগাৰৰ বন্ধ প্ৰাচীৰৰ মাজত। আগদিনা কলিকতাৰ চৌদিশে বন্তি প্ৰজ্বলন আৰু আতচবাজীৰ মাজতো মহাত্মা বন্তি প্ৰজ্বলনৰ পৰা বিৰত থাকিল। দিনটো অনশনে থাকি মাত্ৰ এগিলাছ ফলৰ ৰস গ্ৰহণ কৰিলে।

পাকিস্তানে ভাৰতক দ্বিখণ্ডিত কৰিলে। কিন্তু পাকিস্তানে লগতে দ্বিখণ্ডিত হ'বলগীয়া হ'ল। একত্ৰিত ভাৰতৰ উত্তৰ পশ্চিমত ইয়াৰ এটা অংশ থাকিল আৰু ৮০০ মাইল আঁতৰত থাকিল, অধিক জনসংখ্যাৰ আনটো অংশ ভাৰতৰ উত্তৰ-পূব অঞ্চলত। কে'বা নিযুত হিন্দু আৰু শিখ পাকিস্তানত ৰৈ গ'ল। সেইদৰে ইণ্ডিয়ান ইউনিয়নতো থাকি গ'ল সংখ্যালঘিষ্ঠ মুছলমানৰ কে'বা নিযুত লোক। সৰহ ভাগ দেশীয় ৰাজ্য ইণ্ডিয়ান ইউনিয়নত চামিল হ'ল। বিভাজনৰ ফলস্বৰূপে দুয়োখন নতুন ৰাষ্ট্ৰৰ মাজত সীমান্ত অঞ্চল গঠিত হ'ল, পূৰ্বৰ একত্ৰিত দেশখনৰ সেনাবাহিনী আৰু কোষাগাৰো দ্বিখণ্ডিত হ'ল। কোনো ঠাইত ফেক্টৰীবোৰৰ পৰা কেঁচামাল আঁতৰ হ'ল অথবা কোনো ঠাইত বজাৰৰ পৰা আঁতৰিল উৎপাদিত শস্য। লৰ্ড মাউণ্টবেটেন ইণ্ডিয়ান ইউনিয়নৰ নতুন গৱৰ্ণৰ জেনেৰেল পদত অধিষ্ঠিত হ'ল।

তেওঁ পাকিস্তানৰো গৱৰ্ণৰ জেনেৰেল হ'বলৈ মান্তি হৈছিল যদিও জিন্নাই ইয়াৰ বিৰোধিতা কৰি নিজেই পাকিস্তানৰ উক্ত পদত অধিষ্ঠিত হ'ল। ইফালে, পঞ্জাৱত আগষ্টৰ মাজ ভাগৰ পৰাই সাম্প্ৰদায়িক হত্যালীলাৰ ৰক্তপ্লাৱন হৈছিল নাৰী, পুৰুষ, শিশু কোনোৱেই হত্যাৰ পৰা বাদ পৰা নাছিল। ফলস্বৰূপে দ্বিখণ্ডিত পঞ্জাৱৰ দুয়োটা ভাগতে ভীতিগ্ৰস্ত ভগনীয়াৰ লানি নিছিগা প্ৰব্ৰজন হ'বলৈ ধৰিলে।

প্ৰকৃততে সাতাৰন্ন মাইল দীঘল এক কোটিতকৈ অধিক মানৱ শাৰীৰ এনে বিশাল প্ৰব্ৰজনে ঘৰ বা সা-সুবিধা পোৱাৰ আশাত হোৱা নাই; ই হৈছে কেৱল মুছলমানৰ হত্যা আৰু পাশৱিক অত্যাচাৰত সৰ্বস্ব হেৰুৱা ভগনীয়াসকলৰ নিৰাপত্তাৰ আশাত হোৱা এক প্ৰব্ৰজন। সেইদৰে ভাৰতৰ পূব পঞ্জাৱৰ পৰাও লাখ লাখ মুছলমান ভগনীয়াই হিন্দুৰ তৰোৱাল আৰু বুলেটৰ আঘাতত আত্মীয় আৰু ঘৰ-দুৱাৰ সকলো হেৰুৱাই নিৰাপত্তা বিচাৰি পাকিস্তানৰ পশ্চিম পঞ্জাৱলৈ প্ৰব্ৰজন কৰিছে। প্ৰশাসনৰ পুলিচ বা সেনাবাহিনীয়ে নিৰাপত্তা দিয়া দূৰৰে কথা, তেওঁলোকেও সাম্প্ৰদায়িক মনোভাৱত লিপ্ত হৈ আক্ৰমণকাৰীক উচটনি দিছে বা নেদেখাৰ ভাও জুৰিছে। যিসকলৰ গৰু গাড়ীৰ নিচিনা বাহন নাই, সেইসকলে কান্ধত বা ভাৰ বান্ধি শিশু, বৃদ্ধই আৰু অসুস্থসকলক কঢ়িয়াইছে। বিনা আহাৰে বহু মাইল জোৰা দীঘলীয়া পথত দিনৰ পাছত দিন অতিক্ৰম কৰি কোনো কোনোৱে ভাগ্যক ধিয়াই চল-কৰ কৰিব নোৱৰাসকলক ধূলি-ধূসৰিত ৰাস্তাতে পেলাই থৈ আহিছে। মৃতকৰ দেহ ভক্ষণ কৰিবলৈ ভগনীয়াৰ লগত শগুন উৰি ফুৰিছে।

দেশখনৰ এটা বৃহৎ অংশক ঘৃণা, হত্যা আৰু প্ৰব্ৰজনে জোকাৰিব লাগিছে। হত্যাৰ প্ৰতিশোধৰূপে হত্যা সংঘটিত হৈছে। ইয়াৰ মাজতেই জাতিৰ পিতা মহাত্মা গান্ধীয়ে শান্তিৰ বাণীৰে অকলশৰে প্ৰত্যাহ্বান জনাই থিয় দিছে মহাত্মাৰূপে উপলব্ধি কৰিছে প্ৰত্যাঘাতৰ সলনি প্ৰত্যাঘাত, মৃত্যুৰ সলনি মৃত্যুৰে ভাৰতৰো মৃত্যু আনিব। প্ৰতিটো শিবিৰৰ শৰণাৰ্থীসকলে মহাত্মাৰ দৰ্শন বিচাৰে। পূব পঞ্জাৱৰ কুৰুক্ষেত্ৰ শিবিৰত লাখ লাখ ভগনীয়াই ভিৰ কৰিছে আৰু প্ৰতিদিনেই আহিব লাগিছে নতুন নতুন ভগনীয়াৰ দল পশ্চিম পঞ্জাৱৰ পৰা।


১২ নৱেম্বৰৰ (১৯৪৭) দিনা মহাত্মাই ৰেডিঅ'যোগে ভগনীয়াসকলক উদ্দেশ্যি ক'লে, 'তোমালোকৰ দোষ-ত্ৰুটিবোৰ আঙুলিয়াই দিয়েই মই উৎকৃষ্ট সেৱা আগবঢ়াওঁ। ই মোৰ জীৱনৰ মূল মন্ত্ৰ। প্ৰকৃত বন্ধুত্ব তাতেই নিহিত হৈ আছে। মোৰ জনসেৱা কেৱল তোমালোকৰ বাবেই নহয় ই ভাৰত তথা সমগ্ৰ বিশ্বৰ হকে। কাৰণ মোৰ মনত জাতি-ধৰ্মৰ ভেদাভেদ নাই। তোমালোকৰ দোষ-ত্ৰুটিবোৰৰ পৰা হাত সাৰিব পাৰিলে কেৱল নিজৰেই নহয়, সমগ্ৰ ভাৰতৰো মংগল।'


*ফোন ঃ ৯৯৫৪০৩৮৭০৪*

# পৃথিৱীৰ বৃহত্তম কেইটামান হ্ৰদ

অনিতা গোস্বামী







১। **কাচপিয়ান চিঃ** কাচপিয়ান চি প্ৰকৃততে সাগৰ নে হ্ৰদ? সাগৰ বুলি কোৱা হ'লেও, কাচপিয়ান চি প্ৰকৃততে এটা হ্ৰদ। এক লাখ ৫২ হেজাৰ বৰ্গমাইল ইয়াৰ আয়তন। যি লেক ছুপিৰিয়ৰতকৈ প্ৰায় পাঁচগুণ ডাঙৰ। পাঁচখন দেশ আজাৰবাইজান, ইৰান, কাজাকস্তান, ৰাছিয়া আৰু তুৰ্কমেনিস্তান এই হ্ৰদৰ চাৰিওপিনে অৱস্থিত। ইয়াৰ পানী লুণীয়া হ'লেও, ইয়াৰ স'তে কোনো নদ বা সাগৰৰ সংযোগ নাই। বিশাল এই জলৰাশিক সেয়েহে হ্ৰদ বুলি কোৱা হয়। ইউৰোপ আৰু এছিয়াৰ প্ৰৱেশদ্বাৰ এই কাচপিয়ান চি। বিভিন্ন মাধ্যমেৰে ইউৰোপৰ নদী ভলগাৰ পানী আহি এই হ্ৰদত পৰে। পৃথিৱীৰ সকলো হ্ৰদৰ পানীৰ ৪০ ভাগ পানী এই কাচপিয়ান চিতেই আছে।

২। **লেক ছুপিৰিয়ৰ ঃ** উত্তৰ আমেৰিকাৰ সৰ্ববৃহৎ হ্ৰদ। এই লেক ছুপিৰিয়ৰ। এই হ্ৰদৰ উত্তৰে কানাডাৰ প্ৰদেশ ওনাৰিও আৰু দক্ষিণে যুক্তৰাষ্ট্ৰৰ অংগৰাজ্য উইকেনচিন আৰু মিচিগান অৱস্থিত। আয়তনৰ দিশৰ পৰা পৃথিৱীৰ সৰ্ববৃহৎ মিঠা পানীৰ লেক এইটো। ৩১,৮২৫ বৰ্গ কিলোমিটাৰৰ এই হ্ৰদ ছুপিৰিয়ৰ মাউথ ক্যাৰোলাইনাৰতকৈয়ো ডাঙৰ। ইয়াৰ সৰ্বোচ্চ দৈৰ্ঘ্য ৩৫০ মাইল আৰু প্ৰস্থ ১৬০ মাইল। ইয়াৰ উপৰি ইয়াৰ গভীৰতা প্ৰায় ৪৮২ ফুট আৰু সৰ্বোচ্চ গভীৰতা প্ৰায় ১,৩৩২ ফুট। হ্ৰদ ছুপিৰিয়ৰৰ সমূহ পানীয়ে সম্পূৰ্ণ উত্তৰ আৰু দক্ষিণ আমেৰিকাক এক ফুট পানীৰ তলত ঢাকি দিব পাৰিব।

৩। **লেক ভিক্টোৰিয়া ঃ** ভিক্টোৰিয়া হ্ৰদৰ কোনো সংযোগী নদী নাই, নাই কোনো জান-ঝৰণা। কেৱল বৰষুণৰ পানীয়েই ইয়াৰ আধাৰ। পৃথিৱীৰ তৃতীয় বৃহত্তম মিঠা পানীৰ হ্ৰদ এইটো। ২৫০ মাইল ওখ আৰু ১৩২ ফুট গভীৰ এই ভিক্টোৰিয়া লেক। অৱশ্যে শুকান আৰু বৰ্ষাকালত ইয়াৰ আয়তনৰ পৰিৱৰ্তন হয়। কেনিয়া, উগাণ্ডা আৰু টানজানিয়াৰ প্ৰায় তিনি হেজাৰ সৰু-ডাঙৰ দ্বীপ আছে এই লেকত। লগতে এই সমস্ত দ্বীপত আছে বহু মানুহৰ বসতি। তথাপি এই লেকৰ সকলোতকৈ ডাঙৰ দান হ'ল— পৃথিৱী বিখ্যাত নীল নদীৰ সৃষ্টি হৈছে ইয়াৰ পৰাই। কেৱল নীল নদীয়েই নহয়, ভিক্টোৰিয়া হ্ৰদৰ পৰা জন্ম হৈছে অসংখ্য সৰু আৰু ডাঙৰ নদী।

(৪) **লেক হুৰন ঃ** পৃথিৱীৰ চতুৰ্থ বৃহত্তম হ'লেও, এই হুৰন লেকত আছে সকলোতকৈ দীৰ্ঘ সমুদ্ৰতীৰ। প্ৰায় ৩০ হেজাৰ সৰু-ডাঙৰ দ্বীপেৰে আগুৰা এই লেকৰ আয়তন প্ৰায় ২৩ হেজাৰ বৰ্গ কিলোমিটাৰ। ইয়াৰ সকলোতকৈ ওখ দুই প্ৰান্তৰ দূৰত্ব ২৪৭ মাইল। মূলতঃ চেটমেৰিজ নদী আৰু ছুপিৰিয়ৰ লেকৰ পৰা পানী আহি পৰে এই হুৰনলেকত। তদুপৰি মেকিনাক খালেৰে এই হ্ৰদৰ কিছু পানী অহা যোৱা কৰে। পৃথিৱীৰ বিখ্যাত মিঠা পানীৰ দ্বীপ ম্যানিটোলিন এই লেকৰেই বাসিন্দা।

(৫) **লেক মিচিগান ঃ** লেক মিচিগান একমাত্ৰ লেক, যিটো সম্পূৰ্ণভাৱে আমেৰিকাৰ মাটিত আছে। এইটো পৃথিৱীৰ ভিতৰত পঞ্চম বৃহত্তম হ্ৰদ। ৫৮,০০০ বৰ্গ কিলোমিটাৰৰ এই লেকটোত নিয়মিত চন্দ্ৰৰ প্ৰভাৱত জোৱাৰ ভাটাও হোৱা দেখা যায়। বিশাল আকাৰৰ এই লেকটোত বহুতো নদী আৰু জান আহি মিলিছে। অৱশ্যে ইয়াৰ স'তে যুক্ত হোৱা সকলোতকৈ গুৰুত্বপূৰ্ণ নদী হ'ল ফলম উলফ, দ্য গ্ৰাণ্ডে আৰু কালামাজু নদী। ইণ্ডিয়ানা, মিচিগান আৰু উইনকনচিন নামৰ আমেৰিকাৰ চাৰিখন ৰাজ্য ই স্পৰ্শ কৰিছে এই লেকটোক। আৰু ১০টা লেকৰ দৰে লেক মিচিগানৰো আছে বেচ কিছু জাহাজ ডুব যোৱাৰ ঘটনা। বিশাল এই লেকটোৰ বা-বতাহ বেয়া থাকিলে ই বেছ বিপজ্জনক আৰু সেই কাৰণে ৰাডাৰ আৱিষ্কাৰ হোৱাৰ আগতে ইয়াত যথেষ্ট জাহাজ ডুব গৈছে। প্ৰকৃততে ইয়াৰ বেচ কিছু এলেকাত ইমান বেছি জাহাজ ডুব গৈছে যে একাংশ অঞ্চল পৰিচয় পাইছে যে স্বইচ্ছাই ডুব যাওতাসকলৰ স্বৰ্গৰাজ্য বুলি। মানুহে ইচ্ছা কৰিয়েই ইয়াত ডুব দিব যায়, প্ৰাচীন সকলোবোৰ ডুব যোৱা জাহাজৰ ভিতৰত গৈ চেষ্টা কৰে তাৰ বস্তু বাহানি বিচাৰি আনিবলৈ। প্ৰায় ১২ কোটি মানুহ বাস কৰে এই লেকৰ এলেকাত। এসময়ৰ বিপদ সংকুল এই লেক বৰ্তমান আধুনিক প্ৰযুক্তিৰ কাৰণে বহুখিনিয়েই নিৰাপদ। তদুপৰি ইয়াত চাৰিটা নাইটহাউছ এতিয়াও আছে সেই সময়ৰে স্মৃতি হিচাপে।

(৬) **লেক টাঞ্জানিকা ঃ** আফ্ৰিকাৰ এই হ্ৰদটো পৃথিৱীৰ ভিতৰত ষষ্ঠ বৃহত্তম লেক। আৰু লগতে দ্বিতীয় গভীৰতম লেকো। ইয়াৰ উপৰি বিশ্বৰ সকলোতকৈ দীঘল লেক বুলিও ইয়াক কোৱা হয়। ইয়াৰ চ্যাটে নাইট ছবি দেখিলে ধাৰণা হয় এটা সময়ত ই হয়তো এটা নদী আছিল। পাছত শুকাই গ'লেও তাৰ গভীৰ অংশটো লেক হিচাপে পৃথিৱীৰ বুকুত স্থান পাইছে। অৱশ্যে বৰ্তমানো বেচ কেইটামান নদীৰ স'তে এই লেকটোৰ যোগাযোগ আছে। ৩২,৯০০ বৰ্গ কিলোমিটাৰ আকাৰৰ এই লেকটো আফ্ৰিকাৰ টাঞ্জানিয়া, কংগো, বুৰুণ্ডি আৰু জাম্বিয়া নামেৰে চাৰিখন দেশ জুৰি আগুৰি আছে এই লেকটোৱে। ৰুজিজি নদী আৰু মালাগাৰাচি নদী এই লেকৰ মূলপানী সৰবৰাহকাৰী নদী। ইয়াৰ উপৰি অসংখ্য সৰু-ডাঙৰ নদী আৰু জানে আশে পাশে থকা পৰ্বতবোৰৰ পৰা পানী বোৱাই আনে এই লেকলৈ। পৃথিৱীৰ মুঠ মিঠা পানীৰ ১৬ শতাংশই এই লেকত আছে। ১২ কোটি বছৰ বয়সি এই লেকটো আফ্ৰিকাৰ ইক' ছিষ্টেমত অত্যন্ত গুৰুত্বপূৰ্ণ প্ৰভাৱ ৰাখে। লেকৰ মাজত আকৌ সৰু সৰু দ্বীপ আছে, যিবোৰ বৰ্তমান ট্যুৰিষ্ট আকৰ্ষণ হিচাপে উন্নয়নৰ পথত আছে বুলি জনা যায়। লেকটোত প্ৰায় আঠশটা ভিন্ন ভিন্ন ঠাইত মাছ ধৰা হয়। প্ৰায় এক কোটি মানুহৰ প্ৰ'টিনৰ চাহিদা এই লেকটোৱে পূৰণ কৰে। ইয়াৰ উপৰি আৰু বেচ কিছু শিল্প নিৰ্ভৰ কৰে এই লেকটোৰ ওপৰত।

(৭) **বৈকাল হ্ৰদ ঃ** বৈকাল হ্ৰদৰ নামটো আমাৰ সকলোৰে পৰিচিত। সম্পূৰ্ণভাৱে ৰাছিয়াত অৱস্থিত এই লেকটো সপ্তম বৃহত্তম লেক। বৈচিত্ৰ্যময় স্থলজ আৰু জলজ জীৱৰে ভৰপূৰ এই হ্ৰদটোৰ নাম শুনিলে বাংলা যেন লাগিলেও প্ৰকৃততে এইটো ৰাছিয়ান শব্দ। ইয়াৰ ইংৰাজী ইনল দ্য নেচাৰ লেক। বৈকাল হ্ৰদটো আকাৰত সপ্তম স্থানত থাকিলেও, গভীৰতাত কিন্তু ই বিশ্বৰ প্ৰথম স্থান দখলকাৰী।আয়তন ৩১,৭২২ বৰ্গ কিলোমিটাৰ আৰু ইয়াৰ গভীৰতা ৫,৬৭০ ফুট। বিশাল আকাৰ আৰু সকলোতকৈ বেছি গভীৰ হোৱা কাৰণে বৈকাল হ্ৰদৰ আছে এক বিৰল বৈশিষ্ট্য। পৃথিৱীৰ মুঠ পানীৰ মাত্ৰ তিনি শতাংশ নিয়মীয়া হয়। এই তিনি শতাংশ পানীৰ ভিতৰত ৬৮ শতাংশ হিমবাহ আৰু গ্লেচিয়াৰে আগুৰি আছে। ৩০ ভাগ আছে মাটিৰ তলত। মাত্ৰ ০.৩ শতাংশ পোৱা যায় বিভিন্ন পুখুৰী, লেক, নদী ইত্যাদিত। বৈকাল হ্ৰদৰ আৰু এটি মজাৰ বৈশিষ্ট্য হ'ল- এইটো পৃথিৱীৰ সকলোতকৈ স্বচ্ছ পানীৰ লেক আৰু সকলোতকৈ প্ৰাচীন লেকো অৱশ্যে। গৱেষণা কৰি দেখা গৈছে, ইয়াৰ বয়স প্ৰায় ২৫ কোটি বছৰ। এই লেক অত্যন্ত গভীৰ হোৱাৰ কাৰণে ইয়াক ঘেৰি আছে নানাধৰণৰ গল্প কথা আৰু কিংবদন্তি। বৈকালত চলোৱা হৈছে নানাৰকমৰ গৱেষণা। ২০০৮ত এই লেকত ৰাছিয়ান চৰকাৰৰ পক্ষৰ পৰা নমোৱা হয় দুখন ছাবমেৰিন, ইয়াৰ গভীৰত কি আছে জানিবৰ বাবে। বৈকাল লেক অত্যন্ত জনপ্ৰিয় এটি ট্যুৰিষ্ট আকৰ্ষণো। লোকটোৰ আশে-পাশে আছে বিভিন্ন হোটেল আৰু অৱকাশ যাপন কেন্দ্ৰ।

৮। **লেক গ্ৰেট বেয়াৰ ঃ** পৃথিৱীৰ অষ্টম বৃহত্তম লেক হ'ল গ্ৰেট বেয়াৰ। সম্পূৰ্ণভাৱে কানাডাত থকা এই লেকটোৰ আয়তন ৩১,০৮০ বৰ্গকিলোমিটাৰ। এই লেকটোৰ আয়তন কিছু বিচিত্ৰ। দেখিলে ধাৰণা হয় কোনো প্ৰাণীয়ে হাত-ভৰি মেলি যেন শুই আছে। এটা দুটা নহয়, সাতটা ডাঙৰ ডাঙৰ নদী আহি এই লেকত সংযুক্ত হৈছে। বছৰৰ বেছিভাগ সময় এই লেকটোত বৰফ জমা হৈ থাকে। ইয়াত নেউল আৰু বনৰীয়া কুকুৰকে ধৰি নানা ৰকমৰ বন্যপ্ৰাণী বসবাস কৰে। তদুপৰি ইয়াত পোৱা যায় ট্ৰাউট মাছৰ সম্ভাৰ। শীত আৰু গৰম, দুয়োটা ঋতুতেই মাছ ধৰাৰ আশাত মানুহ ইয়ালৈ আহে। শীত কালত যেতিয়া সম্পূৰ্ণকৈ বৰফ জমা হয়, তেতিয়া মানুহ ইয়ালৈ আহে আইচ ফিচিং কৰিবলৈ। লেকৰ বৰফ কৰতৰে গাঁত কৰা হয়। বৰফৰ স্তৰ ভেদ কৰি তলত যেতিয়া পানী দেখা যায়, সেই ঠাইত তেতিয়া বৰশি পেলাই মাছ ধৰা হয়। তদুপৰি লেকৰ ওপৰত বিভিন্ন সময়ত জে ৰেচ হোৱাও দেখা যায়। ১৯৩০ত এই লেকৰ ধাৰত ইউৰেনিয়ামৰ খনি পোৱা যায়, যদিও সেই খনি বৰ্তমান নিস্ব প্ৰায়। লেক গ্ৰেট বেয়াৰ কানাডাৰ একমাত্ৰ লেক নহয়, আকৌ কানাডাৰ বৃহত্তম লেকো নহয়। আৰু দুটা বিশাল বিশাল হ্ৰদ আছে কানাডাত।

(৯) **লেক মালাওই ঃ** এইটো আফ্ৰিকাৰ এটা লেক। টাঞ্জনিয়া আৰু মোজাম্বিক, এই দুটা আফ্ৰিকান দেশ জুৰি এই লেকটোৰ অৱস্থান। বিশ্বৰ ভিতৰত নৱম হ'লেও আফ্ৰিকাৰ তৃতীয় বৃহত্তম লেক এইটো। ইয়াৰ আয়তন ২৯,৬০০ বৰ্গ কিলোমিটাৰ। বিশাল এই লেকটোত যিমান ধৰণৰ ভিন্ন ভিন্ন মাছৰ সম্ভাৰ দেখা যায়, আৰু কোনো লেকতে ইমান বিচিত্ৰ মাছ পোৱা নাযায়। এই লেকৰ সকলোতকৈ গভীৰ ঠাইখিনিৰ গভীৰতা প্ৰায় ২,৩১৬ ফুট। কে'বাশও জাহাজ এই লেকত ডুবি গৈছে। বেচ কেইটামান নদীৰ পৰা পানী আহি ইয়াত জমা হয়। তাৰ ভিতৰত সকলোতকৈ ডাঙৰ নদীটোৰ নামো বেচ মজাৰ—'ৰুহুহু' । লেকৰ বাঢ়ি অহা পানীৰে আৰু এটা নদী হৈ ওলাই আহে তাৰ নাম হ'ল শায়াৰ। এই শায়াৰ নদীটো জাম্বেদি নদীত পৰিছে। পৰ্তুগিজ ব্যৱসায়ী ক্যানডিডো গেচে ডা কোষ্টা কাৰডোচোই প্ৰথম ইউৰোপিয়ান, যিয়ে লেকটো ১৮৪৬ত দেখা পায়। ইয়াৰ পাছত আৰু এক বিখ্যাত অভিযাত্ৰী ডেভিড লিভিংষ্টোনে ১৮৪৯ত এই লেকলৈ যায় আৰু নামকৰণ কৰে 'লেক নিচা'। ২০১১ত লেকৰ মোজাম্বিক অংশটো ৰিজাৰ্ভজ হিচাপে ঘোষণা কৰা হয় আৰু টাঞ্জালিয়াৰ অংশটো নেছনেল পাৰ্কৰ অংশ হিচাপে গ্ৰহণ কৰা হয়। ২০১৫ত ঘটা এটা দুৰ্ঘটনাই এই লেকটোক বিশ্বৰ দৃষ্টিত লৈ আহে। লেকৰ উত্তৰত থকা এটা ইউৰেনিয়াম খনিৰ পৰা ৫০ লিটাৰ খনিজ বহন কৰি লৈ যোৱাৰ সময়ত জোৱাৰ ভাটা উঠে আৰু তাতে ডুব যায় বহনকাৰী জাহাজখন। পৰিৱেশবিদসকলে আতংকিত হৈছিল এই চিন্তা কৰি যে, এই পৰিমাণৰ তেজষ্ক্ৰিয় পদাৰ্থই লেকৰ জৈৱ জীৱনত সাংঘাতিক প্ৰভাৱ পেলাব। কেইটামান বৈজ্ঞানিকৰ দলে পৰীক্ষা চলাই দেখে যে খনিজবোৰ তেতিয়াও প্ৰোচেচ কৰা হোৱা নাই কাৰণে তেজষ্ক্ৰিয় হৈ উঠা নাই। আৰু সেয়েহে লেকৰ জৈৱ বৈচিত্ৰ্যত বিশেষ কোনো প্ৰভাৱ নেপেলাব বুলিয়েই তেওঁলোকে সিদ্ধান্ত লয়।

*ফোন ঃ ৯৮৬৪২৯৫০২৪*

# সম্প্ৰীতিৰ বাৰ্তাবাহক মহামায়া মন্দিৰ

গোপাল জালান



অসমৰ উল্লেখযোগ্য ধামসমূহৰ ভিতৰত অন্যতম হ'ল মহামায়া। এই থানখনলৈ নিতৌ হেজাৰ হেজাৰ ভক্তৰ আগমন ঘটে। উদ্দেশ্য সকলোৰে এটাই— মহামায়া দৰ্শন। কাৰণ মহামায়া দেৱীক দৰ্শন কৰিলে জীৱন ধন্য হয় বুলি এতিয়াও সকলোৱে বিশ্বাস কৰে। মহিমাময়ী মহামায়াৰ শক্তিৰ কথা বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি। এই থানখনলৈ আহিলে মন্দিৰ দৰ্শনৰ লগতে প্ৰাকৃতিক সৌন্দৰ্যও উপভোগ কৰিব পাৰি। মহামায়ালৈ আগতে এবাৰ গৈছিলো যদিও সময় কম হোৱাৰ বাবে তৎক্ষণাৎ আহিবলগীয়া হৈছিল। সেয়েহে যোৱা পহিলা মে'ৰ পুৱাই পুনৰ দৰ্শনৰ বাবে গ'লো। সমন্বয়ৰ বাৰ্তা বহনকাৰী মহামায়ালৈ যোৱাৰ পাছতে মনটো প্ৰফুল্ল হৈ উঠে। মোৰ লগত দুজন বন্ধু গৈছিল। সিদিনা তাত হেজাৰ হেজাৰ ভক্তৰ আগমন ঘটিছিল। আমি গৈয়েই মহামায়া ধাম মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰদীপ ভট্টাচাৰ্যক লগ পালো। তেওঁৰ বাবে আমি সোনকালে মন্দিৰটো দৰ্শন কৰাত সহায় হ'ল। সময়মতে ভোগ, প্ৰসাদ গ্ৰহণ কৰি মন্দিৰৰ আশে-পাশে ঘূৰিলো।

মহামায়া হ'ল সমন্বয়ৰ প্ৰতীক। এই মন্দিৰটোলৈ বিভিন্ন জাতি-জনগোষ্ঠীৰ লোক আহে দেৱীক দৰ্শনৰ বাবে। সকলো ধৰ্মৰ লোকে ইয়ালৈ আহিবলৈ ইচ্ছা কৰাটোৱে থানখনৰ প্ৰতি থকা আন্তৰিকতা আৰু ভক্তি ভাৱৰ প্ৰকাশ কৰে। পূৰ্বৰ তুলনাত মন্দিৰটোৰ যথেষ্ট উন্নতি হৈছে। পৰ্যটনৰ ক্ষেত্ৰখনৰো পৰিসৰ বৃদ্ধি হ'ল। ইয়াত দেখা পোৱা আন এক বৈশিষ্ট্য হ'ল মন্দিৰটোৰ সুৰক্ষাৰ বাবে সকলো ধৰ্মৰ লোকেই পদক্ষেপ গ্ৰহণ কৰাটো। যেতিয়া কোনো অপশক্তিয়ে মন্দিৰৰ অনিষ্ট সাধন কৰিবলৈ চেষ্টা চলাইছে তেতিয়াই ইয়াৰ আশে-পাশে থকা সকলো ধৰ্মৰ লোকেই সুৰক্ষা দিবলৈ একেলগে ওলাই আহিছে। বৃহত্তৰ অঞ্চলটোৰ বাসিন্দাসকলৰ মাজত থকা ভ্ৰাতৃত্ববোধৰ এয়াই সুন্দৰ চানেকি।

মন্দিৰটো পূৰ্বৰ তুলনাত যথেষ্ট আকৰ্ষণীয় হৈছে। পৰ্যটকৰ বাবে যথেষ্ট সুবিধাও কৰা হৈছে। অৱশ্যে এইবাৰ এটা কথা অনুভৱ হ'ল যে মন্দিৰত ভক্তসকলে যেতিয়া দীঘলীয়া শাৰী পাতিবলগীয়া হয়, তেতিয়া কিছু পৰিমাণে বিশৃংখল পৰিস্থিতিৰ সৃষ্টি নোহোৱা নহয়। সেইবাবে দীঘলীয়া ৰেলিঙেৰে এফালে প্ৰৱেশ আৰু আনফালে যদি প্ৰস্থানৰ সুন্দৰ ব্যৱস্থা কৰে তেনেহ'লে নিশ্চয় দৰ্শনাৰ্থীয়ে ভাল পাব। সাধাৰণতে বহিঃৰাজ্যৰ মঠ-মন্দিৰ আদিত এনেধৰণৰ সু-ব্যৱস্থা আছে। বৈষ্ণোদেৱী মন্দিৰত নিতৌ হেজাৰ হেজাৰ ভক্তৰ আগমন ঘটাৰ পাছতো কোনো বিশৃংখল পৰিস্থিতিৰ সৃষ্টি নহয়। সকলোৱে শৃংখলাৱদ্ধভাৱে শাৰী পাতি থাকিবলৈ বাধ্য। এনে হ'লে বিপদ হোৱাৰো আশংকা নাথাকে। তদুপৰি সৌন্দৰ্য বৰ্ধনো হয়। থান পৰিচালনা সমিতিয়ে দৰ্শনাৰ্থীৰ বাবে যি পদক্ষেপ গ্ৰহণ কৰিছে সেয়া প্ৰশংসনীয়। অৱশ্যে বিদেশী পৰ্যটকৰ বাবে আৰু অধিক সু-ব্যৱস্থা কৰাৰ প্ৰয়োজন আছে। কাৰণ ৰূপসী বিমানকোঠ সম্পূৰ্ণৰূপে সাজু হৈ উঠাৰ পাছত মহামায়ালৈ যে ভক্ত-দৰ্শনাৰ্থীৰ সোঁত ব'ব সেয়া নিশ্চিত। এইক্ষেত্ৰত ৰাজ্যৰ পৰ্যটন বিভাগেও পদক্ষেপ গ্ৰহণ কৰিব লাগিব। কাৰণ এনেবোৰ অঞ্চলত যিমানেই পৰ্যটকৰ সংখ্যা বৃদ্ধি পাব সিমানেই নিবনুৱা যুৱক-যুৱতীসকলেও কৰ্মসংস্থাপনৰ পথ মুকলি কৰিব পাৰিব। এতিয়া ৰাজ্যত নিবনুৱা লোকৰ সংখ্যা অস্বাভাৱিকভাৱে বৃদ্ধি পাবলৈ ধৰিছে। যদিহে পৰ্যটনৰ যোগেদি এইবোৰ অঞ্চলত কৰ্মসংস্থাপনৰ উৎস স্থাপন কৰিব পাৰে, তেতিয়া অঞ্চলটোৰ সামগ্ৰিক উন্নয়নৰ লগতে বহুতেই কাম কৰাৰো নিশ্চয় সুযোগ লাভ কৰিব।

মহামায়া যে সম্প্ৰীতিৰ নিদৰ্শন সেই প্ৰসংগত ২০১৭ৰ ডিচেম্বৰত থানখনলৈ যোৱাৰ সময়ত লাভ কৰা এটা ঘটনাৰ বিষয়ে উল্লেখ কৰিব খুজিছো। ধুবুৰীত অনুষ্ঠিত অসম সাহিত্য সভাৰ শতবৰ্ষৰ সামৰণি অনুষ্ঠানৰ মূল অনুষ্ঠানটোত অংশগ্ৰহণৰ বাবে যাওঁতে মহামায়াত সোমোৱাৰ কথা ভাবিলো। এজন বন্ধুক ফোন কৰি জনোৱাত বন্ধুজনে ক'লে যে তেতিয়া থানখনত খুব ভিৰ হয়। বন্ধুজনে অৱশ্যে নজৰুল ইছলাম নামৰ এজন লোকৰ ফোন নম্বৰটো দিলে। মই অলপ আচৰিত হ'লো এইবাৰ যে মন্দিৰ দৰ্শনৰ স'তে নজৰুলৰ সম্পৰ্ক কি হ'ব পাৰে। তথাপি নজৰুলক ফোন কৰিলো। তেওঁক মোৰ পৰিচয় দিয়াৰ লগে লগে ইছলামে মহামায়া মন্দিৰৰ এগৰাকী ব্যক্তিৰ ফোন নম্বৰ দিলে। মহামায়ালৈ গ'লে সকলো ব্যৱস্থা কৰি দিব বুলি ইছলামে ক'লে। ইয়াৰ পাছত এঘণ্টা সময় গাড়ীৰে গৈ থাকোতেই ইছলামে মোক তিনিবাৰ ফোন কৰি সুধিছিল— কিবা অসুবিধা হৈছিল নেকি? মন্দিৰত উপস্থিত হোৱাৰ পাছত জানিব পাৰিলো যে ইতিমধ্যে ইছলামে আমাৰ বাবে সকলো ব্যৱস্থা কৰি থৈছে। মনটো এইবাবে ভাল লাগিল যে ইছলাম ধৰ্মাৱলম্বী হোৱাৰ পাছতো মন্দিৰ দৰ্শনৰ বাবে সকলো ব্যৱস্থা কৰি দিব পৰা ক্ষমতা আছে ইছলামৰ। দৰাচলতে এই মন্দিৰটোৰ প্ৰতি থকা অগাধ আনুগত্য তথা শ্ৰদ্ধাৰ বাবেই ইছলামে মন্দিৰৰ ভিতৰচ'ৰাৰ স'তে সু-সম্পৰ্ক ৰক্ষা কৰিব পাৰিছে। এয়া হ'ল ভ্ৰাতৃত্ববোধৰ চানেকি। যিসময়ত মানুহৰ মাজত অসহিষ্ণুতাই গা কৰি উঠিছে সেই সময়তো একাংশ লোকে নীৰৱে সকলো জাতি-জনগোষ্ঠী, বিভিন্ন ধৰ্মৰ লোকৰ মাজত সম্প্ৰীতিৰ নিদৰ্শন দাঙি ধৰিছে।

মন্দিৰটো কে'বাশ বছৰ পুৰণি। এইটো মন্দিৰ স্থাপনৰ আঁৰত লুকাই আছে এক কাহিনী। এই প্ৰসংগত ৰজনীকান্ত শাস্ত্ৰীয়ে 'পৰ্বতজোৱাত মহামায়া' শীষক পুথিখনত লিখিছে— 'কিংবদন্তি মতে জনা যায় পাবনা জিলাৰ অন্তৰ্গত তোকচান্দপুৰ নিবাসী এজন কাঠ বেপাৰীয়ে মহামায়াৰ যি অনুগ্ৰহ লাভ কৰিছিল, তাৰ ফলতেই আজি ভক্তসকলে জগদীশ্বৰী ৰাজ ৰাজেশ্বৰী মহাশক্তি বা মহামায়াক এইদৰে সেৱা আৰু আৰাধনা কৰিবলৈ পৰম সুযোগ লাভ কৰিছে। এই ঘটনাৰ পৰা বুজা যায় যে কেতিয়াবা কেতিয়াবা ভক্ত বা সেৱকক ভগৱান বা ভগৱতীয়ে স্বেচ্ছাই অনুগ্ৰহ দেখুৱাই নিজৰ মহিমা বিস্তাৰৰ পথ সুগম কৰি তোলে।' যোল্ল শতিকাৰ শেষৰ দশকত পাবনা জিলাৰ তোকচান্দপুৰ নামৰ গাঁওখনৰ বাসিন্দা কাঠ বেপাৰী এজনে ইয়ালৈকে কাঠ কিনিবলৈ আহিছিল।

বৰ্ষা ঋতুত তেওঁ এই দেশলৈ কাঠ কিনিবলৈ আহি বিপদৰ সন্মুখীন হৈছিল। ব্যৱসায়ীজনে পৰ্বতজোৱাৰ পৰগনাৰ বিষ্ণুপুৰ নামৰ ঠাইৰ অলপ উত্তৰে কাঠ কিনি তেওঁৰ প্ৰকাণ্ড মালবাহী নাৱত বোজাই দিলে। বিৰাট নাওখনত কাঠ বোজাই দি নিশা যাত্ৰা কৰাৰ পাছতে ধুমুহাত বিধ্বস্ত হৈছিল। নাৱৰীয়া আৰু বেপাৰীয়ে দিক্-



বিদিক হেৰুৱালে। বেপাৰীজনে কোনোমতে প্ৰাণ ৰক্ষা কৰিলে যদিও নাৱৰ আন লোক সন্ধানহীন হৈ পৰে নদীত। পাছত বেপাৰীজনে দেৱীৰ দৰ্শন লাভ কৰি পুনৰ নাওসহ সকলো সংগীকে ঘূৰাই পালে। তাৰ পাছতে আৰম্ভ হ'ল মন্দিৰ নিৰ্মাণৰ প্ৰাৰম্ভিক পৰ্যায়। প্ৰথম অৱস্থাত উক্ত স্থানত অটব্য অৰণ্য আছিল। নিশা বাদেই— দিনতো মানুহে প্ৰৱেশ কৰিবলৈ ভয় কৰিছিল। অৱশ্যে মন্দিৰ স্থাপনৰ পাছত ওচৰে-পাঁজৰে মানুহে বসতি স্থাপন কৰিবলৈ ধৰিলে। পৰ্যায়ক্ৰমে মন্দিৰৰ উন্নতি আৰু স্থানীয় লোকৰ প্ৰচেষ্টাতে আজি থানখনে এই ৰূপ পালে।

*ফোন ঃ ৯৪৩৫১-০৩৯৭৭*



## লালুৰ বিৰুদ্ধে দুৰ্নীতিৰ নতুন অভিযোগ, ১৫ স্থানত চিবিআইৰ তালাচী

**নিউজ ব্যুৰ’**
**পাটনা, ২০ মে’ ঃ** পশুখাদ্য কেলেংকাৰিৰ গোচৰত জামিন লাভৰ কেইদিনমান পাছতে বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা আৰ জে ডিৰ মুৰব্বী লালুপ্ৰসাদ যাদৱৰ বিৰুদ্ধে দুৰ্নীতিৰ নতুন অভিযোগ উত্থাপিত হ’ল। বিহাৰৰ মুখ্যমন্ত্ৰী হৈ থকাৰ সময়ত চাকৰিত নিযুক্তিত দুৰ্নীতিৰ অভিযোগ উত্থাপিত হ’ল লালুৰ বিৰুদ্ধে। যোৱা বুধবাৰে কেন্দ্ৰীয় তদন্তকাৰী সংস্থাই চিবিআয়ে লালুৰ বাসগৃহসহ মুঠ ১৫ টা ঠিকনাত তালাচী অভিযান চলাইছিল। উল্লেখ্য যে পশুখাদ্য কেলেংকাৰিৰ গোচৰত চিবিআইৰ বিশেষ আদালতে যোৱা ফেব্ৰুৱাৰীত লালুক পাঁচ বছৰৰ কাৰাদণ্ড আৰু ৬০ লাখ টকাৰ জৰিমনা বিহিছিল। যোৱা মাহত ঝাৰখণ্ড উচ্চ ন্যায়ালয়ে লালুক জামিনত মুক্তি দিছিল।

## দেশত পৰীক্ষামূলক ৫জি সেৱা আৰম্ভ, প্ৰথম ফোনকল কৰিলে টেলিকম মন্ত্ৰীয়ে



**নিউজ ব্যুৰ’, চেন্নাই, ২০ মে’ ঃ** দেশত প্ৰথমটো ৫জি ফোনকল কৰিলে টেলিকম মন্ত্ৰী অশ্বিনী বৈষ্ণৱে। বিগত কিছুদিন ধৰি আই আই টি মাদ্ৰাজত ৫জি টেলিকম সেৱাৰ পৰীক্ষামূলক অভিযান অব্যাহত আছে। অৱশেষত উক্ত প্ৰতিষ্ঠানতে পৰীক্ষামূলকভাৱে প্ৰথম ৫জি অডিঅ’ আৰু ভিডিঅ’ দুই ধৰণৰ ফোনকল কৰিলে টেলিকম মন্ত্ৰী বৈষ্ণৱে। সামাজিক মাধ্যমত নিজৰ এই অভিজ্ঞতাৰ কথা ব্যক্ত কৰি টেলিকম মন্ত্ৰীয়ে এইদৰে কয়, ‘আই আই টি মাদ্ৰাজত সফলভাৱে ৫জি কল কৰা হ’ল। এই সম্পূৰ্ণ ‘এণ্ড টু এণ্ড নেটৱৰ্ক’ ভাৰততে তৈয়াৰ কৰা হৈছে।’ চলিত বৰ্ষৰ ভিতৰতে ভাৰতত ৫জি টেলিকম সেৱা আৰম্ভ হোৱাৰ সম্ভাৱনা আছে। প্ৰকাশিত বাতৰি অনুসৰি ৫জি সেৱাৰ অধীনত ডেটা ডাউনলোডৰ গতি ১০ গুণ বৃদ্ধি পাব।

## মহিলা নিউজ এংকৰক মুখ ঢাকি বাতৰি পৰিবেশনৰ নিৰ্দেশ তালিবান চৰকাৰৰ



**নিউজ ব্যুৰ’, কাবুল, ২০ মে’ ঃ** তালিবানে আফগানিস্তান দখল কৰাৰ পাছৰে পৰা দেশখনৰ মহিলাৰ বিৰুদ্ধে এটাৰ পাছত আন এটা নিষেধাজ্ঞা আৰোপ কৰি আহিছে। এইবাৰ তালিবান চৰকাৰে আফগান টেলিভিছন চেনেলত কৰ্মৰত মহিলা এংকৰক অনুষ্ঠান পৰিবেশনৰ সময়ত চেহেৰা ঢাকি ৰাখিবলৈ নিৰ্দেশনা জাৰি কৰিলে। তালিবানৰ তথ্য আৰু সাংস্কৃতিক মন্ত্ৰণালয়ে এক বিবৃতিত নিৰ্দেশনা জাৰি কৰি কয় যে দেশখনৰ সকলো টেলিভিছন চেনেলত মহিলা এংকৰে অনুষ্ঠান পৰিবেশনৰ সময়ত নিজৰ চেহেৰা ঢাকি ৰাখিব লাগিব।

## বাইডেনক সাক্ষাৎ ফিনলেণ্ড-ছুইডেনৰ নেতাৰ



**নিউজ ব্যুৰ’, ৱাশ্বিংটন, ২০ মে’ ঃ** উত্তৰ আটলাণ্টিক চুক্তি সংগঠন (নাটো)ৰ সদস্য পদৰ বাবে আবেদন দাখিল কৰাৰ পাছত ছুইডেনৰ প্ৰধানমন্ত্ৰী মেগডেলেনা এণ্ডাৰছন আৰু ফিনলেণ্ডৰ ৰাষ্ট্ৰপতি চাউলী নিনিষ্টই হোৱাইট হাউছত আমেৰিকাৰ ৰাষ্ট্ৰপতি জ’ বাইডেনক সাক্ষাৎ কৰিলে। বাইডেনে দুয়োজন নেতাক স্বাগতম জনাই নাটোত অন্তৰ্ভুক্ত হোৱাৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ বাবে প্ৰশংসা কৰে। বাইডেনে কয় যে এয়া এক ঐতিহাসিক সুযোগ আৰু ফিনলেণ্ড-ছুইডেনৰ এই সিদ্ধান্তই ইউৰোপত নিৰাপত্তা সুনিশ্চিত কৰিব। দুই ৰাষ্ট্ৰনেতাৰ স’তে সাক্ষাৎকালত বাইডেনে তুৰস্কৰ আপত্তিৰ প্ৰসংগত সমস্যা সমাধানৰ প্ৰতিশ্ৰুতি দিয়ে। মাৰ্কিন ৰাষ্ট্ৰপতিয়ে কয় যে ফিনলেণ্ড আৰু ছুইডেনৰ নাটোত অন্তৰ্ভুক্তকৰণৰ ক্ষেত্ৰত তুৰস্কই বাধা হিচাপে থিয় নিদিয়ে। উল্লেখ্য যে ৰাছিয়াই ইউক্ৰেইনত আক্ৰমণ চলোৱাৰ পাছতে ছুইডেন আৰু ফিনলেণ্ডে নিজ দেশৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ আমেৰিকা নেতৃত্বাধীন নাটোত সদস্যৰাষ্ট্ৰ হিচাপে অন্তৰ্ভুক্ত হোৱাৰ সিদ্ধান্ত ল’লে।

## ২৭ মাহৰ পাছত কাৰাগাৰৰ পৰা জামিনত মুক্তি লাভ আজমৰ



**নিউজ ব্যুৰ’, লক্ষ্ণৌ, ২০ মে’ ঃ** সমাজবাদী পাৰ্টিৰ জ্যেষ্ঠ নেতা আজম খানে আজি কাৰাগাৰৰ পৰা মুক্তি লাভ কৰিলে। ২৭ মাহ ধৰি উত্তৰ প্ৰদেশৰ সীতাপুৰ কাৰাগাৰত বন্দী হৈ থকাৰ পাছত খানে আদালতৰ নিৰ্দেশত জামিনত মুক্তি লাভ কৰিলে। এদিন পূৰ্বে উচ্চতম ন্যায়ালয়ে খানৰ অন্তৰ্বৰ্তী জামিন আবেদন মঞ্জুৰ কৰিছিল। শিৱপাল যাদৱ আৰু খানৰ পুত্ৰ আব্দুলা খানে আজি সীতাপুৰ কাৰাগাৰলৈ গৈ সমাজবাদী নেতাজনক আদৰণি জনায়।

### পৰিয়াল স্বাস্থ্য সমীক্ষাৰ চাঞ্চল্যকৰ তথ্য ঃ দেশত বিগত ১৫ বছৰত হ্ৰাস পাইছে সুৰাপানৰ প্ৰৱণতা

# চহৰ নহয়, ভাৰতত গ্ৰামবাসীয়েহে অধিক সুৰাপান কৰে

**নিউজ ব্যুৰ’**
**নতুন দিল্লী, ২০ মে’ ঃ** ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য সমীক্ষা (এন এফ এইচ এছ)-৫ৰ প্ৰতিবেদনত ভাৰতত সুৰাপান সন্দৰ্ভত চাঞ্চল্যকৰ তথ্য পোহৰলৈ আহিলে। এই সমীক্ষাৰ তথ্য অনুসৰি দেশৰ চহৰ অঞ্চলৰ পৰিৱৰ্তে গ্ৰামাঞ্চলৰ পুৰুষ-মহিলাই সৰ্বাধিক সুৰাপান কৰে। সামগ্ৰিকভাৱে দেশৰ ১৫ বছৰ বা ততোধিক বয়সৰ মহিলাসকলৰ এক শতাংশই সুৰাপান কৰে। আনহাতে, একে বয়সৰ ১৯ শতাংশ ভাৰতীয় পুৰুষে সুৰাপান কৰি আহিছে। এই হাৰ গ্ৰামাঞ্চলত মহিলাৰ ক্ষেত্ৰত ১.৬ শতাংশ আৰু চহৰ অঞ্চলত মহিলাৰ ক্ষেত্ৰত ০.৬ শতাংশ। ১৫ বছৰ বা ততোধিক বয়সৰ সুৰাপায়ীৰ মুঠ পুৰুষৰ মাজত গ্ৰামাঞ্চলত ১৯.৯ শতাংশ আৰু চহৰ অঞ্চলত ১৬.৫ শতাংশ পুৰুষে সুৰাপান কৰি আহিছে। সামগ্ৰিকভাৱে দেশত বিগত ১৫ বছৰত সুৰাপানৰ প্ৰৱণতা হ্ৰাস পাইছে। ২০০৫-০৬ বৰ্ষত ভাৰতৰ ৩৫-৪৯ বছৰ বয়সৰ প্ৰতি ১০ জন পুৰুষৰ মাজত চাৰিজন অৰ্থাৎ ৩৯ শতাংশই সুৰাপান কৰিছিল। ২০১৫-১৬ বৰ্ষত এই হাৰ ৩৬.৮ শতাংশ ২০১৯-২১ বৰ্ষত ২৭.৪ শতাংশলৈ হ্ৰাস পায়। এন এফ



এইচ এছ-৫ তথ্য অনুসৰি তেলেংগানা, অৰুণাচল প্ৰদেশ, অসমৰ একাংশ, ঝাৰখণ্ড, চত্তিছগড় আৰু ওড়িছাত ১৫ বছৰ বা ততোধিক বয়সৰ পুৰুষৰ মাজত সুৰাপানৰ প্ৰৱণতা বৃদ্ধি পাইছে। এই ৰাজ্যসমূহত পুৰুষৰ মাজত সামগ্ৰিকভাৱে সুৰাপানৰ হাৰ হৈছে ৪০ শতাংশ বা ততোধিক। মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ, পশ্চিমবংগ, মহাৰাষ্ট্ৰ আৰু বিহাৰৰ দৰে জনবহুল ৰাজ্যত সুৰাপানৰ অনুপাত ৰাষ্ট্ৰীয় গড়ৰ সমান বা কম।

ভাৰতৰ সকলো ৰাজ্যৰ ভিতৰত অৰুণাচল প্ৰদেশত পুৰুষ আৰু মহিলা উভয়ৰ ক্ষেত্ৰতে সুৰাপায়ীৰ সংখ্যা সবাতোকৈ অধিক। এইখন ৰাজ্যত ৫৩ শতাংশ পুৰুষ আৰু ২৪ শতাংশ মহিলাই সুৰাপান কৰে। মহিলাৰ নিৰিখত সুৰাপানৰ ক্ষেত্ৰত দ্বিতীয় স্থানত আছে ছিকিম। ছিকিমৰ ১৬ শতাংশ মহিলাই সুৰাপান কৰে। পুৰুষৰ ক্ষেত্ৰত সুৰাপানত শীৰ্ষত আছে তেলেংগানা। এইখন ৰাজ্যত ৪৩ শতাংশ পুৰুষে সুৰাপান কৰি আহিছে। অৰুণাচল প্ৰদেশ আৰু তেলেংগানাৰ বাদে অসমৰ উজনি অঞ্চল, ঝাৰখণ্ড, চত্তিছগড়ৰ বস্তাৰ অঞ্চল, ওড়িছাৰ চোতনাগপুৰ অঞ্চলত পুৰুষৰ মাজত সুৰাপানৰ প্ৰৱণতা ৪০ শতাংশ বা ততোধিক। চত্তিছগড়, উত্তৰাখণ্ড, মণিপুৰ, মেঘালয়, ত্ৰিপুৰা, ওড়িছাৰ কে’বাখনো জিলাত পুৰুষৰ মাজত সুৰাপানৰ হাৰ ৩০-৪০ শতাংশৰ ভিতৰত আছে। দেশৰ ভিতৰতে সৰ্বনিম্ন ০.৪ শতাংশ সুৰাপানৰ হাৰ হৈছে লাক্ষাদ্বীপত। সুৰা নিষিদ্ধ ৰাজ্য হোৱাৰ পাছতো বিহাৰত সুৰাপায়ীৰ সংখ্যা উত্তৰ প্ৰদেশ, ৰাজস্থান আৰু মহাৰাষ্ট্ৰতকৈ অধিক। এই তিনি ৰাজ্যত সুৰাৰ বিক্ৰী আৰু পানত কোনো বাধা নাই। বিহাৰত ১৫ বছৰ বা ততোধিক বয়সৰ পুৰুষৰ ১৫ শতাংশই সুৰাপান কৰে। এই হাৰ ৰাজস্থানত ১১ শতাংশ, মহাৰাষ্ট্ৰত ১৩.৯ শতাংশ আৰু উত্তৰ প্ৰদেশত ১৪.৫ শতাংশ। ২০১৬ত বিহাৰত সুৰা নিষিদ্ধ কৰা হৈছিল। কিন্তু ইয়াৰ পাছতো বিহাৰত সুৰাপানৰ হাৰ অধিক। দেশৰ আন এখন সুৰা নিষিদ্ধ ৰাজ্য গুজৰাটত ছয় শতাংশতকৈ পুৰুষে সুৰাপান কৰে।

## যোগীৰ কম্পিউটাৰ জ্ঞানক কটাক্ষ কৰা অখিলেশে ই-বিধান ব্যৱস্থা প্ৰত্যক্ষ কৰি মুখ্যমন্ত্ৰীক কৰিলে প্ৰশংসা


**নিউজ ব্যুৰ’**
**লক্ষ্ণৌ, ২০ মে’ ঃ** উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ কম্পিউটাৰ জ্ঞানক লৈ প্ৰায়ে কটাক্ষ কৰি অহা সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশ যাদৱে কালি বিধান ভৱনত উপস্থিত হৈ অবাক হ’ল। সমাজবাদী পাৰ্টিৰ মুৰব্বীয়ে বিধান ভৱনত ই-বিধান ব্যৱস্থা প্ৰত্যক্ষ কৰাৰ পাছত মুক্তভাৱে মুখ্যমন্ত্ৰী যোগীক প্ৰশংসা কৰে। বিধান ভৱনত লোকসভাৰ অধ্যক্ষ



ওম বিৰলা, উত্তৰ প্ৰদেশ বিধানসভাৰ অধ্যক্ষ সতীশ মহানা, মুখ্যমন্ত্ৰী যোগী আদিত্যনাথ আৰু সংসদীয় পৰিক্ৰমা মন্ত্ৰী সুৰেশ কুমাৰ খান্নাৰ উপস্থিতিত বিৰোধী নেতা অখিলেশে কয় যে বিধানসভাৰ এই ব্যৱস্থা প্ৰত্যক্ষ কৰি তেওঁ ইয়াক কোনো তথ্য প্ৰযুক্তি কেন্দ্ৰ যেন অনুভৱ কৰিছে। বিধানসভাক এইদৰে অত্যাধুনিক তথ্য প্ৰযুক্তি ব্যৱস্থাৰে সমৃদ্ধ কৰাৰ বাবে অখিলেশে মুখ্যমন্ত্ৰী যোগী আৰু বিধানসভাৰ অধ্যক্ষ মহানাক প্ৰশংসা কৰি অভিনন্দন জনায়। উল্লেখ্য যে ২০২২ৰ বিধানসভাৰ নিৰ্বাচনৰ প্ৰচাৰত অংশ লোৱাৰ সময়ত অখিলেশে প্ৰায়ে কটাক্ষ কৰি কৈছিল যে মুখ্যমন্ত্ৰী যোগীয়ে কম্পিউটাৰ আৰু স্মাৰ্টফোন ব্যৱহাৰ কৰিব নাজানে। যোগীৰ নেতৃত্বতে বিধানসভা ভৱনক কাগজবিহীন কৰি তোলাৰ বাবে প্ৰতি বিধায়কৰ আসনৰ সন্মুখত একোটাকৈ টেবলেট কম্পিউটাৰ স্থাপন কৰা হৈছে। এই ব্যৱস্থা প্ৰত্যক্ষ কৰিয়ে যোগীক প্ৰশংসা কৰিবলৈ বাধ্য হ’ল সমাজবাদী পাৰ্টিৰ মুৰব্বীজনে।

## বিশ্বৰ সবাতোকৈ ধনাঢ্য মাস্কৰ বিৰুদ্ধে উত্থাপিত হ’ল যৌন আতিশয্যৰ অভিযোগ

**নিউজ ব্যুৰ’, টেক্সাছ, ২০ মে’ ঃ** সাম্প্ৰতিক বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি তথা স্পেচএক্স আৰু টেছলাৰ মুৰব্বী এলন মাস্কৰ বিৰুদ্ধে যৌন আতিশয্যৰ অভিযোগ উত্থাপিত হ’ল। নিজৰে মালিকানাধীন সংস্থাৰ এগৰাকী বিমান সেৱিকাই মাস্কৰ বিৰুদ্ধে যৌন আতিশয্যৰ অভিযোগ আনিলে। পীড়িতাই দাবী কৰা অনুসৰি ২০১৬ বৰ্ষত এক উৰণৰ সময়ত তেওঁক মাস্কে নিজৰ কক্ষলৈ মাতি নি যৌন আতিশয্য চলাইছিল। মাস্কৰ সংস্থা স্পেচএক্সত কৰ্মৰত হোৱাৰ সময়তে এদিন মাস্কে এইদৰে বিমান সেৱিকাগৰাকীক উৰন্ত বিমানত যৌন নিৰ্যাতন চলাইছিল। পাছত ২০১৮ বৰ্ষত বিমান সেৱিকাগৰাকীক মুখ বন্ধ ৰাখিবলৈ মাস্কে আঢ়ৈ লাখ



ডলাৰ প্ৰদান কৰিছিল। অৱশ্যে নিজৰ বিৰুদ্ধে উত্থাপিত এই অভিযোগ ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত বুলি দাবী কৰিলে মাস্কে। মাস্কে কয় যে যদি সঁচাকৈয়ে তেওঁ এনেধৰণৰ যৌন নিৰ্যাতন চলাইছিল তেন্তে ৩০ বছৰৰ কৰ্মজীৱনত এনে অভিযোগ এয়ে প্ৰথম উত্থাপিত নহ’লহেঁতেন।

## পাম তেলৰ ৰপ্তানিত নিষেধাজ্ঞা প্ৰত্যাহাৰ ইণ্ডোনেছিয়াৰ



**নিউজ ব্যুৰ’, জাকাৰ্টা, ২০ মে’ ঃ** পাম তেলৰ ৰপ্তানিত পূৰ্বে আৰোপ কৰা নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰিলে ইণ্ডোনেছিয়াই। ঘৰুৱা বজাৰত ৰন্ধন তেলৰ যোগান পৰ্যাপ্ত হোৱাৰ প্ৰতি লক্ষ্য ৰাখি ইণ্ডোনেছিয়াৰ চৰকাৰে এই সিদ্ধান্ত গ্ৰহণ কৰিলে। ইণ্ডোনেছিয়াৰ পৰা পুনৰ পাম তেলৰ ৰপ্তানি আৰম্ভ হ’লে ইয়াৰ সুফল ভাৰতৰ বজাৰতো পৰিব বুলি আশা কৰা হৈছে। এক বিবৃতিত ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি জ’ক’ উড’ড’ই প্ৰকাশ কৰা অনুসৰি অহা ২৩ মে’ৰ পৰা দেশখনে পাম তেলৰ ৰপ্তানিত জাৰি কৰা নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰিব। উল্লেখ্য যে ইণ্ডোনেছিয়া হৈছে বিশ্বৰ সৰ্ববৃহৎ পাম তেল ৰপ্তানিকাৰী দেশ। ঘৰুৱা বজাৰত ৰন্ধন তেলৰ মূল্য অত্যধিক হোৱাত যোৱা ২৮ এপ্ৰিলত ইণ্ডোনেছিয়া চৰকাৰে পাম তেলৰ ৰপ্তানি বন্ধ কৰিছিল।

## ইউক্ৰেইনত এইবাৰ ‘টাৰ্মিনেটৰ’ গাড়ী-লেজাৰ অস্ত্ৰ ব্যৱহাৰ ৰাছিয়াৰ

**নিউজ ব্যুৰ’**
**মস্কো, ২০ মে’ ঃ** ইউক্ৰেইন যুদ্ধত এতিয়াও নিজৰ জয় নিশ্চিত কৰিব পৰা ৰাছিয়াই। শত চেষ্টা চলায়ো ইউক্ৰেইন সম্পূৰ্ণৰূপে দখল কৰিবলৈ সফল হোৱা নাই ৰুছ সেনা। অত্যাধুনিক ক্ষেপণাস্ত্ৰ ব্যৱহাৰ কৰি এখনৰ পাছত আন এখন শক্তিশালী ৰুছ টি ৯০ এম টেংক চূৰ্ণ বিচূৰ্ণ কৰিছে ইউক্ৰেইনৰ সেনাই। এনে পৰিস্থিতিত অৱশেষত ৰাছিয়াই ইউক্ৰেইনৰ বিৰুদ্ধে যুদ্ধৰ ময়দানত নমালে বহুচৰ্চিত ‘বিএমপিটি টাৰ্মিনেটৰ’ গাড়ী। পূব ইউক্ৰেইনৰ ডনবাছ অঞ্চলৰ পথত ইতিমধ্যে ‘বিএমপিটি টাৰ্মিনেটৰ’ গাড়ীৰ টহলদাৰীৰ ভিডিঅ’ সামাজিক মাধ্যমত ভাইৰেল হৈছে। মূলতঃ চহৰ অঞ্চলত যুদ্ধৰত পদাতিক সেনা আৰু টেংকসমূহক প্ৰয়োজনীয় সাহায্য প্ৰদান কৰাই হৈছে এই অত্যাধুনিক টাৰ্মিনেটৰ গাড়ীৰ দায়িত্ব। ইউক্ৰেইনে ড্ৰ’ন, শক্তিশালী ক্ষেপণাস্ত্ৰৰে ৰাছিয়াৰ আগ্ৰাসনক বাধা দিবলৈ সফল হৈছে। ইউক্ৰেইনৰ এই ধাৰাবাহিক বাধাৰ প্ৰতি লক্ষ্য ৰাখি ৰাছিয়াই এইবাৰ যুদ্ধ অত্যাধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰিবলৈ সিদ্ধান্ত ল’লে। ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে ইতিমধ্যে ৰুছ সেনাক টাৰ্মিনেটৰ



আৰু লেজাৰ অস্ত্ৰ ইউক্ৰেইনৰ বিৰুদ্ধে ব্যৱহাৰ কৰিবলৈ নিৰ্দেশ দিছে। ইউক্ৰেইনৰ ড্ৰ’নক ধ্বংস কৰিবলৈ ৰাছিয়াই এইবাৰ ব্যৱহাৰ কৰিছে লেজাৰ অস্ত্ৰ। প্ৰকাশিত বাতৰি অনুসৰি এই শক্তিশালী লেজাৰ অস্ত্ৰই কেৱল ড্ৰ’ন ধ্বংস কৰাই নহয়, ভূপৃষ্ঠৰ পৰা ১৫০০ কিলোমিটাৰ ওপৰত থকা যিকোনো নজৰদাৰী কৃত্ৰিম উপগ্ৰহো বিকল কৰিব পাৰে।

## কাশ্মীৰৰ কুপৱাড়াত অনুপ্ৰৱেশ ব্যৰ্থ, এজন সন্ত্ৰাসবাদী নিহত



**নিউজ ব্যুৰ’, শ্ৰীনগৰ, ২০ মে’ ঃ** জম্মু-কাশ্মীৰৰ কুপৱাড়া জিলাৰ টংগদাৰত পাকিস্তানী সন্ত্ৰাসবাদীৰ অনুপ্ৰৱেশ ব্যৰ্থ কৰিলে ভাৰতীয় নিৰাপত্তা বাহিনীয়ে। সীমান্তত পহৰাৰত ভাৰতীয় সেনাই সীমান্তৰ সিপাৰৰ পৰা সন্ত্ৰাসবাদীয়ে অনুপ্ৰৱেশৰ অপচেষ্টা চলোৱাৰ ঘটনা প্ৰত্যক্ষ কৰাৰ লগে লগে গুলিবৰ্ষণ কৰে আৰু এই ঘটনাত অনুপ্ৰৱেশৰ অপচেষ্টা চলোৱা সন্ত্ৰাসবাদীজন নিহত হয়। সেনাৰ সূত্ৰই আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি অঞ্চলটোত সন্ত্ৰাসবিৰোধী অভিযান অব্যাহত আছে।

## জে কে এল এফৰ মুৰব্বী মালিকৰ ফাঁচি দাবী কৰিলে সন্ত্ৰাস পীড়িতৰ পৰিয়ালে



**নিউজ ব্যুৰ’, শ্ৰীনগৰ, ২০ মে’ ঃ** সন্ত্ৰাসবাদী সংগঠন জম্মু-কাশ্মীৰ লিবাৰেচন ফ্ৰণ্ট (জে কে এল এফ)ৰ মুৰব্বী য়াছিন মালিকক সন্ত্ৰাসবাদী পৃষ্ঠপোষকতা প্ৰদান আৰু বিত্তীয় সাহায্য আগবঢ়োৱাৰ অভিযোগত আদালতে ইতিমধ্যে দোষী সাব্যস্ত কৰিলে। জে কে এল এফৰ নেতাজনৰ বিৰুদ্ধে কাশ্মীৰত সেনা বাহিনী একাধিক বিষয়া-কৰ্মচাৰীক হত্যা কৰাৰ অভিযোগ উত্থাপিত হৈছিল। মালিকে সংগীসহ ১৯৯০ৰ ২৫ জানুৱাৰীত শ্ৰীনগৰৰ ৰাৱলপুৰাত বায়ুসেনাৰ বিষয়াক আক্ৰমণ চলাইছিল। উক্ত ঘটনাত ৰবি খান্নাসহ বায়ুসেনাৰ চাৰিজন বিষয়া নিহত হৈছিল। খান্নাৰ পত্নী নিৰ্মলা খান্নাই সংবাদ মাধ্যমৰ আগত কয় যে আদালতে মালিকক দোষী সাব্যস্ত কৰা ৰায়ৰ জৰিয়তে কাশ্মীৰত সন্ত্ৰাসবাদ আৰু বিচ্ছিন্নতাবাদৰ সমাপ্তিৰ আৰম্ভণি ঘটিল। মালিকৰ অত্যাচাৰৰ সন্মুখীন হোৱা আব্দুল ৰছিদ নামৰ আন এজন লোকে আদালতৰ সিদ্ধান্তত সন্তোষ প্ৰকাশ কৰি মালিকৰ ফাঁচিৰ দাবী জনায়। ৰছিদে কয় যে সকলো সন্ত্ৰাসবাদীয়ে যাতে এক শিকনি লাভ কৰে, তাৰ বাবে জে কে এল এফৰ মুৰব্বীক ফাঁচি দিয়া উচিত। উল্লেখ্য যে অহা ২৫ মে’ত আদালতে মালিকৰ শাস্তিৰ ৰায় দিব। আদালতৰ ৰায়ৰ পূৰ্বে কাশ্মীৰত মালিকৰ সন্ত্ৰাসৰ পীড়িত একাংশ লোকে জে কে এল এফৰ নেতাজনৰ ফাঁচিৰ দাবী জনালে।



## ভাৰতত উপস্থিত হ’ল অ’মিক্ৰনৰ নতুন উপপ্ৰজাতি বিএ৪

**নিউজ ব্যুৰ’**
**নতুন দিল্লী, ২০ মে’ ঃ** দেশত কৰ’নাৰ সংক্ৰমণ হ্ৰাস পাবলৈ হোৱাৰ সময়তে এই ভাইৰাছৰ এক নতুন উপপ্ৰজাতিৰ সন্ধান লাভ কৰা হ’ল। হায়দৰাবাদত চিনাক্ত কৰা হৈছে বিএ৪ উপপ্ৰজাতিৰ অ’মিক্ৰনত আক্ৰান্ত প্ৰথমজন ৰোগী। যিজন ব্যক্তিৰ শৰীৰত বিএ৪ অ’মিক্ৰন উপপ্ৰজাতিৰ সংক্ৰমণ ধৰা পৰিছে, তেওঁৰ যোৱা ন মে’ত ক’ভিড পৰীক্ষণ কৰা হৈছিল। যোৱা জানুৱাৰীৰ পৰা আমেৰিকা আৰু ইউৰোপত অ’মিক্ৰনৰ একাধিক নতুন প্ৰজাতিক চিনাক্ত কৰা হৈছিল। ভাৰতত এয়ে প্ৰথমবাৰ বিএ৪ অ’মিক্ৰনৰ উপপ্ৰজাতিৰ উপস্থিতি ধৰা পৰিল। যোৱা জানুৱাৰী আৰু ফেব্ৰুৱাৰীত দক্ষিণ আফ্ৰিকাত প্ৰথমবাৰৰ বাবে বিএ৪ আৰু বিএ৫ অ’মিক্ৰন উপপ্ৰজাতিৰ সংক্ৰমণ ধৰা পৰিছিল।

## সলনি হ’ব এটিএমৰ পৰা ধন সংগ্ৰহৰ পদ্ধতি ঃ আৰ বি আইৰ নতুন নিৰ্দেশনা বেংকক



**নিউজ ব্যুৰ’, নতুন দিল্লী, ২০ মে’ ঃ** দেশত ডিজিটেল লেনদেন ব্যৱস্থা জনপ্ৰিয় হোৱাৰ লগে লগে এটিএমৰ ব্যৱহাৰ হ্ৰাস পাবলৈ ধৰিছে। ভাৰতীয় ৰিজাৰ্ভ বেংক (আৰ বি আই)-এ দেশৰ সকলো বেংকক এটিএমৰ পৰা ধন সংগ্ৰহৰ ক্ষেত্ৰত গ্ৰাহকক ‘কাৰ্ডলেছ’ অৰ্থাৎ এটিএম কাৰ্ডবিহীন ব্যৱস্থা প্ৰদান কৰিবলৈ নিৰ্দেশ দিলে। আৰবিআইৰ এই নতুন নিৰ্দেশনা কাৰ্যকৰী হোৱাৰ পাছত এটিএমৰ জৰিয়তে ধন উলিওৱাৰ পদ্ধতি সলনি হ’ব। ‘কাৰ্ডলেছ’ পদ্ধতিৰে এটিএমৰ পৰা ধন উলিয়ালে গ্ৰাহকসকল একাধিক দিশত সুৰক্ষিত আৰু উপকৃত হ’ব। এই পদ্ধতি প্ৰৱৰ্তিত হ’লে এটিএম কাৰ্ডৰ ক্ল’নিং, কাৰ্ড স্কিমিংগ আৰু আন ধৰণৰ বেংক প্ৰৱঞ্চনাৰ ঘটনা ৰোধ কৰাটো সম্ভৱ হ’ব। ‘কাৰ্ডলেছ’ পদ্ধতিত এটিএমৰ পৰা ধন সংগ্ৰহৰ বাবে বেংকৰ গ্ৰাহকক ডেবিট বা ক্ৰেডিট কাৰ্ডৰ প্ৰয়োজন নহ’ব। পেটিএম, গুগল পে’, এমেজন পে’, ফোন পে’ৰ দৰে ইউ পি আই পেমেণ্ট এপৰ মাধ্যমৰে বেংক একাউণ্ট ধাৰকে এটিএমৰ পৰা ধন উলিয়াব পাৰিব। ‘কাৰ্ডলেছ’ লেনদেন ব্যৱস্থা বৰ্তমানেও একাংশ বেংকে গ্ৰাহকক প্ৰদান কৰিছে।

## বিত্তীয় সংকটত জৰ্জৰিত পাকিস্তানত সকলো বিলাসী সামগ্ৰীৰ আমদানিত নিষেধাজ্ঞা

**নিউজ ব্যুৰ’**
**ইছলামাবাদ, ২০ মে’ ঃ** পাকিস্তানে সম্প্ৰতি সৰ্বকালৰ ভয়াৱহ বিত্তীয় সংকটৰ সন্মুখীন হৈছে। এই বিত্তীয় সংকটৰ পৰা দেশখনক সকাহ দিবলৈ পাকিস্তান চৰকাৰে একাধিক নতুন সিদ্ধান্ত গ্ৰহণ কৰিছে। আমদানি বৃদ্ধিৰ ফলত পাকিস্তানৰ বৈদেশিক মুদ্ৰাৰ ভাণ্ডাৰ ক্ৰমে হ্ৰাস পাবলৈ ধৰিছে। একে সময়তে আমেৰিকাৰ ডলাৰৰ বিপৰীতে পাকিস্তানী মুদ্ৰাৰ মূল্যৰ অৱনমন ঘটিছে। বিত্তীয় পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি পাকিস্তান চৰকাৰে জৰুৰীকালীন আৰ্থিক যোজনাৰ অধীনত ৩৮ টা বিলাসী সামগ্ৰীৰ আমদানিত নিষেধাজ্ঞা আৰোপ কৰিলে।



পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বাহবাজ শ্বৰীফে প্ৰকাশ কৰা অনুসৰি এই সিদ্ধান্তৰ ফলত দেশখনৰ বহুমূলীয়া বিদেশী মুদ্ৰা ৰাহি হ’ব। পাকিস্তানৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী মৰিয়ম ঔৰংগজেৱে ইছলামাবাদত এখন সংবাদমেলত দেশখনে বিলাসী সামগ্ৰীৰ আমদানিত নিষেধাজ্ঞা আৰোপ কৰাৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰে। মৰিয়মে লগতে কয় যে প্ৰধানমন্ত্ৰী শ্বৰীফে পাকিস্তানৰ অৰ্থনীতি উন্নত কৰিবলৈ দিনে নিশাই প্ৰচেষ্টা অব্যাহত ৰাখিছে আৰু বিদেশী মুদ্ৰাৰ ভাণ্ডাৰ সবল কৰিবলৈ বিলাসী সামগ্ৰীৰ আমদানিত নিষেধাজ্ঞা আৰোপৰ সিদ্ধান্ত ল’লে। মৰিয়মে কয়, ‘আমি আমদানিত নিৰ্ভৰতা হ্ৰাস কৰিব লাগিব। এই বিত্তীয় সংকটৰ সময়ত প্ৰতিজন পাকিস্তানী নাগৰিকে চৰকাৰক সহযোগিতা আগবঢ়োৱা উচিত। আমদানিৰ পৰিৱৰ্তে চৰকাৰে ৰপ্তানি বৃদ্ধিত এতিয়া গুৰুত্ব দিব।’

## হাজোৰ খলিহামাৰীত গছৰ ডালেৰে পাগ্‌লাদিয়া নৈৰ খহনীয়া ৰোধৰ চেষ্টা স্থানীয় ৰাইজৰ

অগ্ৰদূত বাৰ্তা

**হাজো, ১৯ মে’ ঃ** কামৰূপ জিলাৰ হাজো সমষ্টিৰ অন্তৰ্গত বৰখলিহামাৰী গাঁৱত এতিয়া পাগ্‌লাদিয়া নৈৰ প্ৰৱল খহনীয়াই নমাই আনিছে চৰম বিপৰ্যয়। অঞ্চলটোৰ কে’বাশ বিঘা কৃষি ভূমিৰ লগতে খলিহামাৰী আৰু এক নম্বৰ শৌলমাৰী সংযোগী পথটো পৰিছে এতিয়া প্ৰৱল খহনীয়াৰ কৱলত। পাগ্‌লাদিয়া নৈৰ বাঢ়নী পানীয়ে ইমিতধ্যে খহাই নিছে পথটোৰ আধা অংশ। বিগত ছয়দিন ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত কালৰূপ ধাৰণ কৰিছে নদীখনে। যাৰ ফলত চৰম সংকটত পৰিছে নৈপৰীয়া ৰাইজ। স্থানীয় ৰাইজে বিভাগীয় কৰ্তৃপক্ষক বাৰে বাৰে আবেদন কৰাৰ পাছতো এই পৰ্যন্ত কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাত এতিয়া স্থানীয় ৰাইজে নিজৰ গাঁঠিৰ ধন ব্যয় কৰি গছ-গছনিৰে খহনীয়া ৰোধৰ চলাইছে চেষ্টা। নদীৰ বাঢ়নী পানীয়ে কেনেদৰে খহাই নিছে খলিহামাৰীৰ শ শ বিঘা কৃষিভূমি। যদি এই সময়ত কোনো ধৰণৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰা নহয় তেন্তে বৰখলিহামাৰীৰ একমাত্ৰ শিক্ষানুষ্ঠানত ৫৩৪ নম্বৰ বৰখলিহামাৰী এলপি স্কুলখনৰ লগতে মছজিদ ঘৰটোৰ পাছলৈ নাথাকিব কোনো অস্তিত্বই। অতি শীঘ্ৰে এই খহনীয়া সমস্যা সমাধানৰ বাবে চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষক আহ্বান জনাইছে স্থানীয় ৰাইজে।

## মৰিগাঁৱৰ চৰাইবাহীত ‘কবিতাৰে জীপাল শেষ ব’হাগৰ আবেলি’ শীৰ্ষক কাব্যানুষ্ঠান

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২০ মে’ ঃ** মৰিগাঁও জিলাৰ বৃহত্তৰ চৰাইবাহী অঞ্চলৰ চাৰিগৰাকীকৈ বিশিষ্ট ব্যক্তিক সম্বৰ্ধনাৰে যোৱা ১৫ মে’ত চৰাইবাহী ৰাজহুৱা ভৱনত চৰাইবাহী শাখা সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত হয় ‘কবিতাৰে জীপাল শেষ ব’হাগৰ আবেলি’ শীৰ্ষক এখন কাব্যানুষ্ঠান। অসম সাহিত্য সভাৰ অন্যতম শাখা মৰিগাঁও জিলাৰ চৰাইবাহী শাখা সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত সভাত সভাপতিত্ব কৰে চৰাইবাহী শাখা সাহিত্য সভাৰ সভাপতি জিতুমণি বৰদলৈয়ে। কাব্যানুষ্ঠানৰ আৰম্ভণিতে এগছি বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰে চৰাইবাহী শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কমল বৰদলৈয়ে। চৰাইবাহী শাখা সাহিত্য সভাৰ সম্পাদক মানস নাথে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠান উদ্বোধন কৰে চৰাইবাহী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমল চন্দ্ৰ নাথে। উল্লেখ্য যে কাব্যানুষ্ঠানৰ লগত সংগতি ৰাখি চৰাইবাহী শাখা সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত আৰু চৰাইবাহী অঞ্চলৰ প্ৰথমগৰাকী মহিলা কবি প্ৰয়াত কুসুম কুমাৰী দেৱী শৰ্মাৰ নামত উৎসৰ্গিত ব’হাগৰ বিশেষ সংখ্যা পত্ৰিকা ‘ব’হাগী সুৱাস’ উন্মোচন কৰে মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি প্ৰতাপ হাজৰিকাই। লগতে সভাত চৰাইবাহী শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সম্পাদক, সমাজ হিতৈষী বুলন চন্দ্ৰ নাথ, চৰাইবাহী শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা চৰাইবাহী অঞ্চলৰ কে’বাখনো শিক্ষানুষ্ঠানৰ প্ৰতিষ্ঠাতা পদ্মকান্ত নাথ, বিশিষ্ট লেখিকা মৃণালিনী দেৱী আৰু চৰাইবাহী অঞ্চলৰ প্ৰথমগৰাকী মহিলা কবি প্ৰয়াত কুসুম কুমাৰী দেৱী শৰ্মাক মৰণোত্তৰভাৱে সম্বৰ্ধনা জনোৱা হয়। আনহাতে, অনুষ্ঠানত উপস্থিত থকা প্ৰায় ২০গৰাকী কবিয়ে কবিতা পাঠ কৰি অনুষ্ঠান সাফল্যমণ্ডিত কৰে।

## পশ্চিম যোৰহাটৰ পকিমুৰী হাবিগাঁৱত বিহু সন্মিলন

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ২০ মে’ ঃ** পশ্চিম যোৰহাটৰ বৃহত্তৰ পকিমুৰী হাবিগাঁৱত যোৱা ১৫ মে’ত কে’বাটাও কাৰ্যসূচীৰে ৰঙালী বিহুৰ সন্মিলন অনুষ্ঠিত হয়। পুৱা পতাকা উত্তোলনেৰে আৰম্ভ হোৱা কাৰ্যসূচীৰ বিয়লি বেলা চিত্ৰাংকন প্ৰতিযোগিতা ক, খ আৰু গ শাখাত অনুষ্ঠিত হয়। সন্ধিয়া অনুষ্ঠিত অনুষ্ঠানত সমাজৰ বিভিন্ন ক্ষেত্ৰত জড়িত সামাজিক কৰ্মী, সংবাদকৰ্মী, স্বাস্থ্যকৰ্মীকে আদি কৰি কে’বাজনো ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰে। চিত্ৰাংকনৰ বঁটা বিতৰণী অনুষ্ঠানত ক শাখাত প্ৰথম দৰ্শনা দত্ত, দ্বিতীয় দিব্যাংস বৰা, তৃতীয় আকাশ প্ৰতিম বৰা, খ শাখাত প্ৰথম আগষ্টীয়া গোস্বামী, দ্বিতীয় সৃষ্টি সৰগম কলিতা, তৃতীয় আশ্ৰুতি গোস্বামী আৰু গ শাখাত প্ৰথম বেদাশ্ৰী দত্ত, দ্বিতীয় কোৰেল মণ্ডল, তৃতীয় আয়ুস বৰাৰ লগতে খ আৰু গ শাখাত ছজনে উদগনিমূলক পুৰস্কাৰ লাভ কৰে। যোৰহাট সমষ্টিৰ বিধায়ক হিতেন্দ্ৰনাথ গোস্বামীয়ে উদ্বোধন কৰা বিহুত ৰং বসন্ত উৎসৱ ২০২২ৰ শ্ৰেষ্ঠ জেং বিহু দল গগনাৰ দলে বিহু প্ৰদৰ্শন কৰে আৰু সপ্তক সমন্বয় হুঁচৰি দলৰ বিহু প্ৰদৰ্শনে সকলোৰে মন-মগজু পুনৰ সজীৱ কৰি তোলে। জনম কাশ্যপৰ গীতৰ শৰায়ে বিহুৰ পৰিৱেশ আৰু অধিক সুন্দৰ কৰি তোলে। ১৯৮৮ত বানপীড়িত লোকসকলৰ পুনৰ সংস্থাপনৰ বাবে প্ৰতিষ্ঠা লাভ কৰা পকিমুৰী হাবিগাঁও চন্দ্ৰধৰ বৰুৱা নগৰত সকলো ৰাইজৰ তৎপৰতা আৰু এক সুন্দৰ পৰিৱেশত অনুষ্ঠিত বিহু চাবলৈ ওচৰ-চুবুৰীয়া বহুতো লোকৰ সমাগম হয়। যুৱ সমাজকৰ্মী কৃপাল দত্তই আঁত ধৰা অনুষ্ঠানত গাঁৱৰ জ্যেষ্ঠজনৰ পৰা আৰম্ভ কৰি কণমানিটোলৈকে সকলোৱে বিহুৰ অনুষ্ঠান উপভোগ কৰে।

## বানৰ কৱলত পৰা সমষ্টিৰ ৰাইজক সকলো প্ৰকাৰৰ সহায়ৰ আশ্বাস বিধায়কৰ

বিশেষ সংবাদদাতা

**নগাঁও, ২০ মে’ ঃ** সমগ্ৰ ৰাজ্যৰ ২৬ খন জিলাৰ লগতে নগাঁও জিলাতো বৰ্তমান সংহাৰী বানে কালৰূপ ধাৰণ কৰিছে। জিলাখনৰ নগাঁও সদৰ সমষ্টিৰ অন্তৰ্গত দক্ষিণপাট পঞ্চায়তৰ বৰক’লা, তুলসী দেউৰী পঞ্চায়তৰ কুৰাবাহী আৰু পাখিমৰীয়া পঞ্চায়তৰ অলপীয়া বেবেজীয়াৰ বিভিন্ন অঞ্চল ইতিমধ্যে বানৰ কৱলত পৰিছে। বানৰ কৱলত পৰা উক্ত অঞ্চলসমূহ পৰিস্থিতিৰ বুজ লোৱাৰ বাবে কালি উপস্থিত হয় নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা। বিধায়কজনে বানৰ কৱলত পৰা অঞ্চলসমূহ পৰিদৰ্শন কৰাৰ আগমুহূৰ্তত পোনপ্ৰথমে বৰক’লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ থকা আশ্ৰয় শিবিৰত গৈ উপস্থিত হৈ বন্যাৰ্তসকলৰ সুবিধা-অসুবিধাৰ বুজ লয়। তাৰ পাছতে বৰক’লা আৰু তুলসীমুখত উপস্থিত হৈ অঞ্চলকেইটাত বিভিন্ন প্ৰান্তৰ বান পৰিস্থিতিৰ বুজ লয়। বানৰ কৱলত পৰা বন্যাৰ্তসকলে যাতে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন হ’ব লগা নহয় তাৰ বাবে সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে বিধায়ক ৰূপক শৰ্মাই জিলা প্ৰশাসনৰ সহযোগত সকলো প্ৰকাৰে ব্যৱস্থা কৰা হ’ব বুলি জানিব পৰা গৈছে। আনহাতে, সমষ্টিটোৰ কচুপিট, ৰাঙলুমুখকে ধৰি কে’বাখনো গাঁৱত পানী সোমাই সহস্ৰাধিক লোক বানৰ কৱলত পৰিছে।

## জামুগুৰিহাটৰ ৰঙাচকুৱাত নদুৱাৰ আঞ্চলিক ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ কৰ্মশালা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২০ মে’ ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ ৰঙাচকুৱা সামূহিক ভৱনত কালি নদুৱাৰ আঞ্চলিক ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ এখন কৰ্মশালা অনুষ্ঠিত হয়। ভাৰতীয় চাহ ব’ৰ্ডৰ তেজপুৰ মাণ্ডলিক কাৰ্যালয়ৰ উন্নয়ন বিষয়া ধীৰাজ শইকীয়াৰ উদ্যোগত আয়োজিত কৰ্মশালাখনত বিষয়াজনৰ লগতে টোকলাই চাহ গৱেষণা কেন্দ্ৰৰ ঠাকুৰবাৰী শাখাৰ পৰামৰ্শদাতা কৃষ্ণ বৰাই দুশৰো অধিক ক্ষুদ্ৰ চাহ খেতিয়কক প্ৰশিক্ষণ প্ৰদান কৰে। উদ্যোক্তাজনে জানিবলৈ দিয়া মতে, কৰ্মশালাখনত অঞ্চলটোৰ ক্ষুদ্ৰ চাহ চাহ খেতিয়কসকলক আধুনিক বিজ্ঞানসন্মত পদ্ধতিৰে চাহ খেতি কৰি ইয়াৰ গুণগত মান উন্নত কৰা আৰু চাহৰ বজাৰ দখল কৰা কৌশল সন্দৰ্ভত প্ৰশিক্ষণ প্ৰদান কৰা হয়।

# কৃত্ৰিম বানপানীত কক্‌বকাইছে ৰাইজ

### ■ ঘোঁৰাজান বিল-জলাশয় বেদখলকাৰীৰ কবলত, নীৰৱ কামৰূপ প্ৰশাসন



অগ্ৰদূত বাৰ্তা

**উত্তৰ গুৱাহাটী, ২০ মে’ ঃ** ক্ৰমান্বয়ে ভয়াৱহ হৈ পৰিছে উত্তৰ গুৱাহাটীৰ কৃত্ৰিম বানপানীৰ সমস্যা। উত্তৰ গুৱাহাটীত কৃত্ৰিম বানপানীৰ কবলত পৰি দুৰ্বিষহ হৈছে জনজীৱন। কেৱল বাৰিষা বুলিয়ে নহয়, বছৰৰ বাৰ মাহেই জলমগ্ন হৈ থাকে সমগ্ৰ উত্তৰ গুৱাহাটী। পৰিকল্পনাহীনভাৱে উত্তৰ গুৱাহাটীৰ যেনিয়ে-তেনিয়ে নিৰ্মাণকাৰ্য হোৱাৰ ভয়াৱহ পৰিণতি। উচ্চতম ন্যায়ালয়ৰ নিৰ্ধাৰিত নীতি জলাঞ্জলি দি ৰাজনৈতিক ক্ষমতাৰে বলিয়ান হৈ বণিয়া ভুমাফিয়াই ঐতিহাসিক ঘোঁৰাজান আৰু বিলত উদ্যোগ গঢ়ি সমগ্ৰ উত্তৰ গুৱাহাটী আমিনগাঁওবাসীক পানীত ডুবাইছে। ইফালে, উত্তৰ গুৱাহাটী-গুৱাহাটী সংযোগী দলং নিৰ্মাণৰ বাবে ঘোঁৰাজান বন্ধ কৰি মাটি পোতাৰ বাবেই বৃজেৰা মান্দাকাটাৰ বৃহত্তৰ অঞ্চলৰ পানী বন্ধ হৈ ভয়াৱহ ৰূপ লৈছে। ৰাজনৈতিক স্বাৰ্থ সুৰক্ষাৰ বাবে চাংসাৰি জলাহৰ এহেজাৰ বিঘা ভুমি সামৰি থকা জলাশয় পুতি এইমছ নিৰ্মাণ কৰাত বৃহৎ জলাশয়ৰ পানীয়েও বাইহাটা চাংসাৰিৰ বৃহৎ অঞ্চল কৃত্ৰিম বানপানীৰ সন্মুখীন হৈছে। ইফালে, জি এন আৰ চি আৰু আই আই টি গুৱাহাটীয়ে ঘোঁৰাজানত দেৱাল বহাই বেদখল কৰাত আন এক প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে উত্তৰ গুৱাহাটীবাসী। ছমাহ ধৰি উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ পৰা আঁতৰা নাই পানী। পানী ওলাই যোৱা নলাৰ অভাৱত সাগৰ সদৃশ পৰিৱেশ সৃষ্টি হৈছে উত্তৰ গুৱাহাটী মহাবিদ্যালয় চৌহদত। শ্ৰেণী কোঠাত সাপ-বেং প্ৰৱেশৰ বাবে বাধাগ্ৰস্ত হৈছে পাঠদান। মহাবিদ্যালয় কৰ্তৃপক্ষ আৰু কামৰূপ প্ৰশাসনৰ নীৰৱতাত অতিষ্ঠ হৈছে শিক্ষাৰ্থী-অধ্যাপক। মাহৰ পাছত মাহ জলমগ্ন মহাবিদ্যালয়ৰ পানী নিষ্কাসনৰ কোনো উদ্যোগ নল’লে মহাবিদ্যালয়ৰ অধ্যক্ষই। বৰঞ্চ অধ্যক্ষ ড° দিলীপ দাসে পৰিস্থিতিৰ অনুধাৱন নকৰি ধনৰ অভাৱ বুলি কয় কিয় মহাবিদ্যালয় চৌহদৰ পৰা পানী ওলাই নাযায়, কিবা কৰণীয় আছেনে, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সকলো নীৰৱ। উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ অস্বাস্থ্যকৰ পৰিৱেশ সূচনা কৰিছে মহাবিদ্যালয় কৰ্তৃপক্ষই। বছৰ বছৰ ধৰি শ্ৰেণীকোঠাৰ গাতে অনাৱশ্যক জলাশয় মাটিৰে পোতাৰ বাবে নল’লে কোনো উদ্যোগ। পানী মেটেকা হাবি-জংঘলৰ লগতে পেলনীয়া জাৱৰেৰে এক ভয়াৱহ ৰূপ লৈছে। ইফালে, কে’বাবাৰো উত্তৰ গুৱাহাটী ৰহধলাত লোক নিৰ্মাণ বিভাগে নলা নিৰ্মাণ কৰি ধনৰ শৰাধৰ বাহিৰে যেন একো নহ’ল। জধে-মধে হোৱা উদ্যোগৰ বাবে ৰহধলা বছৰৰ বাৰমাহ পানীত বুৰ গৈ থাকে। ৰহধলা পাথমিক বিদ্যালয়ত বিগত তিনিমাহ ধৰি জলমগ্ন। কণ কণ অংগনৱাড়ী শিশু শিক্ষাৰ্থীকলৈ শিক্ষক অভিভাৱক বিপদত পৰিছে। জনজাতীয় এশ শতাংশ শিক্ষাৰ্থী থকা ৰহধলা প্ৰাথমিক বিদ্যালয়ৰ অস্বাস্থ্যকৰ পৰিৱেশৰ বাবে অভিভাৱকে নিজ সন্তানক বিদ্যালয়লৈ পঠিয়াবলৈ ভয় কৰা বুলি জনালে। ৰহধলা, কটাবজাৰ, মধুপুৰ, কলবাৰী, ৰুদ্ৰেশ্বৰ, কমলাবাৰী আদি অঞ্চল বছৰৰ অধিক সময় জলমগ্ন হৈ থকাৰ লগতে শেহতীয়া বৰষুণত পথসমূহতো পানী উঠিবলৈ লৈছে। কাটিং পাহাৰ জি এন আৰ চি অঞ্চলৰ বাটপথ ইতিমধ্যে পানীত বুৰ গৈছে। উত্তৰ গুৱাহাটী নগৰ সমিতিৰ পালমৰা নলাৰ বাবে কৰো পানী কলৈকো নাযায়। বিভিন্ন দল- সংগঠনে কৃত্ৰিম বানপানীৰ বিষয়টো কামৰূপ প্ৰশাসনক জনাই আহিছে যদিও প্ৰশাসনেও বিষয়টোৰ ওপৰত কোনো গুৰুত্ব প্ৰদান নকৰাৰ বাবে সমগ্ৰ উত্তৰ গুৱাহাটী জলমগ্ন হৈছে।

## কৃত্ৰিম বানৰ সমাধান বিচাৰি হাইৰাণ নলবাৰী পৌৰসভা

### ■ জিলা প্ৰশাসন-পৌৰসভাৰ যুটীয়া সভা

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২০ মে’ ঃ** বছৰ বছৰ ধৰি কৃত্ৰিম বানে জুৰুলা কৰি আহিছে নলবাৰী চহৰবাসীক। পৌৰসভাই প্ৰতিবছৰে চহৰখনৰ কৃত্ৰিম বান সমস্যা সমাধান কৰাৰ প্ৰতিশ্ৰুতি দিয়াৰ লগতে তৎপৰতা প্ৰদৰ্শন কৰি আহিছে যদিও কাৰ্যতঃ সেয়া ফুটুকাৰ ফেন হৈ আহিছে। বৰষুণ আহিলে পানীৰে উপচি পৰে সমগ্ৰ চহৰখন। ইপিনে, চহৰখনৰ কৃত্ৰিম বানৰ উৱাদিহ বিচাৰি হাইৰাণ হৈ পৰিছে জিলা প্ৰশাসন তথা নলবাৰী পৌৰসভা। চহৰবাসীক কৃত্ৰিম বানৰ উৱাদিহ বিচাৰি কালি বিয়লি জিলা প্ৰশাসনৰ উদ্যোগত উপায়ুক্ত কাৰ্যালয় সভাকক্ষত এখন যৌথ সভা অনুষ্ঠিত হয়। জিলা উপায়ুক্ত গীতিমণি ফুকনৰ অধ্যক্ষতাত অনুষ্ঠিত সভাখনত জিলা উন্নয়ন আয়ুক্ত মুন গগৈ, অতিৰিক্ত উপায়ুক্ত ফিৰদৌছ আলম, পৌৰসভাৰ কাৰ্যবাহী বিষয়া চয়নিকা ঠাকুৰীয়া, পৌৰসভাৰ সভানেত্ৰী জয়শ্ৰী তালুকদাৰ, উপ-সভাপতি ড° ৰবীন দাস, আটাইকেইগৰাকী ৱাৰ্ড সদস্য, নগৰ উন্নয়ন পৰিকল্পনা বিভাগৰ সঞ্চালক ফটিক বৰা আদি উপস্থিত থাকে। চহৰৰ কৃত্ৰিম বানৰ স্থায়ী সমাধানৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। আগন্তুক খৰালি কালত চহৰখনৰ পানী ওলাই যোৱা প্ৰতিটো চেনেল খন্দাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

উল্লেখ্য যে ফুলগুৰি জান হৈ কলখোৱা জান, চ’ক বজাৰৰ পৰা ভালুকমাৰা জাহা জান আৰু সতীৰকুঁৰ জান এই তিনিটা জান নতুনকৈ খন্দা হ’ব যদিও সদ্যহতে চহৰবাসীক কৃত্ৰিম বানৰ পৰা সকাহ দিয়াৰ চেষ্টাৰে নলাকেইটা তাৎক্ষণিকভাৱে পৰিষ্কাৰ কৰা হ’ব। বিশেষকৈ ফুলগুৰি জানৰ ঢেঁকীয়াবাৰীত থকা শ্লুইচ গেটখনো খুলি দিয়া হ’ব বুলিও জানিব পৰা গৈছে। মন কৰিবলগীয়া যে চহৰখনৰ কৃত্ৰিম বানৰ সমস্যা সমাধানৰ বাবে এখন তদাৰক সমিতি গঠন কৰা হয় আজিৰ সভাত। জানিব পৰা মতে, নগৰ উন্নয়ন আৰু পৰিকল্পনা বিভাগৰ সঞ্চালক ফটিক বৰা, নলবাৰীৰ ৰাজহচক্ৰ বিষয়া ড° টিংকুমণি বৰা, গড়কাপ্তানী বিভাগৰ এছ ডি অ’ জীৱনজ্যোতি শৰ্মা, নলবাৰী পৌৰসভাৰ সহকাৰী অভিযন্তা গিয়াছ আলী, উপ-পৌৰপতি ড° ৰবীন দাস, পূব নলবাৰী ব্লকৰ বিডিঅ’ক লৈ সমিতিখন গঠন কৰা হয়।

## বহিঃৰাজ্যত ৰহস্যজনক মৃত্যু খুমটাইৰ যুৱকৰ

**খুমটাই, ২০ মে’ ঃ** অন্ধ্ৰপ্ৰদেশত খুমটাইৰ এজন যুৱকৰ ৰহস্যজনক মৃত্যুৰ ঘটনাই খুমটাই অঞ্চলত প্ৰতিবাদৰ সৃষ্টি হৈছে। খুমটাইৰ বাসগৃহত যুৱকজনৰ মৃত্যুৰ খবৰ পোৱাৰ পাছতে পৰিয়ালৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। উল্লেখ্য যে খুমটাইৰ শাওঁতলী চাহ বাগিচাৰ ৰাজেশ কৰ্মকাৰৰ পুত্ৰ কুনাল কৰ্মকাৰ নামৰ ৩০ বছৰীয়া যুৱকজন বাগিচাৰে এজন যুৱকৰ স’তে কৰ্মৰ সন্ধানত ১৫ মে’ কেৰালালৈ বুলি গৈছিল। তাৎপৰ্যপূৰ্ণ বিষয় যে যাত্ৰাপথত অন্ধ্ৰপ্ৰদেশৰ এটা স্থানত কুনালৰ মৃতদেহ উদ্ধাৰ হোৱা বুলি তেওঁৰ লগত যোৱা সহযোগী আকাশ কুৰ্মী নামৰ যুৱকজনে পৰিয়ালৰ লোকক অৱগত কৰে। ইফালে, কি কাৰণত কেনেকৈ কুনালৰ মৃত্যু হ’ল তাৰ কোনো তথ্য পৰিয়ালৰ লোকৰ আগত অৱগত কৰা নাই সতীৰ্থ আকাশে। কেৱল মাত্ৰ অন্ধ্ৰপ্ৰদেশৰ পৰা মৃত কুনালৰ ফটো প্ৰেৰণ কৰিছে আকাশে। আনহাতে, কুনালৰ মৃত্যু ঘটনাই সমগ্ৰ বিষয়টো ৰহস্যৰ সৃষ্টি কৰিছে। পত্নী আৰু এগৰাকী কণমাণি, কন্যা সন্তানক এৰি কেৰালালৈ কৰ্মসূত্ৰে যোৱাই কাল হ’ল কুনালৰ। বৰ্তমান কুনালৰ পৰিয়ালৰ অসহায় অৱস্থা সৃষ্টি হোৱাৰ লগতে বহিঃৰাজ্যৰ পৰা মৃতদেহ আনিবলৈ চৰকাৰৰ পৰা সহায় ভিক্ষা কৰিছে পৰিয়ালৰ লোকৰ লগতে আটছা আৰু স্থানীয় ৰাইজে।

## চামগুৰিত প্ৰজাপিতা ব্ৰহ্মকুমাৰী বিশ্ববিদ্যালয়ৰ পথ সুৰক্ষাৰ মটৰ চাইকেল ৰেলী

অগ্ৰদূত বাৰ্তা

**চামগুৰি, ২০ মে’ ঃ** সুৰক্ষিত ভাৰত গঢ়াৰ সংকল্পৰে প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ে আৰম্ভ কৰা পথ সুৰক্ষা মটৰ চাইকেল যাত্ৰাৰ দলটোৱে বিভিন্ন স্থানত সজাগতা সৃষ্টি কৰি অহাৰ পাছত কালি চামগুৰিত উপস্থিত হৈ ৰাইজৰ মাজত পথ সজাগতা সভা অনুষ্ঠিত কৰে। ব্যতিক্ৰমধৰ্মী এই মটৰ চাইকেল ৰেলীৰ দলটোক চামগুৰি গাঁও পঞ্চায়তৰ কৰ্মী তথা কৰ্মচাৰীসকলে উষ্ম আদৰণি জ্ঞাপন কৰে। পঞ্চায়তটোৰ সভাপতি মনিকা হাজৰিকা, চামগুৰি জিলা পৰিষদৰ সদস্য ৰীতা কাকতি বৰা, পঞ্চায়ত সদস্য বাবুল দাস, মৌচম বৰাকে ধৰি বহুকেইজন বিষয়ববীয়াই ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ নেতৃত্ব গ্ৰহণ কৰা চৰিতা বেহেন, ববী বেহেন, সাৰদা বেহেন, মনিকা বেহেনকে ধৰি কে’বাগৰাকী ৰেলীত অংশগ্ৰহণ কৰা ব্যক্তিক গামোচাৰে আদৰণি জনায়।

## দিহানাম-বিয়ানাম প্ৰতিযোগিতাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**জাঁজী, ২০ মে’ ঃ** যোৰহাট জিলাৰ টীয়ক জগদুৱাৰস্থিত জগদুৱাৰ সংগীত-নাট্য-কলা একাডেমীৰ চতুৰ্থ দ্বি-বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অহা ২২ মে’ত সদৌ অবিভক্ত শিৱসাগৰ জিলাভিত্তিত পুৰুষ-মহিলা দ্বৈত শাখাত প্ৰাইজমানি দিহানাম আৰু বিয়ানাম প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

## বানপানী প্ৰতিৰোধৰ বাবে টাক্লাই নৈৰ গতি সলোৱাৰ কাম চিৰাং জিলা প্ৰশাসনৰ

অগ্ৰদূত বাৰ্তা



**কাজলগাঁও, ২০ মে’ ঃ** ভূটানৰ ডেৰশ মিটাৰ ভিতৰত সোমাই সম্ভাব্য বান প্ৰতিৰোধী কাম চিৰাং জিলা প্ৰশাসনে আৰম্ভ কৰিছে। ভূটানৰ সৰভং জিলা প্ৰশাসনৰ সহযোগত এই কাম কৰে চিৰাং জিলা প্ৰশাসনে। জিলাখনৰ ভূটান সীমান্তৱৰ্তী মালিভিটা, আমটেকাকে আদি কৰি কে’বাখনো গাঁৱৰ লোক শংকাত আছিল বাৰিষাত ভূটানৰ পাহাৰৰ পৰা নামি অহা তীব্ৰ সোঁতৰ পানীয়ে টাক্লাই, লালাই আৰু নাঙলভাঙা নৈৰে আহি ভয়ংকৰ ক্ষতি কৰিব বুলি। সেইবাৰে চিৰাঙত বানপানী আৰম্ভ হোৱাৰ পূৰ্বেই জিলা প্ৰশাসনৰ তৎপৰতাত নিচিমা পৰিষদীয় সমষ্টিৰ প্ৰাক্তন পৰিষদ তথা বিটিআৰৰ শাসকীয় ইউপিপিএল দলৰ সভাপতি নিৰ্মল কুমাৰ ব্ৰহ্মৰ নেতৃত্বত ভূটানৰ ভিতৰত সোমাই টাক্লাই নৈৰ গতি সলোৱাৰ বাবে বান্ধ নিৰ্মাণৰ কাম কৰে। দুদিন ধৰি কাম কৰাৰ অন্তত বান্ধৰ কাম প্ৰায় শেষ হৈছে। শংকাৰ পৰা কিছু সকাহ পালে চিৰাং জিলাৰ ভূটান সীমান্তৰ কে’বাখনো গাঁৱৰ লোকে। বিগত বৰ্ষসমূহত ভূটানৰ পৰা নামি অহা খৰস্ৰোতা টাক্লাই, লালাই আৰু নাঙলভাঙা নৈৰ বাঢ়নী পানীয়ে ব্যাপক ক্ষতি কৰিছিল। যাৰ বাবেই চিৰাং জিলা উপায়ুক্তৰ অনুৰোধ মৰ্মে ভূটানৰ সৰভং জিলা প্ৰশাসনৰ সহযোগিতাত এই কাম সম্পূৰ্ণ কৰে।

## আংগুলীয়া আঞ্চলিকৰ ১০খন গাঁৱক বিটিআৰৰ পৰা বাদ দিয়াৰ দাবী

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২০ মে’ ঃ** বাগ্‌সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত চৰ্ণা, আংগুলীয়া, ৰাজঘাট, আমবাৰী, চহোগুৰি, বাঘজান, বামুণকাটা, কুন্দৰগাঁও, শিলবাৰী আৰু পশ্চিম খাগ্ৰাবাৰী এই ১০খন অজনজাতি গাঁৱৰ ঐক্যবদ্ধ সংগ্ৰামৰ ফলত জন্মলাভ কৰা আংগুলীয়া আঞ্চলিক অবড়ো গাঁও কৰ্তন সমিতিয়ে সমিতিৰ অন্তৰ্গত আটাইকেইখন গাঁৱক বিটিআৰৰ পৰা কৰ্তন কৰাৰ দাবী উত্থাপন কৰিছে। আংগুলীয়া আঞ্চলিক অবড়ো গাঁও কৰ্তন সমিতিৰ সভাপতি-সম্পাদক ক্ৰমে সতীশ কলিতা আৰু কুমুদ দাসে কয়, ‘আংগুলীয়া আঞ্চলিকৰ অন্তৰ্গত উল্লিখিত ১০খন গাঁৱৰ ১৯৯১, ২০০১ আৰু ২০১১ৰ লোকপিয়ল মতে অজনজাতি লোকৰ সংখ্যা শতকৰা এনেধৰণৰ- চৰ্ণাত তিনিওবাৰতে এশ শতাংশ, আংগুলীয়াত ক্ৰমে ৮৬ ৪৬, ৮৭ ০৭ আৰু ৮৮ ০৩ শতাংশ। ৰাজঘাটত এশ শতাংশ, আমবাৰীত এশ শতাংশ, চহোগুৰিত ৭৪ ০৭, ৭২ ০৪ আৰু ৭৩ ৭১ শতাংশ। বাঘজানত ১৯৯১ত ৭০ ৩৯ আৰু তাৰ পাছত এশ শতাংশ। বামুণকাটত ৯০ ১২। ২০০১ত এশ শতাংশ আৰু ২০১১ত ৯১ ০৭ শতাংশ। কুন্দৰগাঁৱত ৭০ ৮৩,৪৫ আৰু ৫০ শতাংশ। শিলবাৰীত ৩১ ৪৭,৩৫ আৰু ৪০ শতাংশ। একেদৰে পশ্চিম খাগ্ৰাবাৰীত ৯৩ ১৯, ৯৩ ৪০ আৰু ৯৩ শতাংশ। উক্ত গাঁওসমুহ ১৯৯৩ত গঠিত বিএচি, ২০০৩ত গঠিত বিটিচি আৰু ২০২০ত গঠিত বিটিআৰত অন্তৰ্ভুক্ত কৰা হৈছে। কিন্তু বিটিচি চুক্তিত অন্তৰ্ভুক্ত হোৱা কোনো এখন গাঁৱকে আপত্তি সত্ত্বেও চৰকাৰে বিটিচিৰ পৰা বহিৰ্ভূত নকৰিলে। আনকি উচ্চতম ন্যায়ালয়ৰ পৰাও কোনো ধৰণৰ সঁহাৰি লাভ নকৰিলে। আকৌ ২০২২ত স্বাক্ষৰিত বিটিআৰ চুক্তি মৰ্মে আমি বিটিআৰত অন্তৰ্ভুক্ত হ’লো। এই চুক্তিতো বিটিআৰৰ পৰা অজনজাতি লোকসকল বিটিআৰৰ পৰা ওলাই যোৱাৰ বাট ৰাখিছে। সেইমতে এখন আয়োগো গঠন কৰা হ’ল। আয়োগে ২০২১ৰ ১৫ জানুৱাৰীৰ ভিতৰত বিটিআৰৰ পৰা ওলাই যাব খোজা গাঁওসমূহৰ আবেদন গ্ৰহণ কৰিলে। কিন্তু আজিলৈকে কোনো ধৰণৰ সুফল লাভ কৰিব পৰা নগ’ল। তেওঁলোকে পুণৰ কয় যে বিএচি, বিটিচি বা বিটিআৰত আমি ভাৰতীয় নাগৰিক হিচাপে পাব লগা ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক অধিকাৰ হেৰুৱালো। খিলঞ্জীয়া হৈও মাটিৰ অধিকাৰ হেৰুৱাব লগা হৈছে। আমাৰ অঞ্চলত ৰাস্তা-ঘাট, দলং আদি উন্নয়নমূলক কাম-কাজ বন্ধ।

## টিহু মহকুমাৰ বৰঝাৰত চৰকাৰী আঁচনিৰ পৰা বঞ্চিত দৰিদ্ৰ পৰিয়াল

অগ্ৰদূত বাৰ্তা

**টিহু, ২০ মে’ ঃ** ৰাজ্য চৰকাৰে দৰিদ্ৰ সীমাৰেখাৰ তলৰ প্ৰতিটো পৰিয়ালৰ বাবে বিভিন্ন আঁচনি প্ৰৱৰ্তন কৰি সা-সুবিধা প্ৰদান কৰি অহাৰ সময়তে বৰমা সমষ্টি তথা টিহু উন্নয়ন খণ্ডৰ অন্তৰ্গত ৪৬ নম্বৰ পূৱ নামবৰভাগ গাঁও পঞ্চায়তৰ বৰঝাৰ গাঁৱৰ এটি দৰিদ্ৰ পৰিয়ালক চৰকাৰৰ কোনো এখন আঁচনিয়ে ঢুকি পোৱা নাই। টিহু উন্নয়ন খণ্ডৰ পূৱ নামবৰভাগ গাঁও পঞ্চায়তৰ অন্তৰ্গত বৰঝাৰ গাঁও নিবাসী বিধৱা মহিলা সাৰদা হালৈৰ (দৰিদ্ৰ সীমাৰেখাৰ তলৰ) পৰিয়ালটোৱে আজিলৈ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ এটাকে পাবলৈ সক্ষম হোৱা নাই। পৰিয়ালটোৰ উপাৰ্জনকাৰী কোনো নথকাত মহিলাগৰাকীয়ে বজাৰত কচু, ঢেঁকীয়া, কলডিল,



শাক-পাচলি আদি বিক্ৰী কৰি তিনিজনীয়া পৰিয়ালটো পোহপাল দি আছে। শাক-পাচলি বিক্ৰী কৰি কোনোমতে দশম আৰু দ্বাদশ শ্ৰেণীত অধ্যয়নৰত দুই সন্তানক শিক্ষানুষ্ঠানত নামভৰ্তি কৰি দিয়াৰ বাহিৰে অন্য কোনো সুবিধা দিব পৰা নাই। দুৰ্ভগীয়া মহিলাগৰাকীৰ নাই কোনো বাসোপযোগী আৱাস গৃহ। ফলস্বৰূপে পৰিয়ালটো টিনৰ চালি আৰু বাঁহৰ বেৰৰ এটি জৰাজীৰ্ণ বাসগৃহত দুৰ্বিষহ জীৱন অতিবাহিত কৰিবলগীয়াত পৰিছে। পৰিয়ালটোৰ মুৰব্বী বিধৱা মহিলাগৰাকীয়ে অভিযোগ কৰা মতে সংশ্লিষ্ট কৰ্তৃপক্ষক চৰকাৰী আৱাস গৃহৰ বাবে দীৰ্ঘদিন ধৰি কাকূতি মিনতি কৰি কোনো ধৰণৰ সুফল পোৱা নাই। মহিলাগৰাকীয়ে উল্লেখ কৰা মতে, সুলভ মূল্যৰ দোকানৰ ৰেছন কাৰ্ড এখনৰ বাহিৰে তেওঁলোকে কোনো চৰকাৰী আঁচনি লাভ কৰা নাই। উল্লেখ্য যে যোৱাবছৰ কৰ’না অতিমাৰীৰ সময়ত অসুস্থতাত ভুগি পৰিয়ালৰ মুৰব্বী কৰুণা হালৈৰ মৃত্যু হয়। তেতিয়াৰ পৰা পৰিয়ালটোৰ পানীত হাঁহ নচৰা অৱস্থা হৈছে। সেয়েহে মহিলাগৰাকীয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা,পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, স্থানীয় বিধায়ক ভূপেন বড়োক প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ এটি গৃহ আৰু পৰিয়ালটোৰ সদস্য এজনক চৰকাৰীভাৱে সংস্থাপন দিবলৈ আহ্বান জনাইছে।

## মৰিগাঁও জিলা যোগী সন্মিলনীৰ সমিতি ভংগ কৰি তদৰ্থ সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২০ মে’ ঃ** অসম প্ৰাদেশিক যোগী সন্মিলনীৰ অন্তৰ্গত মৰিগাঁও জিলা যোগী সন্মিলনীখন ভংগ কৰি আজি এখন তদৰ্থ সমিতিৰ গঠন কৰা হয়। এই উপলক্ষে অসম প্ৰাদেশিক যোগী সন্মিলনীৰ সভাপতি ড° দিনেশ কাকতি নাথ আৰু সম্পাদক তথা অসম নাথ সাহিত্য পৰিষদৰ সম্পাদক হিৰণ্য কুমাৰ নাথৰ উপস্থিতিত মৰিগাঁও পৰাগ নিকেতনত অসম প্ৰাদেশিক যোগী সন্মিলনীৰ সভাপতি ড° নাথৰ নিৰ্দেশ অনুসৰি মৰিগাঁও জিলা যোগী সন্মিলনীৰ তদৰ্থ সমিতিখন গঠন কৰা হয়। উল্লেখ্য যে বিগত বৰ্ষৰ ২৪ অক্টোবৰত অসম প্ৰাদেশিক যোগী সন্মিলনীৰ চাংসাৰিত অনুষ্ঠিত কাৰ্যনিৰ্বাহ সভাই মৰিগাঁও জিলা যোগী সন্মিলনীখন ভংগ কৰি দিয়াৰ এক প্ৰস্তাৱ গ্ৰহণ কৰিছিল। উক্ত প্ৰস্তাৱৰ আধাৰত মৰিগাঁও জিলা যোগী সন্মিলনীখন ভংগ কৰি তদৰ্থ সমিতিখন গঠন কৰি দিয়াৰ লগতে অহা ২৬ জুনৰ পূৰ্বে অধিবেশন অনুষ্ঠিত কৰি পূৰ্ণাংগ মৰিগাঁও জিলা যোগী সন্মিলনীখন গঠন কৰিবলৈ নিৰ্দেশনা জাৰি কৰে। আনুষ্ঠানিকভাৱে গঠন হোৱা মৰিগাঁও জিলা সন্মিলনীৰ প্ৰতিনিধিয়েহে ২৬ জুনত শিৱসাগৰত অনুষ্ঠিত হ’বলগীয়া অসম প্ৰাদেশিক যোগী সন্মিলনীৰ মধ্যকালীন অধিবেশনত প্ৰতিনিধিত্ব কৰিব পাৰিব বুলি সভাপতি কাকতিয়ে সদৰী কৰে। অসম প্ৰাদেশিক যোগী সন্মিলনীৰ সভাপতিয়ে মৰিগাঁও জিলা যোগী সন্মিলনীৰ তদৰ্থ সমিতিখনত মুখ্য উপদেষ্টা গদাধৰ নাথ, সভাপতি জিতেন চন্দ্ৰ নাথ, কাৰ্যকৰী সভাপতি ড° কবিন চন্দ্ৰ নাথ, উপ-সভাপতি পবিত্ৰ কুমাৰ নাথ, কল্পতৰু চৌধুৰী, লক্ষ্যজ্যোতি নাথ, সাধাৰণ সম্পাদক জিতুমনি নাথ, সহকাৰী সম্পাদক নিতুমনি নাথ, ভৱজ্যোতি নাথ, দিনমনি নাথকলৈ ২৫ জনীয়া এখন সমিতি গঠন কৰি দিয়ে।

■ গাঁঠিৰ ধন ভাঙি পথ মেৰামতিত নামিল ক্ষুব্ধ ৰাইজ

# ডেৰ বছৰে সম্পূৰ্ণ নহ'ল মধ্য যোৰহাটৰ কোটিটকীয়া পথ

**অগ্ৰদূত বাৰ্তা**
**লাহদৈগড়, ২০ মে' ঃ** ২০২০তে টীয়কৰ চটাই চিনাতলী সংযোগী একমাত্ৰ পথটো টীয়কৰ বিধায়িকা ৰেণুপমা ৰাজখোৱাই আধাৰশিলা কৰিছিল যদিও বিগত ডেৰবছৰে পথটোৰ কাম সম্পূৰ্ণ হৈ নুঠিল। ফলত এতিয়া দুৰ্ভোগ ভুগিছে সাধাৰণ ৰাইজে। কাগজে-পত্ৰে কাম হৈছে যদিও প্ৰকৃতাৰ্থত ঠিকাদাৰৰ গাফিলতিয়েও হওক বা বিভাগীয় কৰ্তৃপক্ষৰ অমনোযোগিতায়ে হওক এনেদৰে সমষ্টিত একাধিক কাম চলি থকা অভিযোগ উত্থাপিত হৈছে। ইপিনে, কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই পথৰ আধাৰশিলাৰ পাছতে কিছুদিন কাম চলিছিল আৰু ঠিকাদাৰ প্ৰতিষ্ঠানটোৰ স'তে চুক্তি মৰ্মে স্থানীয় কেঁবাজনো যুৱকে শিল, বালি, মাটি আদিৰ যোগান ধৰিছিল যদিও আজি পৰ্যন্ত তেওঁলোকক প্ৰাপ্য ধন প্ৰদান নকৰি ঠিকাদাৰে পলায়ন কৰাৰ অভিযোগ উঠিছে। উল্লেখ্য যে অঞ্চলবাসীয়ে ইতিমধ্যে জিলা উপায়ুক্তক এই বিষয়ে অৱগত কৰাৰ পাছত উপায়ুক্তই ৰাইজৰ দুখ-দুৰ্দশাৰ বুজ ল'বলৈ যোৱা মাৰ্চত উক্ত স্থানলৈ আহি চৰজমিন তদন্ত কৰি অনতি পলমে ইয়াৰ এক সু-ব্যৱস্থা কৰিব বুলি আশ্বাস দিছিল যদিও আজিও একো উত্তৰ নোলাল। ইপিনে, গাঁৱৰ একাংশ সচেতন ব্যক্তিয়ে ৰাজ্যৰ মুখ্যমন্ত্ৰীকো অৱগত কৰিছে। কিন্তু সদুত্তৰ নাপাই এতিয়া ৰাইজে নিজে এইদৰে গাঁঠিৰ ধন ভাঙি হাতে কামে লাগি যেনে-তেনে অহা-যোৱা সুচল কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে।



# টীয়কত প্ৰাক্তন আলফা ঐক্য মঞ্চ যোৰহাট জিলা সমিতিৰ দ্বিবাৰ্ষিক সাধাৰণ সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**
**কাকজান, ২০ মে' ঃ** যোৱা ১৬ মে'ত প্ৰাক্তন আলফা ঐক্য মঞ্চৰ যোৰহাট জিলা সমিতিৰ দ্বিবাৰ্ষিক সাধাৰণ সভাখন টীয়কস্থিত মা বিবাহ ভৱনত শতাধিক সদস্যৰ উপস্থিতিত অনুষ্ঠিত হয়। পুৱা ন বজাৰ ঐক্য মঞ্চৰ পতাকা উত্তোলন কৰে যোৰহাট জিলা সভাপতি ভাস্কৰ বৰদলৈয়ে বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰি টীয়ক পৌৰসভাৰ নৱনিৰ্বাচিত পৌৰনেত্ৰী লাকী বৰবৰা গগৈয়ে টীয়ক নগৰখন সুন্দৰভাৱে গঢ়ি তোলাৰ ক্ষেত্ৰত সকলোকে দিহা-পৰামৰ্শ আৰু সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। মঞ্চৰ জ্যেষ্ঠ সদস্য ব্ৰজেন তামুলী আৰু নৰেন শইকীয়াই ছহিদ বেদীত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি তৰ্পণ কৰে। দিনৰ এক বজাত মঞ্চৰ যোৰহাট জিলা সমিতিৰ সভাপতি ভাস্কৰ বৰদলৈৰ সভাপতিত্বত অনুষ্ঠিত সাধাৰণ সভাত ১৯ৰ পৰা ২২ বৰ্ষৰ পুৰণি সমিতিখনে পদত্যাগ কৰে। মঞ্চৰ ২০২২ৰ পৰা ২০২৫ৰ বাবে ত্ৰৈলোক্য তামুলী (মুন)ক সভাপতি, ভাস্কৰ বৰদলৈ, প্ৰশান্ত বৰা, নিকুন দত্ত, ভৱ টাহু আৰু অজয় পোদ্দাৰক উপদেষ্টা, গোলাপ শইকীয়া, অনন্ত বৰা (অমৰ) আৰু পংকজ শইকীয়াক উপ-সভাপতি, সাধাৰণ সম্পাদকৰূপে প্ৰদ্যুম্ন কিশোৰ বৰুৱা (মামু)ক লৈ প্ৰাক্তন আলফা ঐক্য মঞ্চৰ যোৰহাট জিলাৰ নতুন সমিতিখন গঠন কৰা হয়। সভাত পৰ্যবেক্ষকৰূপে উপস্থিত থাকে প্ৰাক্তন আলফা ঐক্য মঞ্চৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক ধ্ৰুৱ সন্দিকৈ। উক্ত সভাতে মঞ্চৰ তিনিজন জ্যেষ্ঠ সদস্য নৰেন শইকীয়া, পূৰ্ণ গগৈ আৰু বেজিয়া গগৈক একোখনকৈ সম্বৰ্ধনা পত্ৰ প্ৰদান কৰাৰ লগতে চেলেং চাদৰ আৰু গামোচাৰে সন্মান যচা হয়। সভাখনত গোলাঘাট জিলা ঐক্য মঞ্চৰ সাধাৰণ সম্পাদক ৰাজীৱ হাজৰিকা, প্ৰাক্তন আলফা সদস্য অমৰ সিং আৰু মানস শৰ্মা উপস্থিত থাকে। উক্ত সাধাৰণ সভাতেই সদ্যপ্ৰয়াত প্ৰাক্তন নেতা নগেন দাস ওৰফে হিমাংশু দত্তৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে প্ৰয়াতজনৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰি এক শোক প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

# জয়ানগৰ তিনিআলিৰ পৰা ছয় নম্বৰ তিনিআলি সংযোগী পথ মেৰামতিৰ দাবী

■ অইলৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচীৰ হুংকাৰ দুলীয়াজান আছুৰ

**অগ্ৰদূত বাৰ্তা**
**দুলীয়াজান, ২০ মে' ঃ** দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি বুবুল তালুকদাৰ আৰু ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক প্ৰদীপ ছেত্ৰীয়ে এক বিবৃতিত কয় যে জয়ানগৰ তিনিআলিৰ পৰা ছয় নম্বৰ তিনিআলি সংযোগী দুলীয়াজান মহাবিদ্যালয়ৰ মূল পথছোৱা অইল ইণ্ডিয়া লিমিটেডে নিজৰ তৈলপৰিবহী পাইপলাইন মেৰামতিৰ বাবে সম্পূৰ্ণৰূপে খান্দি দীৰ্ঘদিন ধৰি জৰাজীৰ্ণ অৱস্থাত পেলাই হৈছে। উক্ত পথছোৱা অইলে খান্দি জৰাৰ্জীণ অৱস্থাত দীৰ্ঘদিন ধৰি পেলাই থোৱাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ লগতে শিক্ষক আৰু স্থানীয় লোকসকলেও এই বাৰিষা কালত জীয়াতু ভুগিব লগীয়া হৈছে। বিভিন্ন সময়ত মহাবিদ্যালয়লৈ অহা শিক্ষাৰ্থীসকল দুৰ্ঘটনাত পতিত হৈছে। ছাত্ৰনেতাদ্বয়ে লগতে ইয়াকো সদৰী কৰে যে নৱৰত্নৰ খ্যাত এই উদ্যোগ প্ৰতিষ্ঠানটোৰ দুলীয়াজনৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ দুলীয়াজান মহাবিদ্যালয়খনৰ প্ৰতি থকা অমনুযোগিতাৰ চমু নিদৰ্শন। দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাই অইল ইণ্ডিয়া লিমিটেডক স্মাৰকপত্ৰৰ যোগেদি অহা পহিলা জুনৰ ভিতৰত জৰাজীৰ্ণ হৈ থকা পথছোৱা সম্পূৰ্ণৰূপে নিৰ্মাণ কৰিবলৈ দাবী জনায়। যদিহে অহা ২৩ মে'ৰ ভিতৰত অইল ইণ্ডিয়া লিমিটেডে উক্ত পত্ৰখনৰ প্ৰতি সঁহাৰি দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাই স্থানীয় ৰাইজৰ সহযোগত অইলৰ বিৰুদ্ধে তীব্ৰ গণতান্ত্ৰিকভাৱে আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলি সকীয়াই দিয়ে।

# সুকীয়া জৰীপেৰে জনগোষ্ঠীয় মৰ্যাদা প্ৰদানৰ দাবী গৰিয়া-মৰিয়াৰ

**বিশেষ সংবাদদাতা**
**মঙলদৈ, ২০ মে' ঃ** ভূমিপুত্ৰ গৰিয়া-মৰিয়া-দেশীসকলে ভুগি অহা বিভিন্ন সমস্যা তথা অভাৱ-অভিযোগসমূহ দূৰ কৰি অস্তিত্বৰ সংকটত ভোগা জনগোষ্ঠীকেইটাক শীঘ্ৰে সুকীয়া জৰীপেৰে চিনাক্ত কৰি জনগোষ্ঠীয় মৰ্যাদা প্ৰদান কৰিবলৈ আৰু জনগোষ্ঠীকেইটাৰ সামগ্ৰিক উন্নয়নৰ বাবে এটি সুকীয়া বিভাগ গঠন কৰি এজন 'অভিভাৱক/তত্ত্বাৱধায়ক' মন্ত্ৰীক দায়িত্ব অৰ্পণ কৰিবলৈ দাবী জনাই কালি জিলাই জিলাই উপায়ুক্তসকলৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদে। মঙলদৈতো দৰং জিলা সমিতিয়ে তিনিদফীয়া মূল দাবীৰে জিলাৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাক সাক্ষাৎ কৰি কেন্দ্ৰীয় উপদেষ্টা চহিৰ ভূঞা, জিলা সভাপতি আমানুল্লা পাছা আৰু সাধাৰণ সম্পাদক চাহাবুদ্দিন আহমেদৰ নেতৃত্বৰে গঠিত এটি দলে উপায়ুক্তজনৰ জৰিয়তে স্মাৰকপত্ৰ প্ৰদান কৰে। মূল দাবী তিনিটা হ'ল গৰিয়া-মৰিয়া-দেশীসকলক সুকীয়া জৰীপেৰে চিনাক্ত কৰা, এইদৰে চিনাক্ত কৰি জনগোষ্ঠীকেইটাক ধৰ্মীয় পৰিচয়ৰ সলনি জনগোষ্ঠীয় পৰিচয় প্ৰদান কৰা আৰু জনগোষ্ঠীকেইটাৰ সৰ্বাংগীণ উন্নয়নৰ বাবে এটি সুকীয়া বিভাগ খুলি এজন তত্ত্বাৱধায়ক-অভিভাৱক মন্ত্ৰী নিযুক্তি দিয়া। স্মাৰক পত্ৰ প্ৰদান কাৰ্যসূচীত উপ-সভাপতি মিচবাহুল হুদা, মইনুল হক শইকীয়া, সাংগঠনিক সম্পাদক আইনুৰ মতিন, সাংস্কৃতিক সম্পাদক আব্দুল ৰৌফ, ভূৰাড়গড় আঞ্চলিক সমিতিৰ সভাপতি মোস্তাফিজুৰ ৰহমানে অংশগ্ৰহণ কৰে।

# ভূৰাগাঁৱৰ বেতনিত ভয়ংকৰ পথ দুৰ্ঘটনাত মহিলাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**ভূৰাগাঁও, ২০ মে' ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁও থানাৰ অন্তৰ্গত বেতনিত কালি সংঘটিত হোৱা এক ভয়ংকৰ পথ দুৰ্ঘটনাত থিতাতে নিহত হয় এগৰাকী মহিলা। বৰপথাৰ গাঁৱৰ নিহত মহিলাগৰাকীৰ নাম আয়েছা (৪০)। ছাত্তাৰ আলী নামৰ একে গাঁৱৰে মটৰ চাইকেল আৰোহীজনে খোজ কাঢ়ি আহি থকা মহিলাগৰাকীক পিছ ফালৰ পৰা তীব্ৰ বেগে আহি খুন্দিওৱাত মহিলাগৰাকী ছিটিকি পৰে। প্ৰতক্ষ্যদৰ্শীয়ে আয়েছাক সংকটজনক অৱস্থাত বৰালিমাৰী ৰাজ্যিক চিকিৎসালয়ত ভৰ্তি কৰে যদিও চিকিৎসকে তেওঁ মৃত ঘোষণা কৰে।

# বেঁকী নৈৰ খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন শালবাৰী মহকুমাধিপতিৰ



**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ২০ মে' ঃ** বিগত কে'বা বছৰ ধৰি বৰপেটাৰোড-মানাহ ৰাষ্ট্ৰীয় উদ্যান সংযোগী পথৰ কাষেৰে বৈ যোৱা বেঁকী নৈয়ে খহমনীয়াৰ সৃষ্টি কৰি নৈপৰীয়া বিভিন্ন গাঁৱক এমূৰৰ পৰা নিঃশেষ কৰি গৈছিল। বছৰ বছৰ ধৰি বেঁকীয়ে খহনীয়া অব্যাহত ৰাখি নৈপৰীয়া বহুকেইখন গাঁৱৰ ঘৰ-দুৱাৰ, খেতি-মাটি, স্কুল, মন্দিৰ, মছজিদ আদি নিঃশেষ কৰাৰ উদাহৰণো বহুত আছে। প্ৰতি বছৰে খহনীয়া অব্যাহত ৰখা বেঁকীৰ খনহীয়া ৰোধ কৰাত কিন্তু আজিলৈ সফ হ'ব পৰা নাই, চৰকাৰ কিম্বা বিভাগীয় কৰ্তৃপক্ষ। যোৱা বছৰ ৰাজ্য চৰকাৰৰ জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই বেঁকী নৈৰ খহনীয়াগ্ৰস্ত কিছু অঞ্চল পৰিদৰ্শন কৰি খহনীয়া ৰোধৰ বাবে জিঅ' বেগেৰে ব্যৱস্থা হাতত লোৱাৰ বাবে অৱশ্যে এইবেলি খহনীয়া কিছু ৰোধ হৈছে যদিও ঠাই বিশেযে এতিয়াও অব্যাহত আছে খহনীয়া। আজি বাগসাৰ শালবাৰী মহকুমাৰ মহকুমাধিপতি লক্ষ্যজ্যোতি দাসে জালাহ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া, ক্ষেত্ৰ পৰিদৰ্শক, গোৱৰ্ধনা খণ্ড উন্নয়ন বিষয়া-কৰ্মচাৰীৰ স'তে গোৱৰ্ধনাৰ সমীপৰ বেঁকী নৈৰ খহনীয়াগ্ৰস্ত গাঁও খাগ্ৰাবাৰী, মইঠাবাৰী, নেপালী বস্তি, গোৱৰ্ধনাৰ শংকৰ-মাধৱ সত্ৰ আদিৰ চৰজমিনভাৱে প্ৰত্যক্ষ কৰে। খহনীয়া অঞ্চল পৰিদৰ্শন কৰি মহকুমাধিপতি দাসে যোৱা বছৰ জলসম্পদ বিভাগে খহনীয়া ৰোধৰ বাবে লোৱা ব্যৱস্থাৰ বাবে এইবেলি বেঁকীৰ খহনীয়া বহু পৰিমাণে কমি গৈছে বুলি উল্লেখ কৰে। তেওঁ কয় যে যোৱা বছৰৰ তুলনাত এইবেলি বেঁকীৰ জলপৃষ্ঠ নিম্নগামী আছে। মাজে মাজে আমাৰ ফালৰ পৰা খহনীয়া পৰিদৰ্শনৰ ব্যৱস্থা কৰি থকা হ'ব। যদি কিবা ব্যৱস্থা ল'ব লগা হয় সেয়া নিশ্চয়কৈ লোৱা হ'ব।

# শ শ বিঘা বৰোখেতি পানীৰ তলত

■ কৃষকৰ হাহাকাৰ, খাদ্যৰ অভাৱত পৰিছে পশুধন



**অগ্ৰদূত বাৰ্তা**
**বাহাৰঘাট, ২০ মে' ঃ** কে'বাদিন ধৰি নেৰানেপেৰা বৰষুণৰ ফলত বৰভাগ আৰু বনভাগ মৌজাৰ খেতিপথাৰ বাঢ়নী পানীয়ে বুৰাই পেলোৱাৰ ফলত কৃষকৰ হাহাকাৰময় অৱস্থা হৈছে। উল্লেখ্য যে বছৰে বছৰে অঞ্চলটোত বাঢ়নী পানী সোমাই কৃষকক মাধমাৰ শোধাই আছে বানপানীয়ে। বহুত কষ্ট কৰি কৃষকে বৰোধানৰ খেতি কৰে। কিন্তু বাৰিষাৰ আৰম্ভণিতে পাগলাদিয়াৰ পানী সোমাই কৃষকৰ সপোনক তচনচ কৰাটো নতুন কথা নহয়। বিশেষকৈ বৰভাগৰ দোকোঁহা গাঁৱত থকা দুসুঁতিৰ মুখৰ উন্মুক্ত জানটোৰে হোৱাহোৱে সোমাই অহা পানীয়ে সমগ্ৰ অঞ্চলটো বুৰাই ৰাইজক চৰম শাস্তি দি আহিছে। পূৰ্বৰ অগপ চৰকাৰৰ দিনত সঠাইজান আৰু দুসুঁতিৰ মুখৰ শ্লুইছ গেট স্থাপনৰ ক্ষেত্ৰত অভিলাষী আঁচনি লৈছিল। কিন্তু দুৰ্ভাগ্যজনক কথা যে তাৰ পৰৱৰ্তী চৰকাৰসমূহে সঠাইজান আৰু দুসুঁতিৰ মুখৰ শ্লুইছ গেট সম্পৰ্কে কেৱল মাত্ৰ ৰাজনীতি কৰিহে পাৰ কৰিলে। কোনো কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ নকৰিলে কোনো এখন চৰকাৰে। মাত্ৰ নিৰ্বাচনৰ সময়ৰ একপ্ৰকাৰ প্ৰতিশ্ৰুতি হৈ থাকিল বৰভগীয়াৰ অভিশাপ স্বৰূপ সঠাইজান আৰু দুসুঁতিৰ মুখৰ শ্লুইছ গেটখন। ফলত বছৰে বছৰে যন্ত্ৰণা ভোগ কৰে বৰভাগ আৰু বনভাগ মৌজাৰ একাংশ কৃষকে। অকল খেতিপথাৰৰে নহয় মাছপোহা পুখুৰী আৰু পশুধনৰো যথেষ্ট ক্ষতি প্ৰতিটো বাৰিষাত। এইবাৰো সেই একে অৱস্থা হৈছে। পানীৰ তলত আছে শ শ বিঘা বৰোধান। খাদ্যৰ অভাৱত পৰিছে পশুধন। মুঠৰ ওপৰত এক যন্ত্ৰণাময় অৱস্থা এইসকল দুৰ্ভগীয়া ৰাইজৰ। কোনো এজন জনপ্ৰতিনিধিৰে খবৰ ল'বলৈ আহৰি নাই দুৰ্ভগীয়া কৃষকসকলৰ। মাথোঁ ভোটৰ সময়ত হিয়া উজাৰি সহায় কৰাৰ আশ্বাস। বৰক্ষেত্ৰী আৰু নলবাৰী সমষ্টিৰ অন্তৰ্গত এইসকল কৃষকে আজি আক্ষেপ কৰি কয় যে চৰকাৰ গঠনৰ এবছৰ হৈ গ'ল। আমি বিধায়কজন কেনেকুৱা দেখিয়েই নাপালো। বছৰটোত বহুত দুৰ্যোগ পাৰ হৈ গ'ল অঞ্চলটোৰে। কোনো এটা দুৰ্যোগতে আমাৰ খবৰ ল'বলৈ আহৰি নাপালে জনপ্ৰতিনিধিয়ে।

# মেৰামতিৰ দাবীত টীয়কত নাগৰিক সভা

■ মৰণফান্দত পৰিণত ৰাষ্ট্ৰীয় পথ



**অগ্ৰদূত বাৰ্তা**
**জাঁজী, ২০ মে' ঃ** ৰাষ্ট্ৰীয় পথ মেৰামতি আৰু চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় পথ নিৰ্মাণত লেহেমীয়া গতি সম্পৰ্কত আজি টীয়কৰ মা বিবাহ ভৱনত এখন নাগৰিক সভা অনুষ্ঠিত হয়। সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ সদস্য জিতু নেওগে আঁত ধৰা সভাত সভাপতিত্ব কৰে টীয়ক ব্যৱসায়ী সন্থাৰ প্ৰাক্তন সভাপতি জ্যেষ্ঠ নাগৰিক প্ৰদীপ চুতীয়াই। সভাত টীয়ক ব্যৱসায়ী সন্থা, জগদুৱাৰ ব্যৱসায়ী সন্থা, চুতীয়া জাতি ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, টীয়ক প্ৰেছ ক্লাবকে ধৰি বহুকেইজন স্থানীয় সচেতন ব্যক্তিয়ে ঘাইপথটো মেৰামতি তথা নিৰ্মাণ কৰাৰ বাবে উৰ্ধ্বতন কৰ্তৃপক্ষক দাবী জনায়। ইপিনে, বহুকেইজন সচেতন ব্যক্তিযে বিশেষকৈ যোৰহাট অজন্তা বাইপাছৰ পৰা জাঁজী পৰ্যন্ত পথছোৱা মেৰামতিৰ পুনৰ নিৰ্মাণৰ ক্ষেত্ৰত ঠিকাদাৰী প্ৰতিষ্ঠান তথা ৰাষ্ট্ৰীয় পথ প্ৰাধিকৰণে কৰা গাফিলতিৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰি অনতি পলমে পথছোৱা নিৰ্মাণ কৰিবলৈ দাবী জনায়। লগতে দেশৰ প্ৰধানমন্ত্ৰী কাৰ্যালয়ত জনোৱাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈও সিদ্ধান্ত গ্ৰহণ কৰে সভাই। ইপিনে, বৃহত্তৰ টীয়কৰ সৰ্বাংগীণ উন্নয়নৰ হকে সৰ্বসন্মতিক্ৰমে উক্ত সভাতে জ্যেষ্ঠ ব্যৱসায়ী প্ৰদীপ চুতীয়াক সভাপতিৰূপে লৈ নাগৰিক সমিতি, টীয়ক নামেৰে এখন ৩১ জনীয়া সমিতি গঠন কৰি সমিতিৰ প্ৰথম পদক্ষেপ হিচাপে ৰাষ্ট্ৰীয় ঘাইপথ মেৰামতিৰ সন্দৰ্ভত জিলা উপায়ুক্তলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ আৰু অনাগত দিনত পথ মেৰামতিৰ দাবীত পথ অৱৰোধৰ দৰে গণতান্ত্ৰিক আন্দোলন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

# মধ্য যোৰহাটত চৰকাৰী বিদ্যালয়ত প্ৰদৰ্শনী

**অগ্ৰদূত বাৰ্তা**
**লাহদৈগড়, ২০ মে' ঃ** চৰকাৰী মাতৃভাষা বিদ্যালয়লৈ ছাত্ৰ-ছাত্ৰীসকলক নামভৰ্তি নকৰাৰ বাবে বহুতো বিদ্যালয় বন্ধ হোৱাৰ পৰাৰ সময়ত মধ্য যোৰহাটৰ চৰকাৰী মাতৃভাষা বিদ্যালয়লৈ ছাত্ৰ-ছাত্ৰীসকলক আকৰ্ষণ কৰিবলৈ শিক্ষক-শিক্ষয়িত্ৰীসকলে নতুন নতুন আঁচনি প্ৰস্তুত কৰি ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশৰ এক পদক্ষেপ গ্ৰহণ কৰিছে। মধ্য যোৰহাট শিক্ষা খণ্ডৰ অন্তৰ্গত চটাইৰ ১১৩ নম্বৰ ঘৰফলীয়া প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ সহ শিক্ষা এক প্ৰদৰ্শনীৰ আয়োজন কৰে প্ৰধান শিক্ষয়িত্ৰী পদ্মা শইকীয়া আৰু সহকাৰী শিক্ষয়িত্ৰী তৃষ্ণা শইকীয়াই।

# বৰপথাৰত পথ দুৰ্ঘটনাত আহত এক

**বৰপথাৰ, ২০ মে' ঃ** গোলাঘাট জিলাৰ বৰপথাৰত কালি অঘটন সংঘটিত। বিদ্যুতৰ খুটা কঢ়িয়াই অনা এখন ট্ৰেলাৰে মহতিয়াই নিলে স্কুটী আৰোহীক। উল্লেখ্য যে বৃহস্পতিবাৰে বিয়লি বৰপথাৰ ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সমীপত সংঘটিত হৈছে উক্ত দুৰ্ঘটনাটো। এএছ০৫-এন -৪৫৭৬ নম্বৰৰ স্কুটী চলাই অহা দীপ বৰগোহাঁই নামৰ যুৱকজনৰ এটা ভৰিৰ ওপৰেৰে পাৰ হৈ যায় ট্ৰেলাৰখনৰ চকা। দুৰ্ঘটনা সংঘটিত কৰা গাড়ীখনৰ নম্বৰ এছ০৩-ৰি-১০৪৭ আৰু ট্ৰেইলাৰ খনৰ নম্বৰ হ'ল এছ০৫ বি-০২৫৭। দুৰ্ঘটনাৰ ফলত যুৱকজনৰ বাওঁ ভৰিটো সম্পূৰ্ণৰূপে ভাঙি যায়। স্মৰ্তব্য বৰপথাৰ মৌজাৰ অন্তৰ্গত দুই নম্বৰ টেঙানিৰ বাসিন্দা দীপ বৰগোহাঁই মাতৃৰ স'তে আহিছিল বজাৰ কৰিবলৈ। আনহাতে, দুৰ্ঘটনা সংঘটিত কৰিয়েই পলায়ন কৰে ট্ৰেলাৰখনৰ চালক আৰু হেণ্ডিমেনে।

# ধনুভাঙাত বিশ্ব মৌ-মাখি দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**
**দুধনৈ, ২০ মে' ঃ** আজি বিশ্ব মৌ-মাখি দিৱস। মৌ-মাখিৰ বাবে পৰিৱেশ উন্নত কৰাৰ বাবে সমগ্ৰ বিশ্বতে উদ্‌যাপন কৰা হৈছে মৌ-মাখি দিৱস। উদ্যান শস্য আৰু খাদ্য সংসাধন সঞ্চালকালয়, অসমৰ উদ্যোগতো আজি গোৱালপাৰা জিলাৰ ধনুভাঙাত বিশ্ব মৌ-মাখি দিৱস উদ্‌যাপন কৰাৰ লগতে বিশ্ব মৌ-মাখি দিৱসৰ লগত সংগতি ৰাখি দুদিনীয়া কৰ্মশালাৰ আয়োজন কৰিছে। উদ্যান শস্য আৰু খাদ্য সংসাধন সঞ্চালকালয়, অসমৰ উদ্যোগত আৰু গোৱালপাৰা জিলা কৃষি বিভাগৰ সহযোগত ধনুভাঙা বোৱা-কাটা সমবায় সমিতি ভৱনত দুদিনীয়াকৈ আয়োজন কৰা মৌ-মাখি পালন আৰু মৌ ৰস উৎপাদনৰ জিলা পৰ্যায়ৰ কৰ্মশালা আজি বন্তি প্ৰজ্বলন কৰি উদ্বোধন কৰে গোৱালপাৰা জিলাৰ অতিৰিক্ত উপায়ুক্ত ৰঞ্জিত কোঁৱৰে। কৰ্মশালাত ধনুভাঙা অঞ্চলৰ লগতে জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা দুই শতাধিক প্ৰশিক্ষাৰ্থী অংশগ্ৰহণ কৰে। কৰ্মশালাত অংশগ্ৰহণ কৰি গোৱালপাৰা কৃষি বিজ্ঞান কেন্দ্ৰৰ মুখ্য কৃষি বিজ্ঞানী ড° সন্তোষ কুমাৰ বৈশ্যই কয়, 'গোৱালপাৰা জিলাত মৌ-মাখি পালন আৰু মৌৰস উৎপাদনৰ এক বিপ্লৱ গঢ়াৰ পৰিকল্পনাৰে এই কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে গোৱালপাৰা জিলাখনত মৌ পালকসকলক সু-সংগঠিত কৰি মৌ পালনৰ দিশত আগ্ৰহী কৰি তোলাৰ বাবে দুদিনীয়াকৈ অনুষ্ঠিত কৰা হয় কৰ্মশালাৰ।' ইপিনে, উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি গোৱালপাৰা জিলাৰ অতিৰিক্ত উপায়ুক্ত ৰঞ্জিত কোঁৱৰে আমাৰ পৰিৱেশ সুন্দৰকৈ ৰখাত মৌ-মাখিৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে বিস্তৃত ব্যাখ্যা দাঙি ধৰে। তদুপৰি গোৱালপাৰা জিলা বন সংমণ্ডল বিষয়া জিতেন্দ্ৰ কুমাৰ, ৰবৰ ব'ৰ্ডৰ ভাৰপ্ৰাপ্ত আয়ুক্ত বৰুৱা প্ৰমুখ্যে কে'বাগৰাকী বিষয়াই ভাষণ প্ৰদান কৰে।

# ডাঙৰ মানুহৰ পূৰ্বে ভাল মানুহ হ'ব লাগে

■ আগিয়াত বিশ্ব মৌ-মাখি দিৱসত ড° সুকুমল দেৱ

**অগ্ৰদূত বাৰ্তা**
**আগিয়া, ২০ মে' ঃ** 'শিক্ষাৰ্থীসকলে সৰু সৰু কামেৰে বিশ্ব জয়ৰ সপোন দেখিব লাগে। লগতে ডাঙৰ মানুহ হোৱাৰ পূৰ্বে ভাল মানুহ হ'বলৈ চেষ্টা কৰিব লাগে।' এই আহ্বান অসম খাদী অৰু গ্ৰামোদ্যোগ বিভাগৰ মুখ্য কাৰ্যবাহী বিষয়া ড০ সুকুমল দেৱৰ। আজি বিশ্ব মৌ-মাখি দিৱস উপলক্ষে আগিয়া যোগেন্দ্ৰ নাথ মেম'ৰিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আয়োজিত কৰ্মশালা তথা ছাত্ৰ-ছাত্ৰীৰ মত বিনিময় অনুষ্ঠানত এনেদৰে কয় ড° সুকুমল দেৱে। মৌ-মাখি পদ্ধতিগত পালনেৰে কেনেদৰে স্বাৱলম্বী হ'ব পাৰি আৰু কৃষকসকল মৌ-মাখিৰ পৰা প্ৰত্যক্ষ বা পৰোক্ষভাৱে কেনেদৰে উপকৃত হৈ আহিছে তাৰ বিজ্ঞানসন্মত ব্যাখ্যা আগবঢ়ায়। লগতে গোৱালপাৰা জিলাত সুদীৰ্ঘ বছৰৰ পৰা অব্যাহত থকা হাতী-মানুহৰ সংঘাত মৌ-মাখি পালনেৰে কেনেদৰে নিৰাময় কৰিব পৰা যাব তাৰো মনোজ্ঞ বিশ্লেষণ আগবঢ়াই ড° দেৱে কয় যে জিলাখনত ইতিপূৰ্বে বিগত দুটা বছৰৰ পৰাই হাতী-মানুহৰ সংঘাত দূৰ কৰাৰ লক্ষ্যৰে মাটিয়া আৰু বালিজানা ৰাজহ চক্ৰৰ সাতখন গাঁৱত পদ্ধতিগত মৌ-মাখি পালন আৰম্ভ কৰা হৈছে।

জিলাখনৰ কৃষক ৰাইজে মৌ-মাখি পালনৰ প্ৰতি আগ্ৰহী হ'লে নিশ্চিতভাৱে হাতী-মানুহৰ সংঘাত নিৰাময়ৰ লগতে আৰ্থিকভাৱেও স্বাৱলম্বী হ'ব পাৰিব কৃষকসকল। বালিজানা আঞ্চলিক জনসেৱা সমিতিৰ উদ্যোগত অনুষ্ঠিত কৰ্মশালা তথা মত বিনিময় অনুষ্ঠানত আদৰণি ভাষণ আগবঢ়ায় উক্ত বিদ্যালয়ৰ অধ্যক্ষ আব্দুল হকে। সভাত গোৱালপাৰা জিলা উন্নয়ন আয়ুক্ত অশ্ৰুমণি মালাকাৰে মৌজল আইৰণৰ পৰিপূৰক বুলি ব্যাখ্যা আগবঢ়াই অতি কম খৰচত মৌ-মাখি পালনেৰে কেনেদৰে স্বাৱলম্বী হ'ব পাৰি ব্যাখ্যা আগবঢ়ায়। পাছত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ উপস্থিতিত ৰচনা আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগীসকলক মানপত্ৰ আৰু কলম প্ৰদান কৰে উদ্যোক্তসকলে।

# কাষৰিগাঁৱৰ বাদলকুৰি নামঘৰত ভাগৱত পাঠৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**
**পুৰণিগুদাম, ২০ মে' ঃ** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত কাষৰিগাঁও বাদলকুৰি নামঘৰত কাইলৈৰ পৰা দুদিনীয়াকৈ ভাগৱত পাঠৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি পুৱা ধৰ্মধ্বজা উত্তোলন কৰিব স্থানীয় বয়োজ্যেষ্ঠ সমাজকৰ্মী যোগেন বৰা আৰু লীলাধৰ বৰাই। ভাগৱত পাঠ আৰম্ভ কৰিব আচাৰ্য পংকজ গোস্বামীয়ে। ভাগৱত পাঠৰ সমাপ্তিৰ পাছত ২২ মে'ৰ নিশা এখন অসমীয়া ভাওনা মঞ্চস্থ কৰা হ'ব বুলি উদ্যোক্তসকলে জনাইছে। ভাগৱত পাঠ আৰু ভাওনাৰ সমূহ কাৰ্যসূচীত ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতি উদ্যোক্তসকলে কামনা কৰিছে।

# কংগ্ৰেছ চৰকাৰৰ আমোলৰ ঘোষণা আজিও নহ'ল কাৰ্যকৰী

■ মেৰাপানী প্ৰশাসনিক মহকুমা কাৰ্যক্ষম নহ'ল

**অগ্ৰদূত বাৰ্তা**
**মেৰাপানী, ২০ মে' ঃ** ২০১৫ত কংগ্ৰেছ চৰকাৰে ৰাজ্যৰ বহুকেইখন জিলাৰ মহকুমা প্ৰসাৰ কৰাৰ লগতে গোলাঘাট জিলাৰ মেৰাপানীক প্ৰশাসনিক মহকুমা হিচাপে ঘোষণা কৰিছিল যদিও আজিকোপতি মেৰাপানী মহকুমাটোৰ কোনো কাৰ্যক্ষম হোৱা নাই। মেৰাপানী আৰক্ষী থানাৰ অঞ্চলাধীন এই বৃহৎ অঞ্চলটো লক্ষাধিক জনসংখ্যাৰে বসতিপূৰ্ণ এটা কৃষিপ্ৰধান অঞ্চল হিচাপে পৰিচিত। ইয়াত আছে কে'বাখনো বন গাঁও, তিনিখনকৈ মহাবিদ্যালয়, ২০ৰো অধিক হাইস্কুল, চিকিৎসালয়, পৰিদৰ্শন ভৱন, বাছ আস্থান, তিনিটাকৈ বেংক, এটা উন্নয়ন খণ্ড, খণ্ড বন বিষয়াৰ কাৰ্যালয়কে আদি কৰি বহু ৰাজহুৱা সম্পত্তিৰে পৰিপূৰ্ণ মেৰাপানী অঞ্চল। মেৰাপানীৰ এই অঞ্চলটোত আছে ১১খন গাঁও পঞ্চায়ত। কৃষিপ্ৰধান এই অঞ্চলটোৰ জনসাধাৰণৰ সুবিধাৰ বাবে পূৰ্বৰ অগপ চৰকাৰে মেৰাপানী কৃষি মহকুমা হিচাপে ঘোষণা কৰিছিল, কিন্তু কাৰ্য ক্ষেত্ৰত ফুটুকাৰ ফেনত পৰিণত হৈছিল মেৰাপানীক কৃষি মহকুমা। কণা হাঁহক পতান দিয়াৰ দৰে মেৰাপানীৰ কৃষিজীৱী জনসাধাৰণক প্ৰফুল্ল মহন্তৰ অগপ চৰকাৰে কৃষি মহকুমা ঘোষণা কৰি প্ৰতাৰণা কৰিছিল। পাছত মেৰাপানী ৰাইজে কৃষি মহকুমা বুলি একোৱেই নাপালে। আকৌ কংগ্ৰেছ চৰকাৰে ২০১৫ত মেৰাপানীক প্ৰশাসনিক মহকুমা ঘোষণা কৰিলে। ২০১৫ৰ পৰা ২০২১লৈকে মেৰাপানী মহকুমাৰ নামত গমাৰিগুৰি উন্নয়ন খণ্ডৰ চৌহদত এটা কোঠাত মেৰাপানী মহকুমাৰ কাৰ্যালয় লিখি থোৱা এখন ছাইন ব'ৰ্ডৰ বাহিৰে ৰাইজে একো নেদেখিলে। ৰাইজৰ মনত প্ৰশ্ন হৈছে যে কৃষি মহকুমাৰ দৰে মেৰাপানী প্ৰশাসনিক মহকুমাটো কাৰ্যক্ষম নহ'ব নেকি? সেয়ে গোলাঘাট সমষ্টিৰ বিধায়িকা তথা অসম চৰকাৰৰ বিত্তমন্ত্ৰী অজন্তা নেওগে বলিষ্ঠ ভূমিকা গ্ৰহণ কৰি শাসনাধিস্থ মিত্ৰ জোঁটৰ চৰকাৰৰ কাৰ্যকালতেই মেৰাপানীক প্ৰশাসনিক মহকুমা হিচাপে কাৰ্যক্ষম কৰি তুলিবলৈ আহ্বান জনাইছে।

# বাসুগাঁও ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ নতুন পৰিচালনা সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**
**গৰুভাষা, ২০ মে' ঃ** বাসুগাঁও মহাবিদ্যালয় চৌহদত থকা বাসুগাঁও ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল নামেৰে স্বীকৃত বিদ্যালয়খনৰ বিভিন্ন বিষয় লৈ অনুষ্ঠিত সাধাৰণ সভাত স্থানীয় বিধায়ক জয়ন্ত বসুমতাৰীক সভাপতি আৰু অধ্যক্ষক সম্পাদকৰূপে লৈ ২১ জনীয়া সদস্য-সদস্যাৰে নতুন পৰিচালনা সমিতিখন গঠন কৰা হয়। সভাতেই নৱগঠিত পৰিচালনা সমিতিয়ে বাসুগাঁও ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল স্থানান্তৰ কৰা সংক্ৰান্তত গ্ৰহণ কৰা সিদ্ধান্ত সভাতেই বাসুগাঁও ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ আৰু উপাধ্যক্ষ পদত শিক্ষক মাওফুংছাৰ বসুমতাৰী আৰু পৱিত্ৰ কুমাৰ ৰায়ক অধিষ্ঠিত কৰাৰ প্ৰস্তাৱ দুটা নৱগঠিত পৰিচালনা সমিতিয়ে অনুমোদন জনায়। উল্লেখ্য যে নৱগঠিত পৰিচালনা সমিতিৰ প্ৰথমখন সভা অহা ২২ মে'ত মহাবিদ্যালয় চৌহদত অনুষ্ঠিত হ'ব বুলি সভাপতি তথা স্থানীয় বিধায়কে সদৰী কৰে। অনুষ্ঠিত হ'ব লগা প্ৰথমখন সভাতে বাসুগাঁও ডিগ্ৰী কলেজৰ পৰিচালনা সমিতিৰ সভাপতি তথা বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য দেৰহাছাং বসুমতাৰীক মুখ্য উপদেষ্টা হিচাপে মনোনীত কৰাৰো সিদ্ধান্ত লোৱা হয়।

# ৰাজহুৱা ধন ব্যয়ৰ অঘোষিত প্রতিযোগিতাৰ অভিযোগ

## ■ আৰম্ভ অৰাজকতা ঃ পাৰিতোষিক দিব নোৱাৰা কর্মচাৰীক তিতাবৰ পৌৰসভাত পুনৰ নিযুক্তি



*হাজোত বানত প্লাৱিত অঞ্চলত বাঢ়নী পানীৰ মাজেৰে শিক্ষানুষ্ঠানলৈ শিক্ষার্থী।*

**তিতাবৰ, ২০ মে' ঃ** যি সময়ত ৰাজ্য চৰকাৰে চৰকাৰী বিভাগ আৰু জনপ্রতিনিধিসমূহক ৰাজহুৱা পুঁজি ব্যৱহাৰৰ ক্ষেত্রত সর্তকতা অৱলম্বন কৰি ব্যয় সংকোচন কৰিবলৈ বাৰম্বাৰ আহ্বান জনাই আহিছে, তেনেসময়তে তিতাবৰ পৌৰসভাৰ নৱনির্বাচিত সমিতিখনে ৰাজহুৱা ধন ব্যয় কৰাৰ অঘোষিত প্রতিযোগিতাত অৱতীর্ণ হৈছে। প্রাপ্ত তথ্য অনুসৰি যোৱা আঠ মে'ত মুখ্যমন্ত্রীয়ে আয়োজন কৰা নৱনির্বাচিত পৌৰপ্রতিনিধিসকলৰ অভিনন্দন অনুষ্ঠানত অংশগ্রহণ কৰিবলৈও পৌৰসভাৰ পুঁজিৰ পৰা পৌৰপতি ৰূপা দত্ত শইকীয়াই শকত পৰিমাণৰ পুঁজি মোকোলাই নিয়াৰ ঘটনাই সকলোকে হতভম্ব কৰি তুলিছে। যিসময়ত পৌৰসভাখনত অস্থায়ীৰূপে নিয়োজিত চাফাই কর্মচাৰীসকলৰ পৰা আৰম্ভ কৰি অন্যান্য ২৪ গৰাকী কর্মচাৰীক বিগত দুবছৰতকৈও অধিককাল ফুটাকড়ি এটাও দিবলৈ সক্ষম হোৱা নাই তেনেসময়তে দায়িত্বভাৰ লোৱাৰ এমাহ উকলি যোৱাৰ পাছতে পৌৰপতিগৰাকীয়ে লগত দুগৰাকী সতীর্থ সদস্যৰ স'তে গুৱাহাটীলৈ অহা-যোৱাৰ খৰচৰ বাবদ পৌৰসভাৰ পুঁজিৰপৰা ৪০ হেজাৰ টকা উলিয়াই নিয়া বিষয়টোৰে এতিয়া প্রতিক্রিয়াৰ সৃষ্টি কৰিছে। অন্য এক অভিযোগ অনুসৰি ৰাজ্যৰ ৮০খন পৌৰসভাত অস্থায়ীভাৱে নিয়োজিত দুই সহস্রাধিক কর্মচাৰীয়ে বিগত ২৪ মাহে মাহেকীয়া পাৰিতোষিকৰ নামত চৰকাৰৰপৰা একঅনা এটাও লাভ নাই। চৰকাৰৰ ৰাজকোষৰ ভৰাল টনকিয়াল নোহোৱাৰ বাবে নগৰ উন্নয়ন বিভাগক এইসকল কর্মচাৰীয়ে আন্দোলন, স্মাৰকপত্রৰে চৰকাৰক দাবী জনাই অহাৰ পাছতো প্রাপ্য মজুৰি মোকোলাই দিবলৈ অক্ষমতা প্রদর্শন কৰি আহিছে। এনে পৰিপ্রেক্ষিতত পৌৰসভাসমূহত কোনোধৰণৰ নতুন নিযুক্তি নিদিবলৈও চৰকাৰীভাৱে পৌৰসমিতিসমূহক নির্দেশনা জাৰি কৰি থৈছে। কিন্তু চৰকাৰৰ এনেধৰণৰ সিদ্ধান্তৰ বিৰোধীতাৰে চৰকাৰী নির্দেশক অংগুষ্ঠ দেখুৱাই তিতাবৰ পৌৰসভাই ৰাজহুৱা ধন অপচয়ৰ ক্ষেত্রত সকলোতকৈ এখোজ আগত দৌৰিব বিচৰাৰ তথ্য উন্মোচিত হোৱাৰ পাছতে সর্বসাধাৰণ ৰাইজে বিজেপি ১৩ পৃষ্ঠাত চাওক

# মৰিয়নিত পুনৰ ড্ৰাগছ সৰবৰাহকাৰী আটক ঃ ব্ৰাউন ছুগাৰ জব্দ



অগ্রদূত বার্তা

**মৰিয়নি, ২০ মে' ঃ** মৰিয়নি আৰু ইয়াৰ আশে-পাশে ব্যাপক হাৰত ড্রাগছজাতীয় নিচাযুক্ত দ্রব্যৰ সৰবৰাহ অব্যাহত আছে। মৰিয়নিৰ আৰক্ষীয়ে শেহতীয়াকৈ ড্রাগছৰ বিৰুদ্ধে অভিযান তীব্রতৰ কৰি তুলিছে। কিছুদিন পূর্বে পুখুৰীয়া অঞ্চলৰ এজন ড্রাগছ সৰবৰাহকাৰীক মৰিয়নিৰ আৰক্ষীয়ে কৰায়ত্ত কৰি জেললৈ প্রেৰণ কৰিছিল। যোৱা নিশা পুনৰ আন এজন ড্রাগছ সৰবৰাহকাৰী আৰক্ষীৰ জালত পৰে। মৰিয়নিৰ আৰক্ষী সূত্রই জানিবলৈ দিয়া মতে, এক বিশেষ সূত্রৰ পম খেদি মৰিয়নিৰ আৰক্ষীয়ে মৰিয়নিৰ সমীপৰ কাটনিপাৰ লুজনীয়া গাঁৱৰ পৰা ভাস্কৰজ্যোতি বৰা নামৰ ড্রাগছ সৰবৰাহকাৰীজনক আটক কৰে। ধৃত ড্রাগছ সৰবৰাহকাৰীজন মৰিয়নিৰ ৰেলৰে আমেৰিকান কল'নীৰ ঋতুৰাজ বৰাৰ পুত্র ভাস্কাৰজ্যোতি বৰা (২৭) বুলি আৰক্ষীয়ে সদৰী কৰিছে। সৰবৰাহকাৰীজন উক্ত অঞ্চলত ড্রাগছ যোগান ধৰিবৰ বাবে যোৱা বুলি আৰক্ষীৰ সূত্রত প্রকাশ। কিন্তু আৰক্ষীয়ে বিশেষ সূত্রে জানিব পাৰি সৰবৰাহকাৰীজনক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। সৰবৰাহকাৰীজনৰ পৰা সন্দেহজনক ব্রাউন ছুগাৰৰ তিনিটা পেকেটৰ লগতে আন একাধিক সামগ্রী জব্দ কৰে। জব্দ কৰা ব্রাউন ছুগাৰৰ পৰিমাণ প্রায় ৩৬ গ্রাম আৰু ইয়াৰ বজাৰ মূল্য প্রায় এক লাখ ২০ হেজাৰ টকা হ'ব। ইতিমধ্যে মৰিয়নিৰ আৰক্ষীয়ে ৯১/২২ নম্বৰত এক গোচৰ ৰুজু কৰি ভাৰতীয় দণ্ড বিধিৰ (বি)/২৯ এন ডিপি এছ এক্টৰ অধীনত গ্রেপ্তাৰ কৰি জেললৈ প্রেৰণ কৰিছে। এই ঘটনাই প্রমাণ কৰিছে যে মৰিয়নিত বর্তমানেও ব্যাপক হাৰত ড্রাগছ সৰবৰাহ চলি আছে। উল্লেখ্য যে মৰিয়নিত ড্রাগছৰ সৰবৰাহ হৈ থকাৰ বিষয়ে আৰক্ষীয়েও স্বীকাৰ কৰিছে।

# মিছামাৰী আৰক্ষী থানাত গাঁওৰক্ষী বাহিনীৰ সম্বর্ধনা অনুষ্ঠান

অগ্রদূত বার্তা

**ঠেলামৰা, ২০ মে' ঃ** শোণিতপুৰ জিলাৰ মিছামাৰী থানা সমিতিৰ সভাগৃহত আজি এক বিদায় সম্বর্ধনা সভা অনুষ্ঠিত হয়। গাঁওৰক্ষী বাহিনীৰ মিছামাৰী থানা সমিতিয়ে অৱসৰপ্রাপ্ত চক্র সংগঠক মনিৰাম নাথক ফুলাম গামোচাৰে বিদায় সম্বর্ধনা জনায়। মিছামাৰী থানা সমিতিৰ সভানেত্রী দুলুমনি বৰা দাসৰ সভানেত্রীত্বত অনুষ্ঠিত বিদায় সভাখনত মিছামাৰী আৰক্ষী থানাৰ ভাৰপ্রাপ্ত আৰক্ষী বিষয়া ৰাজ কুমাৰ টাই, উপ- পৰিদর্শক হাজিৰ আলী সৰকাৰ, উপ-পৰিৰ্দক তপেশ্বৰ দাস, ঢেকিয়াজুলি ব্লক মণ্ডলৰ সভাপতি শিৱ চৰণ চাহু, আছুৰ শোণিতপুৰ জিলা সমিতিৰ উপ- সভাপতি পৰাগ সেন ডেকা, আছাৰ ঢেকিয়াজুলি আঞ্চলিক সমিতিৰ উপ-সভাপতি সুৰেশ তাঁতী, সমাজকর্মী দীপাংকৰ চৌধুৰী উপস্থিত আছিল। তাৰ উপৰি সভাখনত মিছামাৰী আৰক্ষী থানাৰ অঞ্চলত থকা 72 খন গাঁৱৰ গাঁওৰক্ষী বাহিনীৰ সভাপতি-সম্পাদক আৰু 13 খন গাঁৱৰ মহিলা গাঁওৰক্ষী বাহিনীৰ বিষয়ববীয়াসকল উপস্থিত আছিল। সভাত অৱসৰপ্রাপ্ত মনিৰাম নাথৰ দীঘলীয়া কর্মৰাজি আৰু গাঁওৰক্ষী বাহিনীটোক শক্তিশালী ৰূপত গঢ়ি তোলাৰ ক্ষেত্রত আগবঢ়োৱা অৱদানৰ কথা বিদায় সভাত বক্তাসকলে বিশদভাৱে দাঙি ধৰে। অৱসৰপ্রাপ্ত মণিৰামে নাথে কয় যে নিজৰ গাঁও বা অঞ্চলটোত সামাজিক ১৩ পৃষ্ঠাত চাওক

# ডিমৌত মুখ্যমন্ত্রী-শ্রমমন্ত্রী-বিধায়ক ৰূপেশ গোৱালাৰ প্রতিমূর্তি দাহ

অগ্রদূত বার্তা

**ডিমৌ, ২০ মে' ঃ** কাছাৰ জিলাৰ ডলু চাহ বাগিচাৰ ২৫০০ বিঘা চাহ বাগিচাত চৰকাৰৰ উচ্ছেদ চলাৰ পাছতে ডিমৌত জাঙুৰ খাই উঠিছে সদৌ অসম আদিবাসী ছাত্র সন্থা, ছাত্র সংগঠনটোৰ ডিমৌ শাখাই আজি ডিমৌ চাৰিআলিত ডলু চাহ বাগিচাত শাসনাধিষ্ঠ বিজেপি চৰকাৰখনে উচ্ছেদ চলোৱা কার্যক তীব্র বিৰোধিতা কৰি মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাৰ উপৰি সঞ্জয় কিষাণ আৰু ৰূপেশ গোৱালাৰ প্রতিমূর্তি দাহ কৰে। সংগঠনটোৰ যথেষ্ট সংখ্যক প্রতিবাদী নেতা-কর্মীৰ উপস্থিতিত ডিমৌ চাৰিআলিত ৩৭ নম্বৰ ৰাষ্ট্রীয় পথত সমবেত হৈ বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। ইয়াৰ উপৰি, প্রতিবাদকাৰীসকলে চাহ বাগিচা উচ্ছেদ কৰি বিমানকোঠ নির্মাণ কৰা কার্য বন্ধ কৰিবলৈ দাবী উত্থাপন কৰে। ইমানৰ পাছতো আঁকোৰগোজ মনোভাৱেৰে উচ্ছেদ অভিযান চলাই গ'লে পৰৱর্তী সময়ত ইয়াতকৈ জংগী আন্দোলন গঢ়ি তোলাৰ হুংকাৰ প্রদান কৰে ছাত্র সংগঠনটোৱে।

# মাজুলীত মথাউৰি ৰক্ষা কৰিবলৈ জলসম্পদ বিভাগৰ অভিনৱ পদ্ধতি

## ■ পুৰণি মথাউৰি কাটি বন্ধাইছে পাঁচ কোটিটকীয়া গাইড বান্ধ

অগ্রদূত বার্তা

**কমলাবাৰী, ২০ মে' ঃ** ২২ মাজুলীৰ প্রাচীৰ স্বৰূপ বেছামৰা-হালধীবাৰী মথাউৰিটো প্রৱল বানৰ কবলৰ পৰা ১৯৫৮ৰ পৰা মাজুলীবাসীক সুৰক্ষা দি আহিছে। মথাউৰিটো সৱলীকৰণৰ বাবে প্রতিবছৰে অনুমোদন জনোৱা টকাৰ সদ্ব্যবহাৰ নোহোৱা বুলি প্রায়েই অভিযোগ উত্থাপিত হৈছে যদিও কেৰেপ নকৰে সংশ্লিষ্ট বিভাগৰ কর্মচাৰী আৰু ঠিকাদাৰে। ধাৰাসাৰে অহা বৰষুণৰ প্রভাৱত মথাউৰিটোৰ যথেষ্ট ক্ষতিসাধন হোৱাৰ বাবে আৰু ব্রহ্মপুত্রৰ জলস্তৰ বৃদ্ধি পোৱাৰ বাবে মথাউৰিৰ কাষত বসবাস কৰা



জনসাধাৰণৰ চিন্তিত হৈছিল। এই মথাউৰিটোত বাৰিষাকালত এক ভয়াবহ পৰিস্থিতিৰ সৃষ্টি হয়। য'ত প্রতিবছৰে স্থানীয় লোকসকল আতংকগ্রস্ত হ'বলগীয়া হয়। ব্রহ্মপুত্রৰ জলস্তৰ বৃদ্ধি হোৱাৰ লগে লগে মথাউৰিৰ কাষেৰে প্রবাহিত হয় ব্রহ্মপুত্রৰ ১৩ পৃষ্ঠাত চাওক

# বৰাজোলত গুণোৎসৱৰ মণ্ডল পর্যায়ৰ এদিনীয়া দিক্‌দর্শক প্রশিক্ষণ



অগ্রদূত বার্তা

**ঘগ্রাপাৰ, ২০ মে' ঃ** নলবাৰী জিলাৰ বড়িগোগ, বনভাগ প্রাথমিক শিক্ষাখণ্ডৰ অন্তর্গত দুই নম্বৰ পূব বনভাগ মণ্ডল সমল কেন্দ্রৰ দ্বিতীয় পর্যায়ৰ এদিনীয়া দিক্‌দর্শন প্রশিক্ষণ আজি বৰাজোল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সম্পন্ন হয়। অসম চৰকাৰৰ শিক্ষা বিভাগ, সমগ্র শিক্ষা, এছচিইআৰটি, অসমৰ লগতে প্রাথমিক আৰু মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ উদ্যোগত আয়োজিত গুণোৎসৱৰ পৰিচালন প্রক্রিয়া সন্দর্ভত প্রশিক্ষণ প্রদান কৰা হয়। বিদ্যালয়খনৰ অধ্যক্ষ ৰমনীকান্ত দাসে উদ্বোধন ১৩ পৃষ্ঠাত চাওক

# কৃতী শিক্ষক শান্তনু হাজৰিকাক বিদায় সম্বর্ধনা

**তিতাবৰ, ২০ মে' ঃ** পশ্চিম তিতাবৰৰ মাধবদেৱ ছেমিনাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্রাপ্ত সহকাৰী শিক্ষক তথা যোৰহাট জিলাৰ কৃতী শিক্ষকৰ বঁটাপ্রাপ্ত শান্তনু হাজৰিকাক আজি বিদ্যালয় কর্তৃপক্ষই বিদায় সম্বর্ধনা জনায়। এই উদ্দেশ্যৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি গোলোক চুতীয়াৰ সভাপতিত্বত অনুষ্ঠিত বিদায় সম্বর্ধনা অনুষ্ঠানত বিকিদেৱী গটানী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্রাপ্ত প্রধান শিক্ষক অনিল বৰা, মাধাৱদেৱ ছেমিনাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্রধান শিক্ষক দ্বীপেন বৰুৱা, প্রাক্তন প্রধান শিক্ষক ইন্দ্রেশ্বৰ চুতীয়া, নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ অৱসৰপ্রাপ্ত অধ্যাপক ড° বুধীন্দ্র নাথ শইকীয়া, মেলামাটি চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ৰ প্রধান শিক্ষক অনন্ত খনিকৰ, তিতাবৰ জিলা কর্মচাৰী পৰিষদৰ সম্পাদক সঞ্জীৱ গগৈ, অৰুণোদয় উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্রধান শিক্ষক চন্দ্র কলিতা আৰু বিদ্যালয়খনৰ সহকাৰী শিক্ষক ৰমেন বৰাই বক্তব্য প্রদান কৰে। ছাত্র-ছাত্রীসকলৰ মাজৰ পৰা ডলী গার্গী খনিকৰে বক্তব্য ৰাখে। বিদায়ী শিক্ষকজনক বিদ্যালয় কর্তৃপক্ষৰ তৰফৰ পৰা সম্বর্ধনা পত্র, ফুলাম গামোচা, সঁফুৰাৰ লগতে ছাত্র-ছাত্রীসকলেও নিজাববীয়াকৈ নিজস্ব শৈলীৰে সম্বর্ধনা জ্ঞাপন কৰে। বিদায়ী শিক্ষক হাজৰিকাইও ২২ বছৰীয়া শিক্ষকতা জীৱন সুঁৱৰি সভাত আবেগিক হৈ পৰে।

# তামুলপুৰত গৰিয়া-মৰিয়া-দেশীৰ সমস্যা সমাধানৰ দাবীত মুখ্যমন্ত্রীলৈ স্মাৰকপত্র



অগ্রদূত বার্তা

**তামুলপুৰ, ২০ মে' ঃ** গৰিয়া-মৰিয়া-দেশীসকলক জনগোষ্ঠীৰ মর্যাদা প্রদান কৰা, গৰিয়া-মৰিয়া-দেশীসকলক উন্নয়নৰ বাবে এটি সুকীয়া বিভাগ গঠন কৰি এজন অভিভাৱক বা তত্ত্বাৱধায়ক মন্ত্রী নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা আৰু এই জনগোষ্ঠীৰ সুকীয়া জৰীপৰ ব্যৱস্থা কৰাৰ দাবীত আজি সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ তামুলপুৰ জিলা আহ্বায়ক সমিতিৰ উদ্যোগত তামুলপুৰ জিলা উপায়ুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্রীলৈ এখন স্মাৰকপত্র প্রেৰণ কৰে। স্মাৰকপত্র প্রেৰণ কৰি সংগঠনটোৰ সহকাৰী সাধাৰণ সম্পাদক জালালুদ্দিন আহমেদে কয় যে শ শ বছৰ আগৰ পৰাই আমাৰ ৰাজ্যখনত বসবাস কৰি থকা গৰিয়া-মৰিয়া-দেশী আদি জনগোষ্ঠীসমূহ ১৩ পৃষ্ঠাত চাওক

# মাজুলী মহাবিদ্যালয়ৰ শিক্ষার্থীৰে অন্তৰংগ আলাপ বিধায়কৰ

অগ্রদূত বার্তা

**কমলাবাৰী, ২০ মে' ঃ** মাজুলী মহাবিদ্যালয়ৰ শিক্ষার্থীসকলক সাংগঠনিক মানসিকতাৰে অনুপ্রাণিত কৰাৰ উদ্দেশ্যে আজি এক বিশেষ কেৰিয়াৰ সজাগতা সভা আয়োজন কৰা হয়। অধ্যাপক তুলসী ৰাজখোৱাই আঁত ধৰা সভাখনৰ আৰম্ভণিতেই মাজুলীৰ বিশিষ্ট কবি, শিক্ষাবিদ বোধেশ্বৰ শইকীয়াৰ বিয়োগত এক মিনিট সময় মৌনতা অৱলম্বন কৰি বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰা হয়। মহাবিদ্যালয়ৰ কেশৱৰাম বৰা প্রেক্ষাগৃহত আয়োজিত 'জীৱনত সফলতা লাভ কৰাৰ উপায়' শীর্ষক অন্তৰংগ আলাপ অনুষ্ঠানত মাজুলী সমষ্টিৰ নৱনির্বাচিত বিধায়ক ভুৱন গামৰ স'তে মহাবিদ্যালয়ৰ শিক্ষার্থীসকলে মত বিনিময় কৰে। অনুষ্ঠানটো উদ্বোধন কৰি মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই শিক্ষার্থীসকলক কেৱল চাকৰিমুখী হোৱা পৰিৱর্তে নিজা অধ্যৱসায়েৰে জীৱনত সফলতা অর্জন কৰাৰ ক্ষেত্রত বিধায়কজনৰ পৰা অনুপ্রেৰণা বুটলিবলৈ আহ্বান জনায়। ১৩ পৃষ্ঠাত চাওক

# বিলাসী গাড়ীসহ গৰু জব্দ ঃ গাঁওৰক্ষী বাহিনীয়ে আটক কৰি গতালে আগমনী আৰক্ষীক

অগ্রদূত বার্তা

**আগমনী, ২০ মে'ঃ** ধুবুৰী জিলাৰ আগমনী থানাৰ অন্তর্গত ভাৰত-বাংলাদেশ সীমান্তৱর্তী ৰণপাগলী গাঁৱত গাঁওৰক্ষী বাহিনীৰ তৎপৰতাত যোৱা কালি এখন বিলাসী বাহনসহ বাহনখনেৰে কঢ়িয়াই অনা দুটাকৈ গৰু জব্দ কৰি আগমনী আৰক্ষীক গতাই দিয়ে। গাড়ীখনৰ চালকজনকো আটক কৰে গাঁওৰক্ষী বাহিনীয়ে। কালি দিনৰ আনুমানিক ৩.১০ মান বজাত চাৰিচকীয়া এএছ-১৭ এইছ-৭৬৩৬ নম্বৰৰ হুণ্ডাই এক্সেন্ট বিলাসী গাড়ী এখন পশ্চিম বংগৰ পৰা ৰণপাগলী হৈ আগমনীৰ ১৭ নম্বৰ ৰাষ্ট্রীয় পথ অভিমুখে আহি থকা অৱস্থাত গাঁওৰক্ষী বাহিনীয়ে গাড়ীখনৰ ওপৰত সন্দেহ হোৱাত গাড়ীখন আটক কৰে। ৰণপাগলী বজাৰৰ গাঁওৰক্ষী বাহিনীৰ সম্পাদক শৈলেন চন্দ্র ৰায়ৰ তৎপৰতাত আটক কৰা গাড়ীখনত গাঁওৰক্ষী বাহিনীয়ে তালাচী চলোৱাত গাড়ীখনৰ ডিকিত অবৈধভাৱে দুটাকৈ গৰু কঢ়িয়াই অনা প্রত্যক্ষ কৰে। গাড়ীৰ ডিকিত গৰু প্রত্যক্ষ কৰি গাঁওৰক্ষী বাহিনীয়ে চালকসহ গাড়ীখন জব্দ কৰি আগমনী আৰক্ষীক খবৰ দিয়ে। আগমনী আৰক্ষীৰ দল এটাই ঘটনাস্থলিত উপস্থিত হৈ গাড়ীসহ গৰু দুটা জব্দ কৰাৰ লগতে চফিকুল ইছলাম (৩২) নামৰ চালকজনকো আটক কৰি আগমনী আৰক্ষী থানালৈ অনা হয়। ঘটনা সন্দর্ভত আগমনী আৰক্ষীয়ে অধিক তথ্য উদ্‌ঘাটনৰ বাবে তদন্ত অব্যাহত ৰখা বুলি জানিব পৰা গৈছে। গাড়ীখন পশ্চিম বংগৰ বালাভূতৰ পৰা গৰু কঢ়িয়াই নি ধুবুৰী লৈ গৈ থকা বুলি চালকে জানিবলৈ দিয়ে।

# বিগত চৰকাৰৰ দিনতে আধাৰশিলা কৰা দৌচপৰাৰ পথ আজিও বোকাপানীৰে কদর্যময়

**ৰাইজৰ দাবী শীঘ্রে মেৰামতি কৰক**

অগ্রদূত বার্তা

**বাহাৰঘাট, ২০ মে' ঃ** হাজো বিধানসভা সমষ্টিৰ অন্তর্গত বহুতো পথে বর্তমান অৱস্থাতো যাতায়তৰ অনুপযোগী হৈ আছে। ইয়াৰ ভিতৰতে এটি পথক লৈ বর্তমান সামাজিক মাধ্যমত ব্যপক চর্চা চলি আছে। উক্ত পথটি হৈছে দৌচপৰা গাঁৱৰ পথ। উল্লেখ্য যে বিগত ২০১৭ত সমষ্টিটোৰ বিধায়িকাগৰাকীয়ে ধুমধামেৰে দৌচপৰাৰ গিৰীশ কলিতাৰ গৃহৰ পৰা পশ্চিম বড়িগোগ কলেজলৈ পথৰ আধাৰশিলা কৰিছিল। প্রায় ১০ লাখ



টকা ব্যয় সাপেক্ষত প্লেভাৰ ব্লকৰে নির্মাণ কৰিবলগীয়া পথটোৰ নির্মাণৰ দায়িত্ব স্থানীয় কেইগৰাকীমানকর্মীক দিছিল বিধায়িকা সুমন হৰিপ্রিয়াই। বৰলীয়া নৈৰ মঠাউৰিৰ পৰা যোৱা পথছোৱা আধাৰশিলাৰ কেইদিনমান পাছতে কেইগাড়ীমান মাটি পেলাই আজিলৈকে পথটো যাতায়াতৰ উপযোগী নহ'ল। বর্তমান দীর্ঘদিনৰ পৰা অব্যাহত ১৩ পৃষ্ঠাত চাওক

# কাইলৈ দেৱীৰাম পাঠশালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নলবাৰী জিলা অসম সেনা, উন্নতি সভাৰ অধিৱেশন

অগ্রদূত বার্তা

**নলবাৰী, ২০ মে' ঃ** সদৌ অসম ছাত্র সন্থাৰ তত্ত্বাৱধানত জাতি, ধর্ম, ভাষা নির্বিশেষে সকলো খিলঞ্জীয়া জনগোষ্ঠীৰ সন্মিলিত বৃহত্তৰ অসমীয়া জাতিক লৈ কোনো ৰাজনৈতিক দলৰ প্রতি আনুগত্য নথকা এক অৰাজনৈতিক জাতীয় ভাবাপন্ন সংগঠন অসম উন্নতি সভা গঠন কৰা হৈছিল। সংগঠনৰ উদ্দেশ্য, খিলঞ্জীয়া জনসাধাৰণৰ পৰিচয় আৰু অস্তিত্ব ৰক্ষা কৰি অসমৰ সর্বাত্মক প্রগতিৰ স্বার্থত সকলো জনগোষ্ঠীৰ সমবিকাশ, সমমর্যাদা আৰু সম উন্নয়ন প্রাপ্তিৰ বাবে পদক্ষেপ গ্রহণ কৰা। লগতে ভাষা, কৃষ্টি, সাংস্কৃতিক, অর্থনৈতিক বিকাশ, প্রাকৃতিক দুর্যোগ, পৰিৱেশ সুৰক্ষা, চিকিৎসা সেৱা, জীৱন ধাৰণৰ মান আইন, সাংবিধানিক তথা মানৱ অধিকাৰ সম্পর্কে অধিক সচেতন কৰা আদিকে ধৰি অসমৰ সমস্যাসমূহত মনোনিৱেশ কৰি সেই সমস্যাবোৰৰ সমাধানৰ বাবে জনগণক উদ্বুদ্ধ কৰা আৰু প্রয়োজন সাপেক্ষে জাতীয় সংগ্রাম গঢ়ি তোলা অন্যতম উদ্দেশ্য আছিল। বর্তমান সময়ত অসম উন্নতি সভা আৰু অসম সেনাৰ দৰে দুটা শক্তিশালী জাতীয় সংগঠনৰ প্রয়োজন আছে সেয়া সময়ৰ আহ্বান। সদৌ অসম ছাত্র সন্থাৰ কার্যনির্বাহক সভাই অসমৰ জাতীয় সত্তাৰ ভেটি শক্তিশালী কৰাৰ উদ্দেশ্যে অসম উন্নতি সভা আৰু অসম সেনাক সু-সংগঠিতভাৱে আগুৱাই ১৩ পৃষ্ঠাত চাওক

# কৃত্রিম বানত বিধ্বস্ত বিদ্যালয় চৌহদ

## ■ চৰকাৰী সাহায্যৰ পৰা বঞ্চিত হাউলী হাইস্কুল

অগ্রদূত বার্তা

**হাউলী, ২০ মে' ঃ** ১৯৩৯ তে স্থাপিত বৃহত্তৰ হাউলী অঞ্চলৰ হাউলী উচ্চতৰ মাধ্যমিক বিদ্যালয় আজি চৰমভাৱে অৱহেলিত আৰু উপেক্ষিত। ৰাইজ আৰু চৰকাৰৰ চূড়ান্ত অৱহেলাৰ বাবে আজি বিদ্যালয়খন জৰাজীর্ণ। বর্তমানৰ অসম চৰকাৰে পুৰণি ঐতিহ্যপূর্ণ বিদ্যালয়সমূহক আর্থিকভাৱে সাহায্য দিয়াৰ এক বৃহৎ আঁচনি ঘোষণা কৰিছিল। চৰকাৰে ৭৫ বছৰ অতিক্রম কৰা বিদ্যালয়সমূহক তিনি কোটি টকাৰ এক আর্থিক অনুদান দিয়াৰ বাবে সিদ্ধান্ত গ্রহণ কৰিছিল। চৰকাৰৰ সেই সিদ্ধান্তৰ পৰিপ্রেক্ষিতত হাউলী উচ্চতৰ মাধ্যমিক বিদ্যালয় কর্তৃপক্ষই বিতং তথ্য আৰু নথি-পত্র সংশ্লিষ্ট বিভাগৰ হাতত দাখিলো কৰিছিল। বিভাগীয়ভাৱে এই সম্পর্কত বিতং ক্ষেত্রভিত্তিক অধ্যয়ন কৰি চৰকাৰৰ



ওচৰত প্রতিবেদন দাখিল কৰিছিল যদিও আমোলাতান্ত্রিক মেৰপেছ আৰু শিক্ষা বিভাগৰ একাংশ বিষয়া-কর্মচাৰীৰ অনীহা আৰু চক্রান্তৰ বাবে এই বিদ্যালয়খনে আজি ৮৩ বছৰ অতিক্রম কৰাৰ পাছতো চৰকাৰৰ এই বৃহৎ অনুদানৰ পৰা বঞ্চিত হ'ব লগা হৈছে। ফলত এজাক বৰষুণতে সমগ্র বিদ্যালয় চৌহদ বোকা-পানীৰে উপচি পৰে। উপযুক্ত মেৰামতিৰ অভাৱত শ্রেণীকোঠাসমূহ জহি-খহি গৈছে। শ্রেণীকোঠাসমূহ গছ-লতাৰে এক অৰণ্য সদৃশ পৰিৱেশৰ সৃষ্টি হৈছে। এনে অস্বাস্থ্যকৰ পৰিৱেশত বিদ্যালয়খনৰ স্বাভাৱিক কাম-কাজ চলাই থকাটো অসম্ভৱ হৈ পৰিছে। সমগ্র হাউলী অঞ্চলৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ একমাত্র পৰীক্ষা কেন্দ্রটো আজি মৰিশালিৰ পর্যায়লৈ গতি কৰিছে। বিদ্যালয়খনৰ সন্মুখৰ পথটো ১৩ পৃষ্ঠাত চাওক

# তিনিচুকীয়াৰ হিজুগুৰি উৰণীয়া সেতুৰ সমীপত পুনৰ পথ দুর্ঘটনা

অগ্রদূত বার্তা

**তিনিচুকীয়া, ২০ মে' ঃ** তিনিচুকীয়াৰ হিজুগুৰি উৰণীয়া সেতুৰ সমীপত আজি দিনৰ ভাগত পুনৰ এক পথ দুর্ঘটনা সংঘটিত হয়। এএছ-০১ ইউ-৮৫৯৫ নম্বৰৰ এখন ৰেলৰে ৱার্ডৰ পৰা সামগ্রী কঢ়িয়াই অনা ট্রাকে এজন পথচাৰীক মহটিয়াই নিয়ে। পৰৱর্তী সময়ত ঘটনাস্থলীত ততাতৈয়াকৈ হিজুগুৰি আৰক্ষী উপস্থিত হোৱাৰ লগতে গুৰুতৰভাৱে আঘাতপ্রাপ্ত পথচাৰীজনক চিকিৎসাৰ কাৰণে তিনিচুকীয়া অসামৰিক চিকিৎসালয়লৈ প্রেৰণ কৰে। ইফালে, দুর্ঘটনা সংঘটিত কৰি ট্রাকখনৰ চালকজন পলায়ন কৰে যদিও আৰক্ষীয়ে ট্রাকখন জব্দ কৰিবলৈ সক্ষম হয়। আঘাতপ্রাপ্ত আৰোহীজন হিজুগুৰিৰ 'মা কালী হোটেল'ৰ ১৩ পৃষ্ঠাত চাওক

# যোৰহাটৰ যুৱ কবিৰ উদ্যোগত থলুৱাভাৱে উৎপাদিত সামগ্রী বিক্রীৰ বিপণী মুকলি

## ■ বিপণীৰ স'তে সংযোগ পুথিভঁৰাল

অগ্রদূত বার্তা

**চিনামৰা, ২০ মে' ঃ** পথাৰ আৰু বজাৰ থাকিলেহে জাতি থাকিব এই মূল মন্ত্রকে সাৰোগত কৰি যোৰহাটৰ এজন যুৱকে প্রায় চাৰিবছৰে থলুৱাভাৱে উৎপাদিত বিভিন্ন সা-সামগ্রী বিক্রী তথা ঘৰে ঘৰে যোগান ধৰি এক দৃষ্টান্ত দাঙি ধৰিছে। যি সময়ত একাংশ শিক্ষিত লোকে চাকৰিৰ পাছে পাছে ঘূৰি সময় নষ্ট কৰিছে সেই সময়ত অজন্ত কুমাৰ বৰা নামৰ যুৱ-কবি, প্রৱন্ধকাৰজনে থলুৱাভাৱে উৎপাদিত বিভিন্ন সামগ্রী নিচেই কম মূল্যতে বিক্রী আৰু ঘৰে ঘৰে যোগান ধৰি দেখুৱাইছে আত্মনির্ভৰশীলৰ বাট। উল্লেখ্য যে কেৱল থলুৱাই উৎপাদন কৰা সা-সামগ্রী বিক্রী কৰিবৰ বাবে কালি যোৰহাটৰ উন্নয়ন ছুপাৰ মার্কেটত যুৱকজনে সালংকৃতা-২ নামৰ এখন থলুৱা বিপণী মুকলি কৰে। বিপণীখন মুকলি কৰে বিধায়ক হিতেন্দ্র নাথ গোস্বামীয়ে। বিধায়কজনে বিপণীখন উদ্বোধন কৰি কয় যে অজন্ত কুমাৰ বৰাৰ এই প্রচেষ্টা অনুকৰণীয় আৰু আদৰণীয়।



বন্তি প্রজ্বলন কৰে সদৌ অসম কবি সন্মিলনৰ প্রাক্তন সম্পাদক ড° মণিক শইকীয়াই। বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে 'দৈনিক জনমভূমি'ৰ দিগন্ত ১৩ পৃষ্ঠাত চাওক






## তামুলপুৰত গৰিয়া-মৰিয়া-দেশীৰ সমস্যা

*১২ পৃষ্ঠাৰ পৰা* বছৰ বছৰ ধৰি অৰ্থনৈতিক আৰু ৰাজনৈতিকভাৱে অৱহেলিত, বঞ্চিত আৰু শোষিত হৈ আহিছে। দীৰ্ঘদিনীয়া কংগ্ৰেছৰ শাসন কালত একে ধৰ্মৰ পূৰ্ববংশীয় মূলৰ লোকসকলৰ লগত একাকাৰ কৰি আমাৰ এই জনগোষ্ঠীসমূহক অস্তিত্বহীন কৰি পেলাইছিল। কিন্তু বৰ্তমান চৰকাৰখনে এই অৱহেলিত আৰু বঞ্চিত জনগোষ্ঠীসমূহৰ বাবে লোৱা বলিষ্ঠ পদক্ষেপে আমালৈ আশাৰ বাৰ্তা কঢ়িয়াই আনিছে। তেওঁ এই জনগোষ্ঠীটোৰ জ্বলন্ত সমস্যাসমূহ পোনপটীয়াকৈ অৱগত কৰিব পৰাকৈ ৰাজ্য চৰকাৰৰ ফালৰ পৰা এটি সুকীয়া বিভাগ গঠন কৰি এজন অভিভাৱক বা তত্ত্বাৱধায়ক মন্ত্ৰী নিযুক্তি দি সুনিৰ্দিষ্ট পৰিকল্পনাৰে অসমৰ আন জনগোষ্ঠীসমূহৰ লগতে সমানে সমানে আগবাঢ়ি যোৱাটো নিশ্চিত কৰিবলৈ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক অনুৰোধ জনায়। স্মাৰকপত্ৰ প্ৰেৰণ কৰাৰ সময়ত সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ সহকাৰী সাধাৰণ সম্পাদক জালালুদ্দিন আহমেদ, তামুলপুৰ জিলা আহ্বায়ক সমিতিৰ আহ্বায়ক মজিবৰ ৰহমান, ৰাতুল আলী, মোবাৰক আলী, আলাউদ্দিন আহমেদ আদিকে ধৰি কে'বাজনো নেতা উপস্থিত থাকে। ইয়াৰ পূৰ্বে সংগঠনটোৰ ফালৰ পৰা নৱগঠিত তামুলপুৰ জিলাৰ উপায়ুক্ত সীমান্ত কুমাৰ দাস, অতিৰিক্ত উপায়ুক্ত ডাঃ বেদাংগ তালুকদাৰ, অতিৰিক্ত উপায়ুক্ত কুকিলা গগৈ আৰু তামুলপুৰ ৰাজহ চক্ৰ বিষয়া ওৱাহেদুৰ ৰহমানক সম্বৰ্ধনা জ্ঞাপন কৰে।

## যোৰহাটৰ যুৱ কবিৰ উদ্যোগত

*১২ পৃষ্ঠাৰ পৰা* বৰগোহাঁই, অসমীয়া খবৰৰ নৱজ্যোতি বৰুৱা, অসম ৰাজ্যিক সাংবাদিক সন্থাৰ প্ৰধান সম্পাদক ৰাতুল বৰা, প্ৰবীণ সাংবাদিক বুদ্ধীন্দ্ৰনাথ বৰঠাকুৰ, যুৱ লেখক অজয়লাল দত্ত। বিপণীখনত থলুৱাভাৱে উৎপাদিত বিভিন্ন সামগ্ৰী যেনে সুস্বাদু আৰু অধিক পুষ্টিকৰ কণী, নিৰ্ভেজাল আৰু কেমিকেল মুক্ত খাঁটি সৰিয়হৰ মিঠাতেল, উখোৱা চাউল, বিশুদ্ধ চাহপাত, পকা মিঠৈ, বিশুদ্ধ গুড়ি হালধি উপলব্ধ হ'ব। আনহাতে, সভা-সমিতিত ব্যৱহাৰ তথা প্ৰয়োজন হোৱা অসমীয়া গামোচা, চেলেং, জাপি, গঁড়, কাপোৰৰ বেজ, জনজাতীয় সাজপাৰ, পাজাৰ, আৰনাই, ৰেগে-ৰেগান, ফাগা, ঔৰ্কক্, ৰিছা আদিও উপলব্ধ হ'ব। যুৱকজনৰ এই প্ৰেৰণামূলক কাৰ্যৰ প্ৰতিটো খোজতে সহায় কৰি আহিছে স্নাতকোত্তৰ ডিগ্ৰীধাৰী পত্নী তথা প্ৰবন্ধকাৰ কুসুম শইকীয়াই। উল্লেখ্য যে বিপণীখনৰ স'তে সংযোগ কৰা হৈছে এটি সৰু পুথিভঁৰাল। পাঠকে সামগ্ৰী ক্ৰয় কৰাৰ সমান্তৰালভাৱে নিজৰ পছন্দৰ গ্ৰন্থখনত চকু ফুৰাব পাৰিব আৰু পছন্দৰ গ্ৰন্থখন ১৫ শতাংশ ৰেহাই মূল্যত ক্ৰয় কৰিবও পাৰিব।

## মাজুলী মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰে

*১২ পৃষ্ঠাৰ পৰা* অন্তৰংগ আলাপত বিধায়ক গামে দৰিদ্ৰতাই কোঙা কৰা নিজৰ ল'ৰালিৰ অভিজ্ঞতাৰ বিষয়ে সকলোৰে আগত ব্যক্ত কৰে। এখন সৰু দোকানৰ পৰা লাভ কৰা মাত্ৰ ১৫শ টকা হাতত লৈ গুৱাহাটীলৈ যাত্ৰা কৰা গামে প্ৰথমাৱস্থাত মহানগৰীৰ ফুটপাথত শুই নিশা পাৰ কৰাৰ বিচিত্ৰ অভিজ্ঞতাৰ বিষয়ে সুঁৱৰি আৱেগিক হৈ পৰে আৰু ধৈৰ্য, অধ্যৱসায়, সততা আৰু নিষ্ঠা অবিহনে জীৱনত সফলতা লাভ কৰাটো অসম্ভৱ বুলি অভিহিত কৰে। জীৱনৰ বিভিন্ন উত্থান-পতনৰ মাজেৰে, একাগ্ৰ চিন্তা আৰু অভিজ্ঞতাৰে পুষ্ট হ'লেহে আমি জীৱনত সফল হ'ব পাৰিম বুলি মন্তব্য কৰি বিধায়কজনে শিক্ষাৰ্থীসকলক যিকোনো বিৰূপ পৰিস্থিতিত ধৈৰ্যচ্যুত নহ'বলৈ আহ্বান জনায়। মহাবিদ্যালয়ৰ ভালেকেইজন শিক্ষাৰ্থীয়ে ভিন্নধৰ্মী প্ৰশ্নৰ অৱতাৰণা কৰি অনুষ্ঠানটো মনোগ্ৰাহী কৰি তোলে। সভাত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি নৰেন চন্দ্ৰ ঠাকুৰীয়া, দেউৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী মাধৱ দেউৰী, অধ্যাপক ড° ৰাজেন চন্দ্ৰ বৰা, অধ্যাপিকা মায়াশ্ৰী ডেকা হাজৰিকা, অধ্যাপক বিপুল ৰাজখোৱা, ড° অনুপ কুমাৰ দলে আদিয়ে ভাষণ দিয়ে। মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক হৰেন চন্দ্ৰ শইকীয়া, শৈক্ষিক সমন্বয়ক অৰনী কুমাৰ দত্ত, বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য দীপক গোস্বামী, দেৱ মুদৈ, দেৱব্ৰত দত্ত, বীৰেন শইকীয়া আদি উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

## মাজুলীত মথাউৰি ৰক্ষা কৰিবলৈ

*১২ পৃষ্ঠাৰ পৰা* সোঁত। সেই সোঁতে শালমৰাত নিৰ্মাণ কৰা এক নম্বৰ স্পাৰত খুন্দা মাৰি উভতি অহা জলাধাৰে বনগাঁও প'ৰাম মথাউৰিত ছাপৰ সৃষ্টি কৰি মথাউৰিটোৰ ভাবুকি সৃষ্টি কৰে। অঞ্চলটোৰ ৰাইজে দিনে-ৰাতিয়ে পহৰা দি ৰক্ষা কৰি আহিছে। ৰাইজৰ আবেদনৰ ভিত্তিত মথাৰিটো ৰক্ষা কৰিবলৈ বিভাগে পাঁচকোটি টকা ব্যয় সাপেক্ষে এটা গাইড বান্ধ নিৰ্মাণৰ অনুমোদন জনায়। যোৱা জানুৱাৰীতে ঠিকাদাৰক নিৰ্মাণ কৰিবলৈ লোৱা গাইড বান্ধ সম্পূৰ্ণ নকৰাত। পানী বঢ়াৰ লগে লগে পুনৰ মথাউৰিটোত ছাপৰ সৃষ্টি কৰাৰ আশংকা কৰা হৈছিল। এতিয়া জলসম্পদ বিভাগৰ তদাৰকী কৰ্মচাৰীৰ তত্ত্বাৱধানত চলি থকা কাম সম্পূৰ্ণ কৰাৰ বাবে মুল মথাৰিটোত কাষটো কাটি গাইড বান্ধ বন্ধাইছে । তদুপৰি ওপৰৰ পৰা তললৈ ট্ৰেক্টৰ উঠা-নমা কৰিবলৈ প্ৰায় ২০টামান চেলামি কৰি মথাউৰিটোৰ ব্যাপক ক্ষতি কৰাত স্থানীয় ৰাইজ জাঙুৰ খাই উঠিছে। ৰাইজৰ এনে হঠকাৰী সিদ্ধান্ত লোৱা বিভাগ আৰু ঠিকাদাৰে তৎকালীনভাৱে কাটি পেলোৱা মথাউৰিটোত তৎকালীনভাৱে জিঅ' বেগ সংস্থাপন কৰি মথাউৰিটো সবল কৰি ৰাখক অন্যথা বিভাগ আৰু ঠিকাদাৰক মাজুলীবাসীয়ে কোনো কাৰণত ক্ষমা নকৰে বুলি স্থানীয় ৰাইজে স্পষ্ট কৰি দিয়ে।

## বিগত চৰকাৰৰ দিনতে আধাৰশিলা কৰা

*১২ পৃষ্ঠাৰ পৰা* থকা ধাৰাসাৰ বৰষুণৰ ফলত পথটো বোকাপানীৰে একাকাৰ হৈ যান-বাহনটো দূৰৰ কথা খোজকাঢ়ি অহা-যোৱা কৰাটো অসম্ভৱ হৈ পৰিছে পথ নিৰ্মাণৰ আধাৰশিলাৰ দিনা ৰঙিয়া উন্নয়ন খণ্ডৰ কে'বাজনো বিষয়া-কৰ্মচাৰীৰ লগতে যথেষ্ট সংখ্যাক স্থানীয় দলীয় কৰ্মী তথা পথটোৰ লগত জড়িত ৰাইজ উপস্থিত আছিল। পথৰ আধাৰশিলা কৰিয়ে বিধায়িকাগৰাকীয়ে ৰাইজৰ বাবে অতি গুৰুত্বপূৰ্ণ উক্ত পথটোৰ পথ নিৰ্মাণৰ দায়িত্বপ্ৰাপ্ত কৰ্মীসকলৰ লগতে ৰাইজক সহযোগিতা কৰি পথটো যাতায়াতৰ উপযোগী কৰি তুলিবলৈ আহ্বান জনাইছিল। কিন্তু দুৰ্ভাগ্যজনক কথা যে ঠিকাদাৰৰূপি কৰ্মীসকলে ৰাইজৰ সহযোগিতা বিছৰাটো দূৰৰ কথা ৰাইজক এন্ধাৰত ৰাখি পথটোৰ কাম সামান্য কৰি বাকী সমুদায় ধন কি হ'ল তাৰ হিচাপ দিবলৈ অপৰাগতা প্ৰকাশ কৰিছে। এই সম্পৰ্কে বিগত বিধানসভা নিৰ্বাচনৰ আগতে বিধায়িকাগৰাকীক ৰাইজে অৱগত কৰিছিল। ৰাইজৰ দাবীত বিধায়িকাগৰাকীয়ে চৰকাৰ গঠনৰ ছয়মাহৰ ভিতৰতে পথটো সম্পূৰ্ণ যাতায়তৰ উপযোগী কৰি দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। বৰ্তমান ছমাহ উকলি এবছৰ অতিক্ৰম কৰিলে কিন্তু পথটো সম্পূৰ্ণ কৰাৰ কোনো লক্ষ্যণ আজিলৈকে ৰাইজে দেখা নাই। সেয়েহে ৰাইজে বিধায়িকাগৰাকীক পথটো স্বচক্ষে প্ৰত্যক্ষ কৰিবলৈ আহ্বান জনাইছে। এইসকল ৰাইজ তথা একাংশ শাসকীয় দলৰ কৰ্মী আৰু বিভিন্ন দল-সংগঠনৰ কৰ্মীয়ে আক্ষেপ কৰি কয় যে বাৰিষা পথটো বোকাপানীৰে উপচি পৰাটো ডাঙৰ কথা নহয় কিন্তু বিধায়িকাই কথা দি কথা ৰাখিব নোৱাৰাটো আমাৰ বাবে দুৰ্ভাগ্যজনক কথা। বিধায়িকাৰ অমনোযোগিতাৰ বাবে যন্ত্ৰণা ভোগ কৰিছে ৰাইজে। সেয়েহে ৰাইজে অনতিপলমে পথটো নিৰ্মাণ কৰি যাতায়াতৰ উপযোগী কৰি তুলিবলৈ বিধায়িকাগৰাকীৰ লগতে দায়িত্বশিল বিষয়া কৰ্মচাৰীক আহ্বান জনাইছে।

## কৃত্ৰিম বানত বিধ্বস্ত বিদ্যালয় চৌহদ

*১২ পৃষ্ঠাৰ পৰা* যথেষ্ট ওখ হোৱাত আৰু গড়কাপ্তানী বিভাগে অবিজ্ঞানসন্মতভাৱে বিদ্যালয়খনৰ সন্মুখেৰে নিৰ্মাণ কৰা এটা নলা বিদ্যালয়খনৰ কাষতেই শেষ হোৱাত নলাৰ পৰা অহা সকলোবোৰ আৱৰ্জনা বিদ্যালয় চৌহদত জমা হয়। ইতিমধ্যে বৰপেটা জিলা উপায়ুক্তৰ নিৰ্দেশত হাউলী পৌৰসভাৰ সভানেত্ৰী আৰু কাৰ্যবাহী বিষয়াই বিদ্যালয়খন পৰিদৰ্শন কৰি সমস্যাসমূহৰ সমাধানৰ আশ্বাস দিছে। হাউলী অঞ্চলক কেন্দ্ৰ কৰি দুখন উন্নয়ন পৰিষদ আছে যদিও দুয়োখন পৰিষদৰ ভূমিকা অতি পুতৌ জনক। স্থানীয় বিধায়কৰ ভূমিকাও ৰাইজৰ স্বাৰ্থৰ পৰিপন্থী। বৰপেটা জিলা প্ৰাক্তন 'আছু' সতীৰ্থ সন্মিলনৰ উপদেষ্টা তথা হাউলী আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি যুগান্ত বায়নে বিদ্যালয়খনৰ অধ্যক্ষৰ লগত এক আলোচনাত মিলিত হৈ বিদ্যালয়খনৰ সাম্প্ৰতিক পৰিস্থিতি অৱসান ঘটোৱাৰ বাবে এক বৃহৎ জনমত গঠন কৰাৰ বাবে মত প্ৰকাশ কৰিছে। ইপিনে, ১৮ মে'ত সদৌ বৰপেটা জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক নয়নজ্যোতি দাস, বৰপেটা মহকুমা ছাত্ৰ সন্থাৰ সভাপতি উৎপল ৰয়, হাউলী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ধৃতিদ্বীপ দাস, সম্পাদক ৰাজু দাস আৰু বিত্ত সম্পাদক গৌৰৱ নাথৰ নেতৃত্বত এটা প্ৰতিনিধি দলে বিদ্যালয়খন পৰিদৰ্শন কৰি বৰ্তমানৰ অৱস্থাৰ বুজ লয় আৰু অধ্যক্ষ কমল দাসৰ লগত সমস্যা সমাধানৰ বাবে এক আলোচনাত মিলিত হয়। ছাত্ৰ নেতাসকলে তৎকালীনভাৱে বিদ্যালয়খনত উপযুক্তভাৱে এক আৰ্থিক সাহায্য প্ৰদান কৰি বিদ্যালয়খনক উন্নতমানৰ পৰ্যায়লৈ নিবলৈ চৰকাৰক আহ্বান জনায়।

## ৰাজহুৱা ধন ব্যয়ৰ অঘোষিত

*১২ পৃষ্ঠাৰ পৰা* নেতৃত্বাধীন তিতাবৰ পৌৰসভাখনক গৰিহণা দিছে। উল্লেখ্য যে বিগত ২৭ এপ্ৰিলত তিতাবৰ পৌৰসভাৰ প্ৰথমখন ব'ৰ্ড সভাত গ্ৰহণ কৰা কেতবোৰ জনবিৰোধী সিদ্ধান্ত ৰাজহুৱা হোৱাৰ পাছতেই নৱনিৰ্বাচিত পৌৰসভাখন তিতাবৰ নগৰ উন্নয়নৰ বাবে কিমান দায়বদ্ধ সেইকথাও পৰিস্ফুট হৈছে। তথ্য অনুসৰি, তিতাবৰ পৌৰসভাৰ বিভিন্ন বাহনসমূহ চলাবৰ বাবে বৰ্তমানে পৌৰসভাখনত ছজন চালকৰ অস্থায়ীভাৱে নিযুক্তি হৈ আছে। অন্যান্য কৰ্মচাৰীসকলৰ দৰেই এইসকল গাড়ী চালকেও মাহৰ পাছত মাহ ধৰি প্ৰাপ্যৰপৰা বঞ্চিত হৈ থকাৰ পাছতো পুনৰ এজন নতুন চালকৰ নিযুক্তি দিয়াৰ অন্তৰালত কি স্বাৰ্থ লুকাই আছে সেইকথাতো অবুজ সাঁথৰত পৰিণত হৈছে। চৰকাৰী নিৰ্দেশনাক উলংঘা কৰি আৰু ব'ৰ্ড সদস্যসকলৰ আপত্তিৰ পাছতো পৌৰপতি ৰূপা দত্ত শইকীয়াই নতুন চালকৰ নিযুক্তিৰ বিষয়টোত আকোৰগোঁজ হৈ থকাত অৱশেষত এজন নতুন গাড়ী চালকক নিযুক্তি দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। নতুন নিযুক্তিৰ ক্ষেত্ৰত কোনো সাক্ষাৎকাৰৰ ব্যৱস্থা নকৰাকৈ দৈনিক ২০০ টকাকৈ ধাৰ্য কৰি ইতিমধ্যে পৌৰসভাই এজন নতুন গাড়ী চালকক নিযুক্তি দিয়াৰ পাছতেই পৌৰসভাখনৰ ভিতৰত সৃষ্টি হোৱা ক্ষোভে দিছপুৰৰ পাইছেগৈ। পৰ্যাপ্ত সংখ্যক গাড়ী চালক থকাৰ পাছতো প্ৰথমবাৰ পৌৰসভালৈ গঠন কৰিয়ে নতুন নিযুক্তিৰ বাবে পৌৰসভাখনক বাধ্য কৰোৱা পৌৰপতিগৰাকীৰ এই কৰ্মকাণ্ডই যে তিতাবৰৰ কৰদাতা বাসিন্দাসকলৰ মূৰত এটা ৰামটাঙোন সোধাইছে সেইকথাও আলোচিত হৈছে। ইয়াৰ বিপৰীতে কিন্তু পৌৰসভাখনৰ পুঁজি টনকিয়াল কৰি স্থিতি মজবুত কৰিবলৈ ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত যিবোৰ প্ৰস্তাৱ কাৰ্যকৰী কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছিল সেইবোৰৰ ক্ষেত্ৰত কিন্তু নিৰ্দিষ্ট সময়সীমা উকলি যোৱাৰ পাছতো পৌৰসভাখনে অদ্যপৰিমিত এখোজো আগুৱাব পৰা নাই। উল্লেখ্য যে তিতাবৰ পৌৰসভাৰ অন্তৰ্গত তিতাবৰ সাপ্তাহিক বজাৰ আৰু নগৰৰ পাৰ্কিঙৰ লেচীসকলৰ ম্যাদ বিগত এপ্ৰিলতে উকলি গ'ল। সেই অনুসৰি চলিত মাহৰ ১৫ তাৰিখৰ ভিতৰত সাপ্তাহিক বজাৰ আৰু পাৰ্কিঙ স্থানৰ নতুন নিবিদা আহ্বান কৰাৰ প্ৰস্তাৱ ব'ৰ্ডৰ সভাত কাৰ্যকৰীকৰণৰ বাবে গ্ৰহণ কৰা হৈছিল। উক্ত প্ৰস্তাৱ কাৰ্যকৰীকৰণ কৰা দূৰৈৰ কথা নিৰ্দিষ্ট সময়সীমা উকলি যোৱাৰ পাছতো পৌৰসভাখনে আজিলৈকে নিবিদা পত্ৰখনকে প্ৰস্তুত কৰিব নোৱাৰিলে। কেতিয়ালৈ নিবিদা প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিব পাৰিব তাক লৈ এতিয়া বিভিন্ন মহলত চৰ্চা আৰম্ভ হৈছে। তাতোকৈ গুৰুত্বপূৰ্ণ কথা হ'ল বৰ্তমানৰ যি দুজন লেচীয়ে সাপ্তাহিক বজাৰ আৰু পাৰ্কিঙৰ কৰ সংগ্ৰহৰ দায়িত্ব পাইছিল তেওঁলোকে অদ্যপৰিমিত পৌৰসভাখনক ক্ৰমে দুইলাখ (ৰেহাই সহিতে) আৰু ডেৰ লাখ (ৰেহাই সহিতে) টকা পৰিশোধ কৰিবলৈ বাকী আছে। এনেক্ষেত্ৰত নীতিবৰ্হিভূত আৰু অগণতান্ত্ৰিকভাৱে পুৰণা লেচীকে কৰ সংগ্ৰহ কৰি থাকিবলৈ সুবিধা দিয়াৰ আঁৰতো কিবা ৰহস্য লুকাই থাকিব পাৰে বুলি সন্দেহ প্ৰকাশৰ থল আছে বুলি অভিযোগ উঠিছে। নতুন নিবিদা আহ্বান কৰাৰ আগতেই দুয়োজন লেচীৰ অনাদায় হৈ থকা বৃহৎ পৰিমাণৰ ধনৰাশি কেনেদৰে সংগ্ৰহ কৰিব সেই সম্পৰ্কতো পৌৰসভাখনে সিদ্ধান্ত গ্ৰহণত অসমৰ্থ বুলি তথ্য সদৰি হৈছে। ২০০৫তে গঠন হোৱা তিতাবৰ পৌৰসভাখনত পোনোপ্ৰথম বাৰৰ বাবে তিতাবৰৰ পৌৰবাসিন্দাই বিজেপিক নিৰকুংশ সংখ্যা গৰিষ্ঠতা প্ৰদান কৰিছিল যদিও পৌৰসভাৰ নেতৃত্বধাৰীসকলৰ শেহতীয়া কৰ্মকাণ্ডই পৌৰবাসীৰ মোহভংগ ঘটাবলৈও বহুসময় অপেক্ষা কৰিব লগা নহ'ল।

## ৰেলৱে লাইনৰ বাবে বছৰ বছৰ ধৰি আবদ্ধ

**■ উদ্ধাৰ বিচাৰি উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান**

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ২০ মে' ঃ** তিনিচুকীয়া ৰেল লাইন স্থাপন হোৱাৰ দিন ধৰি একপ্ৰকাৰ বহু বছৰ ধৰি সেই ৰেলৱে লাইনৰ দ্বাৰাই আবদ্ধ প্ৰায় হৈ আহিছে ডিব্ৰুগড় জিলাৰ শ শ ৰাইজ। ডিব্ৰুগড় জিলাৰ একপ্ৰকাৰ লাহোৱালৰ পৰাই আৰম্ভ কৰি তিনিচুকীয়া জিলাৰ হিজুগুৰি-লাইপুলিলৈকে ৰেল লাইনৰ কাষে-কাষে থকা সৰু-সৰু প্ৰায় ১০ খনমান ঠাই বিশেষকৈ হিজুগুৰি, লাইপুলি, গোবিন্দপুৰ, পানীতোলা, খাজিখোৱা, চাবুৱা, হাতীআলি, ডিকম, মোহনবাৰী, লাহোৱাল আদি অঞ্চলসমূহ আছে, তেনেকৈ সেই ঠাইসমূহত বহুবোৰ বিদ্যালয়-চিকিৎসালয়কে ধৰি কে'বাখনো গাঁৱত হেজাৰ হেজাৰ লোকে বসবাস কৰি আহিছে। উল্লেখ্য যে উক্ত ৰেল লাইনৰ কাষে-কাষে গৈছে ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথ। আনহাতে, উক্ত গাঁওসমূহৰ পৰা ৰাষ্ট্ৰীয় পথটোলৈ যাবলৈ কোনো বাট-পথৰ ব্যৱস্থা ৰেলৱে বিভাগে কৰা নাই। ৰাইজে নিজেই বনাই লোৱা বাট-পথ মাজে মাজে দি লৈছে যদিও তাত ৰেলৱে বিভাগৰ কোনো ছিগনেল গেটৰ ব্যৱস্থা কৰা নাই, তাৰ ফলত ৰেল লাইন পাৰ হোৱাৰ সময়ত দুৰ্ঘটনা হোৱাটো নিত্য নৈমিত্তিক ঘটনাৰ দৰে হৈ পৰিছে। আনহাতে, ৰাইজে নিজেই বনাই লোৱা উক্ত ৰাষ্ট্ৰীয় পথৰ পৰা গাঁও সংযোগী পথসমূহৰ পৰস্পৰৰ মাজৰ ব্যৱধান অতি বেছি, তাৰ বাবেও ৰাইজে দুৰ্ভোগ ভুগিব লগা হয়।


উক্ত ৰেল লাইনটো স্থানান্তৰ কৰিবলৈ তিনিচুকীয়া জিলাৰ অন্তৰ্গত অঞ্চলত বিহিত ব্যৱস্থা হাতত ল'বলৈ আজি কে'বাবছৰ আগতে ৰাইজে তিনিচুকীয়া জিলাৰ উপায়ুক্তক আবেদন পত্ৰ দাখিল কৰিছিল আৰু উপায়ুক্তইও জৰীপ আদিকে ধৰি যাৱতীয় ব্যৱস্থা হাতত লৈছিল। কিন্তু একে আবেদনৰ ক্ষেত্ৰত ডিব্ৰুগড় জিলাৰ উপায়ুক্তই কোনো ব্যৱস্থা হাতত নোলোৱাত বিষয়টো তেনেকৈয়ে পৰি থাকে। তেনে সময়তে নেতৃস্থানীয় ব্যক্তি দুজনমানে গুৱাহাটী উচ্চ ন্যায়ালয়ত ৰাজহুৱা লেখ আবেদন দাখিল কৰে আৰু উচ্চ ন্যায়ালয়েও গোচৰ নম্বৰ পিআইএল ৮৪/২০২০ মৰ্মে বিষয়টোক মান্যতা প্ৰদান কৰে। ইমানৰ পাছতো ৰাজ্য চৰকাৰ আৰু বিশেষকৈ ৰেল বিভাগে কোনো বিহিত ব্যৱস্থা হাতত নোলোৱাত ভুক্তভোগী ৰাইজৰ দ্বাৰা গঠিত 'বৃহত্তৰ চাবুৱা ৰেলৱে লাইন আক্ৰান্ত সমিতি'ৰ সভাপতি প্ৰফুল্ল চেতিয়া আৰু সম্পাদক ৰঞ্জিত দত্তই যোৱা ১২ মে'ত ডিব্ৰুগড় জিলাৰ উপায়ুক্তৰ হাতত আন এখন স্মাৰকপত্ৰ প্ৰদান কৰে। এই সম্পৰ্কে হোৱা আলোচনা কালত উপায়ুক্তই বিষয়ববীয়াদ্বয়ক যাৱতীয় ব্যৱস্থা হাতত লোৱাৰ আশ্বাস প্ৰদান কৰে।

## এল টি কে মহাবিদ্যালয়ত কৰ্মসংস্থাপনৰ দক্ষতা বিষয়ক কৰ্মশালা

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ২০ মে' ঃ** ছাত্ৰ-ছাত্ৰীসকলৰ নিয়োগ সম্পৰ্কীয় দক্ষতা আহৰণৰ কৌশলৰ বিষয়ে কালি এল টি কে মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় সেৱা আঁচনি (এন এছ এছ) দক্ষতা আৰু ব্যক্তিত্ব বিকাশ কোষৰ উদ্যোগত এক কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালা উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বুবুল কুমাৰ শইকীয়াই। উদ্বোধনী ভাষণ প্ৰসংগত শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যৎ গঢ়াৰ ক্ষেত্ৰত প্ৰয়োজনীয়তাৰ ওপৰত মনোনিৱেশ কৰিবলৈ আহ্বান জনায়। কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ৰকনীভ টেকন'লজি'ৰ মুখ্য কাৰ্যবাহী আৰু আই টি টি একাডেমীৰ আঞ্চলিক প্ৰবন্ধক তথা আমেৰিকাস্থিত কেন্টল বিশ্ববিদ্যালয়ৰ এম বি এ ডিগ্ৰীধাৰী প্ৰদীপ ছেত্ৰীয়ে। অনুষ্ঠানত দক্ষতা আৰু ব্যক্তিত্ব বিকাশ কোষৰ সমন্বয়ক ড° ৰণদ্বীপ বড়াই, মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক বিজু কুমাৰ সোণোৱাল প্ৰমুখ্যে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা আৰু কে'বাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## অৱসৰপ্ৰাপ্ত শিক্ষাবিদ নৰেন দাসৰ পৰলোকপ্ৰাপ্তি



**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২০ মে' ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত খাতিকুছি গাঁও নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষক তথা সমাজকৰ্মী নৰেন দাস (৮৮)ৰ আজি নিজ বাসভৱনত মৃত্যু হয়। দীৰ্ঘদিন ধৰি মধুমেহ ৰোগত আক্ৰান্ত হোৱাৰ লগতে শয্যাগত হৈ থকা দাসৰ আজি আবেলি ২-৩০ বজাত মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে অনেক গুণমুগ্ধই তেওঁক শ্ৰদ্ধা জনায়। স্থানীয় বনভাগ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ পদৰ পৰা অৱসৰ গ্ৰহণ কৰা দাসে অঞ্চলটোৰ প্ৰায়বোৰ সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত আছিল। তেওঁৰ মৃত্যুত পশ্চিম বনভাগ উচ্চতৰ মাধ্যমিক বিদ্যালয় খাতিকুছিৰ দুৰ্গা মন্দিৰ, অসমী জাতীয় বিদ্যালয়, বজাৰ উন্নয়ন সমিতি, বালিকা বিদ্যালয়, শ'লগুৰি সত্ৰ, পশ্চিম বনভাগ আঞ্চলিক শংকৰদেৱ সংঘ আদিয়ে শোক প্ৰকাশ কৰে। ইফালে, অৱসৰপ্ৰাপ্ত শিক্ষাবিদ তথা বিজেপিৰ সক্ৰিয় কৰ্মী নৰেন দাসৰ মৃত্যুৰ বাতৰি পোৱাৰ লগে লগে নলবাৰীৰ বিধায়ক জয়ন্ত মল্ল বৰুৱা আৰু বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱা, নলবাৰী জিলা পৰিষদৰ সভাপতি নিতুল ডেকা উপস্থিত হৈ মৃতকক শ্ৰদ্ধা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ চাৰিজন পুত্ৰ আৰু দুগৰাকী কন্যাৰ লগতে বহুতো গুণমুগ্ধক এৰি যায়।

## তিনিচুকীয়াৰ হিজুগুৰি উৰণীয়া

*১২ পৃষ্ঠাৰ পৰা* কৰ্মচাৰী বুলি স্থানীয় ৰাইজে সদৰী কৰিছে যদিও পৰিচয় লাভ কৰা নাই। স্থানীয় ৰাইজৰ লগতে বিভিন্ন দল-সংগঠনে অভিযোগ কৰা মতে, ৰেলৱে ৱাৰ্ডৰ পৰা বিভিন্ন গুদামলৈ সামগ্ৰী কঢ়িয়াই অনা ট্ৰাক চালকসকলে যানবাহন আৰক্ষীৰ আইন ভৰিৰে মোহাৰি হেণ্ডিমেনৰ অবিহনে ট্ৰাক চলোৱাৰ লগতে অত্যধিক বোজাবহন কৰি ট্ৰাক চলোৱাৰ কাৰণে একেটা স্থানতে বাৰম্বাৰ ইটোৰ পাছত সিটো পথত দুৰ্ঘটনা সংঘটিত হৈ আহিছে। উক্ত স্থানত সঘনাই পথ দুৰ্ঘটনা সংঘটিত হৈ আহিছে বুলি জানিও আৰক্ষী কিম্বা যানবাহন আৰক্ষীয়ে কোনো ব্যৱস্থা গ্ৰহণ কৰাৰ সলনি দুৰ্ঘটনা সংঘটিত হোৱাৰ দোষটো জনসাধাৰণলৈ এৰি দিয়াৰ বিষয়টোয়ে প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

## মিছামাৰী আৰক্ষী থানাত

*১২ পৃষ্ঠাৰ পৰা* বাতাবৰণ সুস্থ কৰি ৰাখিবলৈ চৰকাৰ বা আৰক্ষীয়ে সফল হ'ব নোৱাৰে। এই ক্ষেত্ৰত গাঁওৰক্ষী বাহিনীৰ সদস্যসকলৰ ভূমিকা উল্লেখযোগ্য। গাঁওৰক্ষী বাহিনীৰ সদস্যসকলে প্ৰতিটো সময়তে নিজৰ কৰ্তব্য পালন কৰি অহাৰ লগতে আৰক্ষীক সৰ্বতোপ্ৰকাৰে সহায় কৰি আহিছে। যেতিয়া গাঁওখনৰ সকলো মানুহ গভীৰ নিদ্ৰাত থাকে তেতিয়া গাঁওৰক্ষী বাহিনীৰ কৰ্মকৰ্তাসকল উজাগৰী নিশা কটায়। তাৰ বিনিময়ত চৰকাৰৰ কি মাননি লাভ কৰে সেয়া সৰ্বজনবিদিত। গাঁওসমূহত সময় সাপেক্ষে সজাগতাৰ সৃষ্টি কৰি গাঁওৰক্ষী বাহিনীৰ সদস্যসকল নিজৰ লক্ষ্যৰ পৰা বিচলিত নহ'বলৈ নাথে সকলোকে আহ্বান জনায়।

## কাইলৈ দেৱীৰাম পাঠশালা

*১২ পৃষ্ঠাৰ পৰা* নিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই সিদ্ধান্তৰ বাবে সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ উদ্যোগত অসম উন্নতি সভা আৰু অসম সেনাৰ নলবাৰী জিলা সমিতি পুনৰ গঠন কৰাৰ বাবে অহা ২২ মে'ত দিনজোৰা কাৰ্যসূচীৰে নলবাৰী দেৱীৰাম পাঠশালা উচ্চতৰ মাধ্যমিক বিদালয়ৰ প্ৰেক্ষাগৃহত অসম উন্নতি সভা আৰু অসম সেনাৰ নলবাৰী জিলা সমিতি পুনৰ গঠনৰ বাবে নলবাৰী অধিবেশনৰ আয়োজন কৰা হৈছে। সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত প্ৰতিখন আঞ্চলিক ছাত্ৰ সন্থাৰ পৰা ৰাজনৈতিক দলৰ প্ৰতি আনুগত্য নথকা এক অৰাজনৈতিক জাতীয় ভাবাপন্ন থকা শিক্ষাগুৰু, প্ৰাক্তন ছাত্ৰনেতা, সমাজকৰ্মী, সমাজ সংগঠক, প্ৰাক্তন কৰ্মচাৰী, কৰ্মচাৰী, ক্ৰীড়া সংগঠক, কৃষক তথা বিশিষ্ট ব্যক্তিক অংশগ্ৰহণ কৰাৰ বাবে জিলা ছাত্ৰ সন্থাৰ সভাপতি গুণজ্যোতি পাঠক, সাধাৰণ সম্পাদক অক্ষয় ডেকা আৰু নলবাৰী জিলা উন্নতি সভাৰ সাধাৰণ সম্পাদক ৰাতুল চন্দ্ৰ ডেকাই আহ্বান জনাইছে।

## বৰাজোলত গুণোৎসৱৰ মণ্ডল

*১২ পৃষ্ঠাৰ পৰা* কৰা প্ৰশিক্ষণ কাৰ্যসূচীত বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ সমল ব্যক্তি সুভাষ। বৰ্মনে বিগত দুটা শিক্ষাবৰ্ষত ক'ভিড মহামাৰীৰ পৰিপ্ৰেক্ষিতত ছাত্ৰ-ছাত্ৰীৰ শিকন ঘাটি হোৱা বুলি উল্লেখ কৰে। তেওঁ আগন্তুক গুণোৎসৱৰ বাবে শিক্ষক-শিক্ষয়িত্ৰীসকলক মানসিকভাৱে প্ৰস্তুত হ'বলৈয়ো আহ্বান জনায়। শিক্ষাখণ্ডটোৰ বিআৰপি নৰ কুমাৰ দাসে গুণোৎসৱৰ বাবে স্কুলৰ মূল্যায়নৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলে কৰিবলগীয়া দিশ তথা দায়িত্ব সম্পৰ্কে বুজাই দিয়ে। ইয়াৰ উপৰি সমল ব্যক্তি হিচাপে উপস্থিত থকা দতৰা সমল কেন্দ্ৰৰ কৃতী সমন্বয়ক অৰূপজ্যোতি দাসে ছাত্ৰ-ছাত্ৰীৰ মূল্যায়ন আৰু বহিঃমূল্যায়নৰ দ্বাৰা কেনেকৈ মূল্যায়ন কৰা হ'ব তাক প্ৰকাশ কৰে। বৰাজোল ছোৱালী হাইস্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক আব্দুল হাকিমো প্ৰশিক্ষণ পৰ্বত উপস্থিত থাকে।

## কলিয়াবৰৰ শংকৰদেৱ নামধৰ্ম সমাজৰ আই মাতৃ সমাৰোহ সম্পন্ন



**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ২০ মে' ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামধৰ্ম সমাজৰ অন্তৰ্গত কলিয়াবৰ আঞ্চলিক আই মাতৃ সমাজৰ সৌজন্যত আজি দিনজোৰা কাৰ্যসূচীৰে ইয়াৰ দাৰিগজি গাঁৱৰ নৱ নিৰ্মিত নামঘৰ প্ৰাংগণত এখন আই মাতৃ সমাৰোহ অনুষ্ঠিত হয়। কলিয়াবৰ আই মাতৃ সমাজৰ সভানেত্ৰী মিনু বৰুৱাৰ সঞ্চালনাত অনুষ্ঠিত আই মাতৃ সমাৰোহখন উদ্বোধন কৰে দিপালী বৰাই। মথুৰাদাস বুঢ়া আতা শাখাৰ ব্যৱস্থাপনাত আয়োজিত অনুষ্ঠানত আধ্যাত্মিক দিশত নাৰীৰ অলংকাৰ শীৰ্ষক বক্তৃতা প্ৰদান কৰে ৰাজ্যিক নামাচাৰ্য বলিন বৰুৱাই। গুৰুৰ ধৰ্মত নাৰীৰ মৰ্যাদা শীৰ্ষক বক্তৃতা প্ৰদান কৰে ৰাজ্যিক আই মাতৃ সমাজৰ প্ৰাক্তন সভানেত্ৰী মামণি ভূএগ্ৰা হাজৰিকাই আৰু দেৱ বাদ্যৰ ওপৰত নাৰীৰ ভূমিকা সম্পৰ্কে আলোচনা আগবঢ়াই প্ৰাক্তন জিলা সম্পাদিকা জুনু কাকতিয়ে। এভাগি দিহা নামেৰে আৰম্ভ হোৱা সভাখনত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে ৰাজ্যিক সভাপতি দিনেশ মহন্তই। সভাত আই মাতৃ সমাজৰ ৰাজ্যিক সভানেত্ৰী সম্পাদিকা ক্ৰমে হিমাদ্ৰী বৰা আৰু চাৰু দেৱীয়ে ভাষণ দিয়ে। উক্ত সভাতে সমাজসেৱী যোগদা হাজৰিকা, পুণ্যলতা হাজৰিকা আৰু নিতেশ্বৰী কাকতিক ভকতি বস্ত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। পুৱা প্ৰাতঃপ্ৰসংগৰ পাছতে ধৰ্মধ্বজা উত্তোলন কৰে কলিয়াবৰ আঞ্চলিকৰ সভাপতি উপেন চন্দ্ৰ বৰাই। স্মৃতি তৰ্পণ অনুষ্ঠান মুকলি কৰে তৰুলতা বৰাই।

## অভয়াপুৰীৰ প্ৰাথমিক বিদ্যালয়ত প্ৰধান শিক্ষয়িত্ৰীৰ অৰাজকতা

**মূল্যায়ন বহী, পাঠদানৰ বিনিময়তো ধন সংগ্ৰহ ঃ ক্ষোভিত দুখীয়া অভিভাৱক**

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ২০ মে' ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত বিদ্যালয় এখনৰ প্ৰধান শিক্ষয়িত্ৰী এগৰাকীয়ে ছাত্ৰ-ছাত্ৰীৰ বহী, পাঠদানৰ বিনিময়ত দুখীয়া ছাত্ৰ-ছাত্ৰীৰ পৰা ধন সংগ্ৰহ কৰাৰ লগতে পলমকৈ বিদ্যালয়ত উপস্থিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। এই লৈ আজি বহু অভিভাৱকে বিদ্যালয়ত উপস্থিত হৈ প্ৰধান শিক্ষয়িত্ৰীগৰাকীৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰে। তথ্য মতে, শিক্ষাখণ্ডটোৰ অন্তৰ্গত অভয়াপুৰী অঞ্চলৰ বাতাবাৰী চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী সুৰৰ্ণা ৰায়ে প্ৰতিদিনে বহু পলমকৈ বিদ্যালয়ত উপস্থিত হোৱাত ছাত্ৰ-ছাত্ৰীসকলে গেটৰ বাহিৰত ৰৈ থাকিবলগীয়া হয়। আন এক অভিযোগ মতে, প্ৰধান শিক্ষয়িত্ৰীগৰাকীয়ে দুখীয়া ছাত্ৰ-ছাত্ৰীৰ পৰা মূল্যায়ন বহী আৰু অভ্যাসন বহীৰ পৰিবহণ খৰচৰ নামতো ধন সংগ্ৰহ কৰি আহিছে। অভিযোগ মতে, প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ পৰা ১০ৰ পৰা ১৫ টকালৈ আদায় কৰে প্ৰধান শিক্ষয়িত্ৰীগৰাকীয়ে। উল্লেখ্য যে ১৯৫৪ তে স্থাপিত বিদ্যালয়খনত ৮৫ গৰাকীকৈ ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে একমাত্ৰ প্ৰধান শিক্ষয়িত্ৰীয়ে থকাত পৰিচালনা সমিতিয়ে এজন স্বেচ্ছাসেৱক মকৰল কৰি পাঠদানৰ ব্যৱস্থা কৰে। ইয়াৰ বাবে স্বেচ্ছাসেৱকক মাননী দিয়াৰ অজুহাতত প্ৰধান শিক্ষয়িত্ৰীগৰাকীয়ে প্ৰতিগৰাকীক ছাত্ৰ-ছাত্ৰীৰ পৰা ধন সংগ্ৰহত নামি পৰে। অভিযোগ মতে, প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ পৰা ২৫ টকাকৈ প্ৰধান শিক্ষয়িত্ৰীগৰাকী লোৱাৰ বিপৰীতে এইবেলি ৫০ টকাকৈ সংগ্ৰহ কৰিছে। উল্লেখ্য যে শিক্ষাৰ অধিকাৰ আইন ২০০৯ অনুসৰি ছৰ পৰা ১৪ বছৰলৈ সকলোৰে বাবে বিনামূলীয়া বাধ্যতামূলক শিক্ষা ব্যৱস্থা প্ৰৱৰ্তন কৰিছে। সেই সময়ত চৰকাৰী বিদ্যালয়ত ধন আদায় দি শিক্ষা গ্ৰহণ কৰিবলগীয়া বিষয়টোক একেধাৰে জিলা প্ৰাথমিক শিক্ষা বিষয়া, উত্তৰ শালমৰা মহকুমা বিদ্যালয়সমূহৰ পৰিদৰ্শক আৰু সৃজনগ্ৰাম প্ৰাথমিক শিক্ষা বিষয়াৰ দায়িত্বত থকা জ্যোৎস্নাৰাণী বৰ্মনে কি হিচাপে লয় সেয়া লক্ষ্যণীয় হ'ব।

## বিলাতী সুৰা জব্দ ঃ ধৃত দুই

**অগ্ৰদূত বাৰ্তা**

**বৰভাগ, ২০ মে' ঃ** নলবাৰী জিলাৰ কমাৰকুছি আৰক্ষী চকীৰ অন্তৰ্গত কালাগ হাটখোলাত কালি সন্ধিয়া কমাৰকুছি আৰক্ষীয়ে অভিযান চলাই অবৈধ বিলাতী সুৰা জব্দ কৰে। কমাৰকুছি আৰক্ষী চকীৰ আৰক্ষীৰ দলটোৱে চাৰি কাৰ্টন বিলাতী সুৰা জব্দ কৰে। আনহাতে, ঘটনা সংক্ৰান্তত সোধ-পোছৰ বাবে দুজনকৈ লোক গ্ৰেপ্তাৰ কৰে।

## বাণিজ্য মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ বিভাগৰ উদ্যোগত ই-সমল আহৰণ কৰ্মশালা

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ২০ মে' ঃ লখিমপুৰ** বাণিজ্য মহাবিদ্যালয়ত আজি এখন ই-সমল আহৰণৰ কৰ্মশালা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ বিভাগৰ উদ্যোগত অনুষ্ঠিত কৰ্মশালাখন উদ্বোধন কৰে অধ্যক্ষ ড° লোহিত হাজৰিকাই। কৰ্মশালাত মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ৰুণজুণ বৰুৱাই মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত উপলব্ধ গ্ৰন্থ, পাঠ্যপুথি, আলোচনী আদিৰ শেহতীয়া তথ্য দাঙি ধৰে। তদুপৰি ই-সমল বিভিন্ন উৎস আদিৰে মহাবিদ্যালয়ে আহৰণ কৰা বিভিন্ন গৱেষণা আলোচনী আদিক ব্যক্তিগতভাৱে শিক্ষকসকলে লাভ কৰিব পৰা সম্পৰ্কত আলোচনা কৰা হয়। কৰ্মশালাত সহযোগিতা আগবঢ়ায় কম্পিউটাৰ বিষয়ৰ শিক্ষক প্ৰশান্ত বৰাই।

## ডিগবৈত তীব্ৰ যান-জঁটৰ সমস্যাত অতিষ্ঠ জনসাধাৰণ

### পথৰ মাজত আবদ্ধ হয় এম্বুলেন্স

**ডিগবৈ, ২০ মে' ঃ** তিনিচুকীয়া জিলাৰ তৈলনগৰী ডিগবৈ মূল চহৰৰ মাজেৰে প্ৰবাহিত ৩৮ নম্বৰ ৰাষ্ট্ৰীয় পথৰ তীব্ৰ যান-জঁটৰ সমস্যাত বিগত বছৰ বছৰ ধৰি অতিষ্ঠ হৈ আহিছে জনসাধাৰণ। দিনক দিনে ক্ৰমান্বয়ে বৃদ্ধি পোৱা যান- বাহনৰ প্ৰকোপত সমস্যাৰ সৃষ্টি হৈছে ডিগবৈত। বিশেষকৈ মূল চহৰখনৰ সোঁমাজেৰে প্ৰবাহিত তীব্ৰ ব্যস্ততাপূৰ্ণ ৩৮ নম্বৰ ৰাষ্ট্ৰীয় পথ যোৱাৰ হেতুকে অহৰহ সৰু-বৰ যান-বাহন বিৰতি বিহীনভাৱে চলাচল কৰাৰ লগতে চহৰখনৰ পৰিকল্পনাৰ অভাৱত তীব্ৰ যান-জঁটৰ সমস্যাত দুৰ্ভোগ ভুগিছে জনসাধাৰণ। ৰাষ্ট্ৰীয় পথৰ দুয়োকাষে তৈলনগৰী ডিগবৈ চহৰৰ প্ৰাণকেন্দ্ৰ স্বৰূপ দৈনিক চাৰিআলি বজাৰখন হোৱাৰ হেতুকে অস্থায়ীভাৱে একাংশ খুচুৰা শাক-পাচলি বিক্ৰেতা, ফল-মূলৰ দোকানৰ লগতে বিভিন্ন ব্যৱসায়ীই ৰাষ্ট্ৰীয় পথৰ কাষতে ব্যৱসায়ী বাণিজ্য চলাই আহিছে। পথৰ দুয়োকাষে পূৰ্বৰে পৰা পৰিকল্পনাৰ অভাৱত যান-বাহন ৰাখিবলৈ ব্যৱস্থা কৰাত মূল ঘাইপথটো সংকীৰ্ণ হৈ পৰিল। তদুপৰি ডিগবৈ ৰাজহুৱা বাছস্থান থকাৰ পাছতো তিনিচুকীয়া ডিগবৈ অভিমুখী নতুবা মাৰ্ঘেৰিটা ডিগবৈ অভিমুখী বাছসমূহ চহৰখনৰ মাজতে ৰাখি যাত্ৰীসকলক উঠা নমা কৰে। যাৰ বাবে দিনৰ বেছিভাগ সময়ে মূল চহৰখন তীব্ৰ যান-জঁটে আৱৰি ধৰে। তীব্ৰ যান-জঁটৰ হেতুকে সময়ে সময়ে সংকটজনক অৱস্থাত ৰোগীক উন্নত চিকিৎসাৰ বাবে তিনিচুকীয়া নতুবা ডিব্ৰুগড়স্থিত চিকিৎসালয়লৈ চিকিৎসাৰ বাবে কঢ়িয়াই নিয়া এম্বুলেন্স বাহনে সময়মতে মূল চহৰখনৰ পৰা উলাই যাবলৈ সক্ষম নোহোৱাৰ বাবে বহু ৰোগীৰ জীৱনলৈ কাল অমানিশা নামি আহিছে। এক উল্লেখনীয় বিষয় যে ডিগবৈ চহৰৰ তীব্ৰ যান-জঁটৰ সমস্যা সমাধানৰ ক্ষেত্ৰত বিহীত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাই বিভিন্ন সময়ত স্থানীয় দল-সংগঠনে স্মাৰকপত্ৰ প্ৰদান কৰি আহিছে। স্মাৰকপত্ৰৰ ওপৰত ভিত্তি কৰি যোৱাটো বৰ্ষৰ দুই নৱেম্বৰত মাৰ্ঘেৰিটা মহকুমা প্ৰশাসন, পূৰ্বাঞ্চল বাছ মালিক সন্থা, ডিগবৈ আৰক্ষী আৰু ডিগবৈ আঞ্চলিক জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ মাজত এখনি বৈঠক অনুষ্ঠিত হৈছিল। বৈঠকত উভয়পক্ষৰ সৰ্বসন্মতিক্ৰমে ডিগবৈ চহৰৰ তীব্ৰ যান-জঁটৰ সমস্যা সমাধানৰ ক্ষেত্ৰত এমাহৰ ভিতৰতে ব্যৱস্থা গ্ৰহণৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল। কিন্তু সভাৰ প্ৰস্তাৱ যেন বগাহাতীত পৰিণত হ'ল। এমাহৰ পৰিৱৰ্তে আজিকোপতি ছয়মাহ বাগৰি যোৱাৰ পাছতো বিভাগীয় কৰ্তৃপক্ষই কোনো ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত নহ'ল। লগতে বিগত বৰ্ষৰ নৱেম্বৰ-ডিচেম্বৰতে মাৰ্ঘেৰিটা মহকুমা প্ৰশাসনিক বিষয়াৰ উপস্থিতিত ডিগবৈ মূল চহৰৰ মাজমজিয়াত অবৈধভাৱে চলাই ব্যৱসায়ীসকলক উচ্ছেদ কৰাৰ অভিযান চলাইছিল যদিও অভিযান চলাই যোৱা মাত্ৰ দুই-তিনিদিনৰ পাছৰে পৰা পুনৰ নিৰ্বিকাৰে ৰাষ্ট্ৰীয় পথৰ কাষত অবৈধভাৱে বেদখল কৰি ব্যৱসায় চলাই গৈছে। যাৰ পৰিপেক্ষিতত ডিগবৈবাসী ৰাইজে তীব্ৰ যান-জঁটৰ সমস্যাত দুৰ্ভোগ ভুগিব লগা পৰিৱেশত দিন কটাব লগাত পৰিছে। এই ক্ষেত্ৰত যেন ডিগবৈ পৌৰসভাৰো ভূমিকা পুতৌজনক। ডিগবৈ চহৰৰ তীব্ৰ যান-জঁটৰ সমস্যাত জ্বলা-কলা খোৱা সাধাৰণ জনগণে অতি শীঘ্ৰে সমস্যা সমাধানৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনোৱাৰ লগতে অবৈধভাৱে পদপথৰ ওপৰত ব্যৱসায় চলাই নিয়া ব্যৱসায়ী সকলক স্থায়ীভাৱে উচ্ছেদ কৰিবলৈ দাবী জনাইছে।




# থাইলেণ্ড অপেনৰ ছেমিফাইনেলত সিন্ধু

MONTE BIANCO
— Smart Everyday —
FORMAL | CASUAL | MENSWEAR

### আজি বধিৰ অলিম্পিয়ানৰ স'তে মোদীৰ চাহমেল

## প্ৰধানমন্ত্ৰীৰ আমন্ত্ৰণ মৰ্মে দিল্লীলৈ অসমৰ অভিনন্দন

**গুৱাহাটী, ২০ মে' ঃ** ব্ৰাজিলত অনুষ্ঠিত সদ্য সমাপ্ত বধিৰ অলিম্পিকত অংশ লোৱা অসম সন্তান অভিনন্দন গোস্বামীয়ে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আমন্ত্ৰন মৰ্মে আজি ৰাওনা হৈছে নতুন দিল্লীলৈ। কাইলৈ প্ৰধানমন্ত্ৰী মোদীক তেওঁৰ বাসভৱনতে সাক্ষাৎ কৰিব অভিনন্দনে। উল্লেখ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্ৰাজিলত অনুষ্ঠিত সদ্য সমাপ্ত বধিৰ অলিম্পিকত ভাৰতীয় দলটোৱে এতিয়ালৈকে কৰা সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শনৰ বাবে অভিনন্দন জনাইছে আৰু কাইলৈ (21 মে') তেওঁৰ বাসগৃহত দলৰ সকলো সদস্যকে সাক্ষাৎ কৰাৰ বাবে আমন্ত্ৰন জনাইছে। সেয়ে আজি গুৱাহাটীৰ পৰা অসম সন্তান অভিনন্দন ৰাওনা হৈছে নতুন দিল্লীলৈ। উল্লেখ্য যে অসমৰ প্ৰথম ক্ৰীড়াবিদ হিচাপে এইবাৰ বধিৰ অলিম্পিকত খেলাৰ গৌৰৱময় সফলতা লাভ কৰিছে টাইকোৱান-ডো খেলুৱৈ অভিনন্দন গোস্বামীয়ে। কোৱাৰ্টাৰ ফাইনেলত ভৰিত আঘাত পাই অভিযান সামৰিছিল অভিনন্দনে। উল্লেখ্য যে মেগা প্ৰতিযোগিতাখনত অংশ লোৱাৰ বাবে ভাৰতীয় দল বাছনি কৰিবলৈ লক্ষ্ণৌ অনুষ্ঠিত হৈছিল এক বাছনি প্ৰতিযোগিতা। উক্ত প্ৰতিযোগিতাতে প্ৰথমস্থান দখল কৰি অসমৰ প্ৰথম ক্ৰীড়াবিদ হিচাপে বধিৰ অলিম্পিকত খেলাৰ গৌৰৱময় সফলতা লাভ কৰে 20 বছৰীয়া টাইকোৱান-ডো খেলুৱৈ অভিনন্দনে। উল্লেখ্য যে ব্ৰাজিলৰ কাক্সিয়াছ ড' চুলত অনুষ্ঠিত 24 সংখ্যক বধিৰ অলিম্পিকত ভাৰতে আঠটা সোণ, এটা ৰূপ আৰু আঠটা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। এয়া এতিয়ালৈ ভাৰতৰ শ্ৰেষ্ঠ প্ৰদৰ্শন।



**বেংকক,২০ মে' ঃ** ভাৰতৰ পি ভি সিন্ধু চলিত থাইলেণ্ড অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলা একক শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে দুবাৰকৈ অলিম্পিক পদক বিজয়ী সিন্ধুৱে আজি প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত জাপানৰ বিশ্বৰ এক নম্বৰ খেলুৱৈ আকানে ইয়ামাগুচিৰ বিৰুদ্ধে তিনিখন খেলৰ অন্তত জয়লাভ কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। ষষ্ঠ বাচনিৰ ভাৰতীয় খেলুৱৈগৰাকীয়ে 51 মিনিটত প্ৰতিযোগিতাৰ দ্বিতীয় বাছনিৰ জাপানীজ শ্বাটলাৰগৰাকীক 21-15, 20-22, 21-13 ত পৰাস্ত কৰে। এতিয়া ছেমিফাইনেলত সিন্ধু চীনৰ অলিম্পিক চেম্পিয়ন চেন ইউ ফেইৰ বিৰুদ্ধে খেলিব। উল্লেখ্য যে অন্তিমবাৰৰ বাবে এই যুটিয়ে খেলা খেলখনত বিতৰ্কৰ সৃষ্টি হৈছিল আৰু বেডমিণ্টন এছিয়া চেম্পিয়নশ্বিপৰ ছেমিফাইনেলৰ সময়ত মেচত সময় অপব্যৱহাৰ কৰাৰ বাবে আম্পায়াৰে সিন্ধুক এটা পইণ্টৰ শাস্তি প্ৰদান কৰিছিল। 13-9 ৰ হেড টু হেড অভিলেখৰে মেচখনত সোমাই সিন্ধুৱে আন এক সুন্দৰ প্ৰদৰ্শন কৰি বৰ্তমানৰ বিশ্ব চেম্পিয়নগৰাকীৰ বিৰুদ্ধে 14 সংখ্যক জয়লাভ কৰে। উল্লেখ্য যে ৰিঅ' আৰু টকিঅ' অলিম্পিকত পদক বিজয়ী সিন্ধুৰ এই সফলতাৰ ফলতেই প্ৰতিযোগিতাখনত একমাত্ৰ ভাৰতীয় শ্বাটলাৰ হিচাপে পদক আশা সজীৱ হৈ আছে। প্ৰতিযোগিতাখনত ষষ্ঠ স্থানৰ বাছনি লাভ কৰা তথা বিশ্বৰ সাত নং স্থানত থকা সিন্ধুৱে দ্বিতীয় ৰাউণ্ডৰ এখন মেচত কোৰিয়াৰ উবেৰ কাপ জয়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা ছিম ইউ জিনক 21-16 21-13 ত পৰাস্ত কৰিবলৈ সক্ষম হয়। মেচ জয়ৰ বাবে মাত্ৰ 37 মিনিট সময় লৈছিল সিন্ধুৱে। ইয়াৰপূৰ্বে প্ৰথম ৰাউণ্ডত আমেৰিকাৰ লৰেন লামক পৰাস্ত কৰা সিন্ধুৱে আজি জাপানৰ আকানে ইয়ামাগুচিক সুযোগ নিদিলে। ইফালে, ভাৰতৰ ঐতিহাসিক থমাছ কাপ জয়ৰ অন্যতম নায়ক কিদাম্বী শ্ৰীকান্ত পুৰুষৰ একক দ্বিতীয় ৰাউণ্ডত প্ৰতিপক্ষক ৱাক অভাৰ প্ৰদান কৰি অভিযান সামৰে।



## ২২ মে'ত দ্বিতীয় খেলত অৱতীৰ্ণ হ'ব অভিজিত



**ষ্টাফ ৰিপৰ্টাৰ**
**যোৰহাট, ২০ মে' ঃ** প্ৰফেচনেল বক্সিঙত প্ৰৱেশ কৰিয়ে প্ৰতিপক্ষক ধৰাসায়ী কৰা যোৰহাটৰ অভিজিত বৰুৱাই অহা 22 মে'ত মুম্বাইত প্ৰফেচনেল বক্সিঙৰ দ্বিতীয়খন মেচত অৱতীৰ্ণ হ'ব। উল্লেখ্য যে বিশ্ব বক্সিং কাউঞ্চিল আৰু এচিয়ান বক্সিং কাউঞ্চিলৰ তত্বাৱধানত অনুষ্ঠিত হোৱা এই প্ৰতিযোগিতাত অভিজিত বৰুৱা মুখামুখি হ'ব উত্তৰ প্ৰদেশৰ শিৱম তিৱাৰীৰ। ইয়াপূৰ্বে যোৱা 24 এপ্ৰিলত নতুন দিল্লীত ৰয়েল স্পৰ্টছ প্ৰমোচনে আয়োজন কৰা প্ৰফেচনেল বক্সিং প্ৰতিযোগিতাত অভিজিত বৰুৱাই প্ৰতিপক্ষক প্ৰথম ৰাউণ্ডতে নক আউট কৰি অভিলেখ গঢ়িছিল। আছু যোৰহাট জিলা সমিতি আৰু অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ যোৰহাট জিলা সমিতিয়ে যোৰহাটৰ সন্তান তথা সম্ভাৱনাপূৰ্ণ বক্সাৰ গৰাকীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

### জজ খেলপথাৰত তিনি দিনত এটাও বল নপৰিল

## পুনৰ এক পইণ্টতে সন্তুষ্ট বৰপেটা

**গুৱাহাটী, ২০ মে' ঃ** অসম ক্ৰিকেট সন্থাৰ উদ্যোগত গুৱাহাটীৰ চাৰিটা স্থানত চলি থকা নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ দ্বিতীয় গ্ৰুপ মেচতো বৰষুনে বাধা দিয়ে। ফলত তিনখন মেচত অংশ লোৱা ছটা দলে এক পইণ্টকৈ ভগাই লয়। উল্লেখ্য যে জজ খেলপথাৰত হ'বলগা কাৰ্বি আংলং আৰু বৰপেটাৰ মাজৰ মেচখনৰ তিনিদিনত এটাও বল নপৰিল। ইয়াৰপূৰ্বেও বৰপেটাই নিজৰ প্ৰথমখন মেচত শক্তিশালী স্থিতিত থকাৰ পাছতো বৰষুনৰ বাধাৰ বাবে এক পইণ্টহে লাভ কৰিছিল। অম্লানজ্যোতি দাসৰ (24-6] ৰ বিধ্বংসী বলিঙত বিধ্বস্ত হৈ বিশ্বনাথে 141 ৰাণত প্ৰথম ইনিংছ সামৰাৰ পাছত বৰপেটাই দিনান্তত 44-1 ৰাণ কৰিছিল। কিন্তু পৰৱৰ্তী দুদিনৰ মেচ নহ'ল।

### অসমত খেলৰ বাতৰি প্ৰকাশৰ এশ বছৰ

## শতবৰ্ষৰ কাৰ্যসূচীৰ লগ' উন্মোচন




**গুৱাহাটী, ২০ মে' ঃ** অহা বৰ্ষৰ পহিলা জুলাইত অসমত খেলৰ বাতৰি প্ৰকাশৰ এশ বছৰ সম্পূৰ্ণ হ'ব। উল্লেখ্য যে ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত 'অসমীয়া' নামৰ এখন সাপ্তাহিক কাকতত খেল বিষয়ক প্ৰথমটো বাতৰি প্ৰকাশ পাইছিল 1923 ত। অসমৰ ক্ৰীড়া আৰু ক্ৰীড়া সংবাদিকতাৰ ক্ষেত্ৰখনৰ বাবে ঐতিহাসিক ক্ষণ হিচাপে পৰিগণিত এই দিনটোক বিশেষ তাৎপৰ্যপূৰ্ণ কৰি তুলিবলৈ অসম ক্ৰীড়া সাংবাদিক সন্থাই অভিলাসী পদক্ষেপ গ্ৰহণ কৰিছে। এই অনুসৰি, এ এছ জে এ চলিত বৰ্ষৰ দুই জুলাইৰ পৰা অহা বৰ্ষৰ পহিলা জুলাইলৈ বৰ্ষজোৰা কাৰ্যসূচীৰে অসমত খেলৰ বাতৰি প্ৰকাশৰ শতবৰ্ষ উদযাপনৰ যো-জা চলাইছে। এই কাৰ্যসূচীৰে অংশ হিচাপে আজি অসম অলিম্পিক সন্থাৰ কাৰ্যালয়ৰ এক অনুষ্ঠানত শতবৰ্ষ কাৰ্যসূচীৰ ল'গো আৰু টেগলাইন উন্মোচন কৰা হয়। অনুষ্ঠানত উপস্থিত থাকে অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰ, সাংবাদিক প্ৰবিত্ৰ গগৈ, মৃনাল তালুকদাৰ, সন্থাৰ সভাপতি সুবোধমল্ল বৰুৱা আৰু সম্পাদক ইমতিয়াজ আহমেদ আদি। উল্লেখ্য যে 'খেলৰ বাতৰিৰ বিবৰ্ত্তনৰ শতবৰ্ষ' হিচাপে পালন কৰিবলগীয়া এই বৰ্ষটোত সন্থাই ক্ৰীড়া সাংবাদিকৰ কল্যাণমূলক কাৰ্যসূচীৰ লগতে কেবাটাও বক্তৃতানুষ্ঠান, ক্ৰীড়া কথাছবি মহোৎসব, অন্তৰংগ আলাপ, ক্ৰীড়া ফটোগ্ৰাফী প্ৰদৰ্শনী আৰু প্ৰতিযোগিতা আদি আয়োজন কৰিব। সন্থাই অসমত খেলৰ বাতৰি প্ৰকাশৰ শতবৰ্ষ সম্পূৰ্ণ হোৱা উপলক্ষে ইতিহাস সম্বলিত গ্ৰন্থও প্ৰকাশ কৰিব।



মহিলা আই পি এল নহয়, এক বিজ্ঞাপনত এনেদৰে অংশ লৈছে ভাৰতীয় দৌৰবিদ দূতি চান্দে।

### নুৰুদ্দিন ট্ৰফী ছিনিয়ৰ ক্ৰিকেটত সিদ্ধাৰ্থৰ ছটা উইকেট

## গুৱাহাটীৰ বিৰুদ্ধে প্ৰথম ইনিংছত অগ্ৰগতি লাভেৰে তেজপুৰৰ তিনি পইণ্ট

### হৃষীকেশৰ শতক

**গুৱাহাটী, ২০ মে' ঃ** গুৱাহাটীয়ে চলিত নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ দ্বিতীয়খন মেচত এক পইণ্ট লাভ কৰিয়ে সন্তুষ্ট থাকিল। উল্লেখ্য যে এ চি এৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামৰ মুল খেলপথাৰত হোৱা তিনিদিনীয়া মেচখন আজি অন্তিম দিনা ড্ৰ ৰূপে সমাপ্ত হয় যদিও তেজপুৰে প্ৰথম ইনিংছৰ অগ্ৰগতি লাভ কৰি তিনি পইণ্ট অৰ্জন কৰে। উল্লেখ্য যে মেচখনত তেজপুৰে প্ৰথম ইনিংছত 374 ৰাণ কৰাৰ পাছত গুৱাহাটীয়ে হৃশিকেশ তামুলীৰ (101 ৰাণ) শতকৰ সত্তেও প্ৰথম ইনিংছত 213 ৰাণ কৰি ফল'অনৰ সন্মুখীন হয়। তেজপুৰৰ সিদ্ধাৰ্থ শৰ্মাই ছটা উইকেট লাভ কৰি দলক তিনি পইণ্ট দিয়াত সহায় কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে প্ৰথমখন গ্ৰুপ মেচত মৰিগাঁৱৰ বিৰুদ্ধে এক ইনিংছ আৰু 22 ৰাণত জয়লাভ কৰিছিল গুৱাহাটীয়ে। মেচৰ নায়ক আছিল ৰোহিত সিং। প্ৰথম ইনিংছত পাঁচটা উইকেট লাভ কৰা গুৱাহাটীৰ বাওঁহতীয়া স্পীনাৰ ৰোহিত সিঙে দ্বিতীয় ইনিংছতো সাতটা উইকেট লাভ কৰি মেচত 12 টা উইকেট দখলেৰে গুৱাহাটীক সাত পইণ্ট দিয়াত মুখ্য ভূমিকা লয়। দ্বিতীয় মেচৰ প্ৰথম ইনিংছতো ৰোহিতে তেজপুৰৰ পাঁচটা উইকেট লাভ কৰিছিল। কিন্তু এৰিক ৰয়ৰ আঘাতৰ বাবে বেটিঙত দূৰ্বল হৈ পৰে গুৱাহাটী। উল্লেখ্য যে প্ৰথম মেচত মৰিগাঁৱে 132 ৰাণতে প্ৰথম ইনিংছ সামৰাৰ পাছত গুৱাহাটীয়ে এৰিক ৰয়ৰ (150] শতকৰে 310-6 ৰাণত প্ৰথম ইনিংছ ঘোষণা কৰিছিল।





## পইণ্ট ভগাই ল'লে নগাঁও-শিলচৰে

**গুৱাহাটী, ২০ মে' ঃ** অসম ক্ৰিকেট সন্থাৰ উদ্যোগত গুৱাহাটীৰ চাৰিটা স্থানত চলি থকা নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ দ্বিতীয় গ্ৰুপ মেচতো বৰষুনে বাধা দিয়ে। সেয়ে বি চি চি আইৰ নিয়ম অনুসৰি এ চি এ পৰিত্যক্ত হোৱা তিনিখন মেচৰ ছটা দলক এক পইণ্টকৈ ভগাই দিয়ে। উল্লেখ্য যে আমিনগাঁৱৰ খেলপথাৰত হোৱা মেচত নগাঁও দলে 118 ৰাণত প্ৰথম ইনিংছ সামৰাৰ পাছত শিলচৰে দুই উইকেটত কৰে 40 ৰাণ। মেচ ইমানে সমাপ্ত হয় আৰু দুয়ো দলে পইণ্ট ভগাই লয়। শিলচৰৰ ৰাহুল সিঙে ছটা উইকেট দখল কৰে। এয়া আছিল নগাঁৱৰ দ্বিতীয় মেচ। প্ৰথম মেচত আবিৰ চক্ৰৱৰ্তীৰ (33-6] ৰ চমকপ্ৰদ বলিঙত বিধ্বস্ত হৈ নগাঁৱে 168 ৰাণত প্ৰথম ইনিংছ সামৰাৰ পাছত তিনিচুকীয়াই দিনান্তত 59-4 ৰাণ কৰিছিল। পৰৱৰ্তী দুটা দিনত খেল নহ'ল। উল্লেখ্য যে নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ বাবে যোগ্যতা অৰ্জন কৰা 12 টা দলক চাৰিটা গ্ৰুপত বিভক্ত কৰা হৈছে। গ্ৰপ 'এ'ৰ মেচ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত খেলিছে গুৱাহাটী, মৰিগাঁও আৰু তেজপুৰে। ইফালে, জজ খেলপথাৰত গ্ৰুপ 'বি'ৰ মেচ খেলিছে এন এফ ৰেলৱে, বঙাইগাঁও আৰু ডিব্ৰুগড়ে । একেদৰে গ্ৰুপ 'চি'ৰ মেচ আমিনগাঁৱত খেলিছে নগাঁও, তিনিচুকীয়া আৰু শিলচৰে। আনহাতে, বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামৰ দ্বিতীয় খেলপথাৰত গ্ৰুপ 'ডি'ৰ মেচত খেলিছে বৰপেটা, বিশ্বনাথ আৰু কাৰ্বি আংলঙে। প্ৰতিখন মেচ তিনিদিনীয়া কৰা হৈছে।



## ৰাজ্যিক মুৱাইথাই প্ৰতিযোগিতাত নগাঁৱৰ নাইটছ সমৰকলা কেন্দ্ৰৰ খেলুৱৈৰ সফলতা

**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া,২০ মে' ঃ** সোণাপুৰত সদ্যসমাপ্ত সদৌ অসম এমেছাৰ মুৱাইথাই প্ৰতিযোগিতাত নগাঁও জিলাৰ নাইটছ সমৰকলা কেন্দ্ৰৰ মুঠ 21 জন খেলুৱৈ (ল'ৰা-ছোৱালী) য়ে অংশগ্ৰহণ কৰি উল্লেখনীয় সফলতাৰে 21 টাকৈ পদক আজুৰি অনাৰ লগতে তৃতীয় শ্ৰেষ্ঠ জিলা দলৰ সন্মানো লাভ কৰিছে। এই কেন্দ্ৰটোৰ অধীনৰ নগাঁও চহৰৰ আমোলাপট্টি শিৱ মন্দিৰত থকা মুখ্য প্ৰশিক্ষণ কেন্দ্ৰটোৰ উপৰিও জিলাখনৰ বেবেজীয়া, ৰাইদঙীয়া, ৰূপহী আৰু চামগুৰি শিঙিয়াৰ প্ৰশিক্ষণ কেন্দ্ৰসমূহৰ শিক্ষাৰ্থীসকলেও সফলতা লাভ কৰিছে। উল্লেখ্য যে, সোণৰ পদকপ্ৰাপ্ত খেলুৱৈসকল হ'ল--কৃষ্টিনা গোস্বামী, আফচনা বেগম, ৰাইহানুৰ ৰহমান, চণ্ডীম কাশ্যপ শইকীয়া, নুপুৰ বৰা আৰু বন্তি দাস। আনহাতে, ৰূপৰ পদক প্ৰাপ্তসকল--হেপ্পী দাস, মুকলেচুৰ ৰহমান, ক্ৰিমলী বৰা, অনামিকা ডেকা। আনহাতে, ব্ৰঞ্জৰ পদক প্ৰাপ্তসকল হৈছে--কমল বৰা, ববিতা ৰবি দাস, দৃষ্টিতা বৰা, হিমাংশু তামুলী, জ্ঞানশ্ৰী বৰা, বৰ্ণিযা ভূঞা, ৰণ্টু বৰা, চিন্ময় আকাশ বৰা, জ্যোতিষ্মান বৰা, চিন্ময় বৰা আৰু ৰিকবুল ইছলাম। নাইটছ সমৰকলা কেন্দ্ৰৰ মুখ্য প্ৰশিক্ষক মিন্টু গোস্বামীকে ধৰি বেবেজীয়া আৰু ৰাইদঙীয়াৰ প্ৰশিক্ষক মৃণাল মহন্ত, চামগুৰি শিঙিয়াৰ প্ৰশিক্ষক কমল বৰা, ৰূপহীৰ প্ৰশিক্ষক হীৰক দাস, জাজৰিৰ প্ৰশিক্ষক আফচনা বেগম, নগাঁও নাইটছ সমৰকলা কেন্দ্ৰৰ সভাপতি তথা নগাঁও মুৱাই থাই সন্থাৰ মুখ্য উপদেষ্টা পৰাণ কৃষ্ণ ভূঞা বৰা আৰু নগাঁও জিলাত মুৱাইথাইৰ প্ৰচাৰক সংগঠক দেবাশীষ লস্কৰে এইপ্ৰতিযোগিতাত পদক লাভ কৰা খেলুৱলৈসকলক আৰু মধ্য প্ৰদেশত অনুষ্ঠিত হ'বলগীয়া আগন্তুক ৰাষ্ট্ৰীয় প্ৰতিযোগিতালৈ নিৰ্বাচিত খেলুৱৈকেইগৰাকীকো শুভেচ্ছা জনাইছে। ইপিনে, জিলাখনৰ সমৰকলাৰ খেলুৱৈসকলৰ এই সফলতাত নগাঁও জিলাৰ ক্ৰীড়াপ্ৰেমীসকলৰ লগতে ক্ৰীড়া সংগঠক সমীৰ হাজৰিকায়ো শুভেচ্ছা আৰু অভিনন্দন জনোৱা বুলি জানিব পৰা গৈছে।



## সাঁতোৰ প্ৰশিক্ষণ

**অগ্ৰদূত বাৰ্তা, নদুৱাৰ, ২০ মে' ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ অন্যতম ক্ৰীড়া অনুষ্ঠান নদুৱাৰ সাঁতোৰ সন্থাৰ উদ্যোগত আজিৰে পৰা অনুষ্ঠিত হৈছে সাঁতোৰ প্ৰশিক্ষণ শিবিৰ। অসম সাঁতোৰ সন্থাৰ সৌজন্যত নদুৱাৰ সাঁতোৰ সন্থাৰ জৰিয়তে জামুগুৰিহাটৰ অমৃতোপম পাব্লিক স্কুলত আয়োজিত সাঁতোৰ প্ৰশিক্ষণ শিবিৰৰ আজি পুৱা বন্তি প্ৰজ্বলনৰে শুভ উদ্বোধন কৰে জামুগুৰি আৰক্ষী নিৰেশৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰেম কুমাৰ লিম্বুৱে। সাঁতোৰ সন্থাৰ সম্পাদক প্ৰাঞ্জল শইকীয়াই আঁতধৰা উন্মোচনী সভাখনত সভাপতিত্ব কৰে নদুৱাৰ সাঁতোৰ সন্থাৰ উপ সভাপতি সংগ্ৰাম ৰতন ৰাজবংশীয়ে। বিশিষ্ট অতিথি হিছাপে অংশগ্ৰহণ কৰি অমৃতোপম ইডুকেচন ছ'চাইতিৰ সম্পাদক দেবজিৎ দাস, আন্তৰাষ্ট্ৰীয় ক্ৰীড়াবিদ মনজিত ডিহিঙীয়াৰ লগতে নদুৱাৰ সাঁতোৰ সন্থাৰ সহকাৰী সম্পাদক তথা সহ প্ৰশিক্ষক অবিনাশ তালুকদাৰে। সাতোৰ প্ৰশিক্ষণ গ্ৰহন কৰিবলৈ অহা ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্যি বক্তব্য প্ৰদান কৰে অতিথিসকলে। নদুৱাৰ সাঁতোৰ সন্থাৰ উদ্যোগত জামুগুৰিহাটত ইতিমধ্যে বিগত সময়চোৱাত বহুকেইটা সাঁতোৰ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰাৰ লগতে প্ৰশিক্ষণৰত কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীয়ে ভাল ফল দেখুৱাবলৈ সক্ষম হৈছে বুলি উদ্যোক্তা সকলে জনাইছে।

### ৰেলৱে দলৰ সমালোচনা এ চি এক

## বাৰিষাৰ সময়ত ৰাজ্যত ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতা

**গুৱাহাটী, ২০ মে' ঃ** অসম ক্ৰিকেট সন্থাই বাৰিষা খেল আয়োজন কৰাৰ ফল ভূগিছে ৰাজ্যৰ ক্ৰিকেটাৰসকলে। উল্লেখ্য যে নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ দ্বিতীয় গ্ৰুপ মেচতো বৰষুনে বাধা দিয়ে। ফলত তিনখন মেচত অংশ লোৱা ছটা দলে এক পইণ্টকৈ ভগাই লয়। প্ৰতিযোগিতাৰ নেহৰু ষ্টেডিয়ামত হোৱা ৰেলৱে আৰু ডিব্ৰুগড়ৰ মাজৰ তিনিদিনীয়া মেচখন বৰষুণৰ বাধাৰ বাবে উভয় দলে এক পইণ্টকৈ ভগাই লয়। ডিব্ৰুগড়ে 168-8 ৰাণত প্ৰথম ইনিংছ সামৰাৰ পাছত ৰেলৱে 42-4 ৰাণ কৰাৰ সময়তে তিনিদিনীয়া মেচখন সমাপ্ত হয়। ৰেলৱেৰ হৈ কৰণ মহাজনে পাঁচটা উইকেট পায় প্ৰথম ইনিংছত। উদ্যোগত গুৱাহাটীৰ চাৰিটা স্থানত চলি থকা নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ দ্বিতীয় গ্ৰুপ মেচতো বৰষুনে বাধা দিয়ে। ফলত তিনখন মেচত অংশ লোৱা ছটা দলে এক পইণ্টকৈ ভগাই লয়। উল্লেখ্য যে জজ খেলপথাৰত হ'বলগা কাৰ্বি আংলং আৰু বৰপেটাৰ মাজৰ মেচখনৰ তিনিদিনত এটাও বল নপৰিল। উল্লেখ্য যে ইয়াৰ পূৰ্বৰ মেচত প্ৰথমদিনা শিৱশংকৰ ৰয়ৰ (216] অপৰাজিত দ্বিশতকৰে ৰেলৱে 384-4 ৰাণ কৰিছিল বঙাইগাৱৰ বিৰুদ্ধে। কিন্তু বৰষুনে ৰেলৱেৰ আশাত চেচাপানী ঢালি দিয়ে। অসম ক্ৰিকেট সন্থাই বাৰিষা খেল আয়োজন কৰাৰ বাবে আপত্তি কৰিছে ৰেলৱে দলে।



